● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল


## দিগ্‌দৰ্শন

মই ব্যৰ্থ হোৱা নাই; বৰঞ্চ সফল নোহোৱাৰ ১০ হেজাৰটা কাৰণ বিচাৰি উলিয়াবলৈ সক্ষম হৈছো।

থমাছ আলভা এডিছন
*আমেৰিকাৰ বিজ্ঞানী*




www.dainikagradoot.in



৫ চিকিৎসকৰ নিদান অবিহনে দৰৱ সেৱনৰ প্ৰৱণতা বৃদ্ধি ভাৰতত
১৫ পুনৰ অনুশীলনত শচীন তেণ্ডুলকাৰ
৪ অসবৰ্ণ বিবাহৰ কিছু শাস্ত্ৰীয় বিচাৰ



RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩৩০ তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ২৩ ভাদ ১৪২৯ ভাস্কৰাব্দ ৯ ছেপ্টেম্বৰ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 9 September 2022 মূল্য ঃ ৯.০০ টকা


■ ৰাজ্যত তৃতীয়-চতুৰ্থ বৰ্গৰ নিযুক্তিৰ বাবে সক্ৰিয় দালাল চক্ৰ ■ আৰক্ষীক তথ্যসহ অভিযোগ দাখিলৰ পাছত জোকাৰণি ■ অভিযোগকাৰীকহে দীৰ্ঘ সময় ধৰি সোধ-পোছ কৰিলে আৰক্ষীয়ে

# আঠ লাখলৈ উঠিছে চাকৰিৰ দাম

■ আঁৰত শক্তিশালী লবী জড়িত বুলি তথ্য ■ ঠায়ে ঠায়ে ১০-১২ লাখ টকালৈকে দৰ-দাম

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৮ ছেপ্টেম্বৰ ঃ** অসম চৰকাৰৰ বিভিন্ন বিভাগত চলি থকা নিযুক্তি প্ৰক্ৰিয়াসমূহ স্বচ্ছ আৰু নিকাভাৱে সম্পন্ন কৰাৰ শ্ল'গান দিলেও বাস্তৱত তাৰ সত্যতাক লৈ বাৰে বাৰে প্ৰশ্ন উত্থাপিত হৈ আহিছে। শেহতীয়াভাৱে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ বাবে অব্যাহত থকা নিযুক্তি প্ৰক্ৰিয়াত দালালৰ ব্যাপক তৎপৰতাৰ অভিযোগ উত্থাপিত হৈ আহিছে। তেনেবোৰ অভিযোগ চৰকাৰে নাকচ কৰাৰো চেষ্টা অব্যাহত ৰাখিছে। তাৰ মাজতে ধনৰ বিনিময়ত চাকৰিৰ অভিযোগে অৱশেষত আনুষ্ঠানিক ৰূপ পালে। শেহতীয়াকৈ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ প্ৰায় ২৬ হেজাৰ পদৰ বাবে ১২ লক্ষাধিক প্ৰাৰ্থী যোৱা ২১ আৰু ২৭ আগষ্টত অনুষ্ঠিত বাছনি পৰীক্ষাত অৱতীৰ্ণ হয়। এই বৃহৎসংখ্যক পদত বক্ৰ পথেৰে নিযুক্তি দিয়াৰ আশ্বাসেৰে জিলাই জিলাই পিয়াপি দিছে দালাল তথা মধ্যভোগী চক্ৰ। আৰক্ষীয়ে দুষ্কাৰ্যত জড়িতক পিঠি ফালি দিয়াৰ সকীয়নি দিছে যদিও তাৰ মাজতে আজি ভিক্টৰ দাস নামৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ অনলাইন প্ৰশিক্ষণৰ লগত জড়িত এজন লোকে অসম আৰক্ষীৰ বিশেষ সঞ্চালক প্ৰধান জি পি সিঙক প্ৰত্যক্ষভাৱে অৱগত কৰে যে নিযুক্তি প্ৰক্ৰিয়াটোৰ লগত বৃহৎ লবী জড়িত হৈ আছে। এই লবীটোৱে বক্ৰপথেৰে নিযুক্তি দিয়াৰ প্ৰতিশ্ৰুতিৰে বহু প্ৰাৰ্থীৰ পৰা ধন সংগ্ৰহ কৰিছে। পদ অনুসৰি আঠ লাখ টকালৈকে ধন দাবী কৰা হৈছে। লক্ষ্যণীয়ভাৱে এই কাৰ্যত প্ৰাক্তন বিধায়কো জড়িত বুলি দাসে অভিযোগ কৰে। আনুষ্ঠানিক এনে অভিযোগৰ ১০ পৃষ্ঠাত চাওক



৯৬ সংখ্যক জন্মদিৱসত সুধাকণ্ঠ ড° ভূপেন হাজৰিকালৈ শ্ৰদ্ধাঞ্জলি আছুৰ, মহানগৰীত বৃহস্পতিবাৰে।

■ বিদ্যালয় বিলুপ্তকৰণৰ পাছত এইবাৰ বিভাগত হাত ■ জাননী জাৰি ৰাজ্য চৰকাৰৰ ■ পুনৰ গঠন হ'ব সঞ্চালকালয়-সংস্থাসমূহো

# প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা বিভাগ বিলুপ্ত কৰি হ'ব বিদ্যালয় শিক্ষা বিভাগ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৮ ছেপ্টেম্বৰ ঃ** বিলুপ্ত হ'ব প্ৰাথমিক শিক্ষা বিভাগ আৰু মাধ্যমিক শিক্ষা বিভাগ। এই দুয়োটা বিভাগক একত্ৰিত কৰি গঠন কৰা হ'ব বিদ্যালয় শিক্ষা বিভাগ (ডিপাৰ্টমেণ্ট অৱ স্কুল এডুকেছন)। অসম চৰকাৰৰ প্ৰশাসনিক সংস্কাৰ বিভাগৰ আয়ুক্ত-সচিব শান্তনু গোটমাৰেই এই সন্দৰ্ভত জাননী জাৰি কৰিছে। এই জাননীত উল্লেখ কৰা হৈছে যে দুয়োটা বিভাগক একত্ৰিত কৰাৰ ফলত ইয়াত কৰ্মৰত হৈ থকা বিষয়াসহ সকলো কৰ্মচাৰী বিদ্যালয় শিক্ষা বিভাগৰ আওতালৈ আহিব। প্ৰাথমিক শিক্ষা বিভাগ আৰু মাধ্যমিক শিক্ষা বিভাগৰ লগত থকা সকলো যোগাযোগ তথা সম্পৰ্কও বিদ্যালয় শিক্ষা অভিযানৰ লগতহে হ'ব। একেদৰে প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা বিভাগৰ বৰ্তমানৰ সকলো সঞ্চালকালয় আৰু সংস্থাবোৰো নতুনকৈ গঠন হ'বলগীয়া বিভাগটোৰ অধীনলৈ আহিব বুলি জাননীখনত উল্লেখ কৰা হৈছে। এই জাননী শীঘ্ৰে কাৰ্যকৰী হ'ব বুলিও জাননীখনত ১০ পৃষ্ঠাত চাওক

## খাদ্যত স্বাধীনতা

**দেশ-কাল-সমাজ**

ড° দীনেশ বৈশ্য



**গ্ল'বেলাইজেছন,** গোলকীকৰণ বা বিশ্বায়ন বুলি কোৱা প্ৰক্ৰিয়া এটাই আমাৰ জীৱন আৰু সমাজত এক অভূতপূৰ্ব প্ৰভাৱ পেলাইছে সেই কথা ইতিমধ্যে বহুতে জানিছে, অনুভৱো কৰিছে; কিন্তু এই প্ৰভাৱ কিমান গভীৰলৈ গৈছে আৰু কি দিশে গতি কৰিছে সেই সম্পৰ্কে আমি বহুতে জানিবলৈ বৰ বেছি সুবিধা পোৱা নাই। জকাইচুকৰ লাইব্ৰেৰীত যদি ইন্টাৰনেটৰ সুবিধা আছে, তেনেহ'লে ১০ পৃষ্ঠাত চাওক

চিকিৎসকৰ গভীৰ উদ্বেগ প্ৰকাশৰ পাছতে উপস্থিত যুৱৰাজসহ নিকটাত্মীয়

# ৯৬ বছৰত শেষ নিশ্বাস ৰাণী দ্বিতীয় এলিজাবেথৰ



**■ নিউজ ব্যুৰ'**

**লণ্ডন, ৮ ছেপ্টেম্বৰ ঃ** ৯৬ বছৰ বয়সত আজি শেষ নিশ্বাস ত্যাগ কৰিলে ব্ৰিটেইনৰ ৰাণী দ্বিতীয় এলিজাবেথে। দীৰ্ঘদিনীয়া অসুস্থতাৰ পাছত আজি পুৱাৰে পৰা তেওঁৰ চিকিৎসকসকলে ৰাণীৰ স্বাস্থ্যক লৈ গভীৰ ১০ পৃষ্ঠাত চাওক

■ পুথিভঁৰাল ডিজিটেলাইজেচনৰ নামত বৃহৎ বিত্তীয় কেলেংকাৰি ■ স্বয়ং মহাগাণনিকৰ পৰীক্ষাত পোহৰলৈ আহিছে ভয়ংকৰ তথ্য ■ ২০১৬ৰ পৰা চলিত বৰ্ষৰ এপ্ৰিললৈ দুৰ্নীতি

# ছেল্ফ চেকেৰে উলিয়াই নিলে ৬০ লাখ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৮ ছেপ্টেম্বৰ ঃ** যি সময়ত ৰাজ্যৰ বৌদ্ধিক সমাজে ৰাজহুৱা খণ্ডৰ পুথিভঁৰালসমূহৰ জৰিয়তে কিতাপ পঢ়াৰ এক আন্দোলন গঢ়ি তুলিবলৈ আহ্বান জনাই আহিছে, সেই সময়তে ৰাজ্যৰ গৰিষ্ঠ সংখ্যক ৰাজহুৱা খণ্ডৰ পুথিভঁৰালে মৃত্যুৰ ক্ষণ গণিছে। উল্লেখ্য যে এসময়ত জ্ঞান আৰু শিক্ষা বিস্তাৰত অতুলনীয় বৰঙণি আগবঢ়াই অহা পুথিভঁৰালসমূহে সময়ৰ কোবাল গতিত নিজৰ স্বকীয়তা তথা বিশেষকৈ ৰাজহুৱা খণ্ডৰ পুথিভঁৰালসমূহে পূৰ্বৰ জনপ্ৰিয়তা হেৰুৱাই পেলাইছে। তাৰ মাজতে গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ প্ৰতিখন জিলাতে নিস্তেজ হৈ থকা পুথিভঁৰালসমূহ পুনৰুজ্জীৱিত তথা গতিময় কৰি তোলাৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে বৃহৎ পৰিমাণৰ পুঁজি মোকলাই দিছিল যদিও ৰাজ্যত এই পুঁজিৰ বৃহৎ কেলেংকাৰি সংঘটিত হোৱাৰ তথ্য মহাগাণনিকৰ পৰীক্ষাত পোহৰলৈ আহিছে। উল্লেখ্য যে ২০১৬ৰ ১৪ ডিচেম্বৰৰ পৰা চলিত বৰ্ষৰ পহিলা এপ্ৰিললৈ মহানগৰীৰ দীঘলীপুখুৰীস্থিত পুথিভঁৰাল সেৱা সঞ্চালকালয়ত ৬০ লাখ ৫৪ হেজাৰ টকাৰ বৃহৎ বিত্তীয় কেলেংকাৰি ১০ পৃষ্ঠাত চাওক

# মুঠ ১৪০খন 'কা' বিৰোধী আবেদনক লৈ হ'ব শুনানি

১২ ছেপ্টেম্বৰত 'কা'ৰ সাংবিধানিক বৈধতা বিচাৰ কৰিব ন্যায়ালয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৮ ছেপ্টেম্বৰ ঃ** সংশোধিত নাগৰিকত্ব আইন ('কা')ৰ সাংবিধানিক বৈধতা বিচাৰ কৰিবলৈ অহা ১২ ছেপ্টেম্বৰত শুনানি গ্ৰহণ কৰিব দেশৰ উচ্চতম ন্যায়ালয়ে। সদৌ অসম ছাত্ৰ সন্থা, নেছ'কে ধৰি দেশৰ মুঠতে ১৪০টাকৈ সংগঠনে বিতৰ্কিত আইনখন বাতিল কৰিবলৈ জনোৱা আবেদনৰ ওপৰত শুনানি গ্ৰহণ কৰিব উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ১০ পৃষ্ঠাত চাওক

■ কন্যাকুমাৰীৰ পৰা আৰম্ভ হোৱা 'ভাৰত জোড়ো যাত্ৰা' ১৪ খন ৰাজ্য গৰকি উপস্থিত হ'ব কাশ্মীৰত ■ যাত্ৰাকালত বিভিন্নজনৰে মত বিনিময়

# ঘৃণা আৰু বিভাজনৰ বাবে মই মোৰ দেশক হেৰুৱাব নিবিচাৰো ঃ ৰাহুল

**■ নিউজ ব্যুৰ'**

**তিৰুৱনন্তপুৰম, ৮ ছেপ্টেম্বৰ ঃ** ৰাহুল গান্ধীৰ নেতৃত্বত আজিৰে পৰা আৰম্ভ হ'ল কংগ্ৰেছৰ বৃহৎ সমদল 'ভাৰত জোড়ো যাত্ৰা'। তামিলনাডুৰ কন্যাকুমাৰীৰ পৰা আজি বহুচৰ্চিত যাত্ৰাৰ আৰম্ভণিত ৰাহুলৰ উপৰি অন্যান্য জ্যেষ্ঠ নেতাসকল উপস্থিত থাকে। ২০২৪ৰ সাধাৰণ নিৰ্বাচনৰ পূৰ্বে সমৰ্থন বিচাৰি কংগ্ৰেছৰ এই যাত্ৰা আৰম্ভ হোৱাৰ পূৰ্বে ১১৮ জন ভাৰত যাত্ৰী থকা শিবিৰত ৰাহুলে জাতীয় পতাকা ১০ পৃষ্ঠাত চাওক



■ 'সেনা'ৰ বুলি লিখা দুখনকৈ বিলাসী বাহনত সৰবৰাহ কৰিছিল বহু কাছ-বান্দৰ-হলৌ বান্দৰ-বিদেশী চৰাই ■ ভুৱা পৰিচয়পত্ৰ প্ৰদৰ্শন ■ জালত পৰিল ৰঙিয়া আৰক্ষীৰ

# কেংগাৰু-চিম্পাঞ্জীসহ দুষ্প্ৰাপ্য বন্যপ্ৰাণী জব্দ







**অগ্ৰদূত বাৰ্তা**

**ৰঙিয়া, ৮ ছেপ্টেম্বৰ ঃ** অষ্ট্ৰেলিয়াত বাস কৰা কেংগাৰুসহ বিভিন্ন দুষ্প্ৰাপ্য বন্যপ্ৰাণীৰ চোৰাং সৰবৰাহ অসমত অব্যাহত থকাৰ এক ভয়ানক তথ্য পোহৰলৈ আহিছে। ৰঙিয়া আৰক্ষীয়ে এক গোপন সূত্ৰৰ পম খেদি আজি পুৱা ৰঙিয়া ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা বৃহৎ সংখ্যক দুষ্প্ৰাপ্য প্ৰজাতিৰ বন্যপ্ৰাণী সৰবৰাহকাৰীৰ কবলৰ পৰা জব্দ কৰিবলৈ সক্ষম হয়। ৰঙিয়া আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভাস্কৰ মল্ল পাটোৱাৰীয়ে জনোৱা মতে, এক গোপন সূত্ৰৰ ভিত্তিত আৰক্ষীয়ে আজি পুৱতি নিশা ৰঙিয়া ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ উৰণীয়া সেতুৰ ওপৰত দুখন বিলাসী গাড়ী ৰখায় যদিও গাড়ী দুখনত 'আৰ্মি' বুলি লিখা থকাত ভাৰপ্ৰাপ্ত বিষয়াজন বিবুধিত পৰে। অৱশ্যে আৰক্ষী বিষয়াজনে বিলাসী বাহন দুখন তালাচী চলাবলৈ লওঁতে গাড়ীত থকা বন্যপ্ৰাণী সৰবৰাহকাৰী এজনে সেনা ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৩° | ২৫° |
| ডিব্ৰুগড় | ৩০° | ২৪° |
| দিল্লী | ৩৭° | ২৮° |
| কলকাতা | ৩৪° | ২৮° |
| মুম্বাই | ৩১° | ২৬° |
| চেন্নাই | ২৯° | ২৭° |
| বাংগালুৰু | ২৪° | ১৯° |
| শ্বিলং | ২৪° | ১৯° |

*৮ ছেপ্টেম্বৰ, ২০২২*

## চেঙা তেল



*মই ৰৌ, আপুনি বৰালী! গতিকে আমাৰ চিন্তা নাই, পুঠি-খলিহনাবিলাক ধৰা পৰিবই!*

■ অল কায়দাৰ কাৰ্যালয় চলিছিল বুলি উত্থাপন কৰা অভিযোগৰ প্ৰমাণ দিব নোৱাৰিলে ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব এআইইউডিএফ

# ভাঙি দিয়া মাদ্ৰাছা ছমাহৰ ভিতৰত নতুনকৈ নিৰ্মাণ কৰিব আজমলে

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৮ ছেপ্টেম্বৰ ঃ** 'সকলোৰে এটা সীমা থাকে। মাদ্ৰাছাকেইখন কিয় ভাঙি দিলে তাৰ কাৰণ ৰাজহুৱা কৰক চৰকাৰে। ভাঙি দিয়া মাদ্ৰাছাকেইখন পুনৰ নিৰ্মাণ কৰি নিদিলে ছমাহ পাছত আমি নিজেই মাদ্ৰাছাকেইখন বনাই ল'ম।' জেহাদীৰ তৎপৰতাৰ অভিযোগত অসম আৰক্ষীয়ে ৰাজ্যৰ ভিন্ন স্থানত কে'বাখনো মাদ্ৰাছা ভাঙি দিয়াৰ প্ৰসংগত আজি এনেদৰে ৰাজ্য চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ উঠিছে এআইইউডিএফৰ মুৰব্বী বদৰুদ্দিন আজমল। আজি ১০ পৃষ্ঠাত চাওক



# লক্ষ্য আগন্তুক পঞ্চায়ত নিৰ্বাচন ঃ কৌশল সলনি অগপৰ

সময়ৰ লগত খোজ মিলাই দল আগবাঢ়ি যাব ঃ সভাপতি বৰাৰ দাবী

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৮ ছেপ্টেম্বৰ ঃ** আগন্তুক পঞ্চায়ত আৰু লোকসভা নিৰ্বাচনক লক্ষ্য কৰি দল পৰিচালনাৰ নীতিৰ ব্যাপক পৰিৱৰ্তনৰ দিশে আগবাঢ়িছে অসম গণ পৰিষদে। মিত্ৰদল বিজেপিৰ দৰেই শীঘ্ৰে দলৰ সাংগঠনিক ব্যৱস্থাপনা ডিজিটেল মাধ্যমৰ জৰিয়তে পৰিচালনা কৰিবলৈ সাজু হৈছে অগপ। উল্লেখ্য যে দলৰ কৰ্মীসকলৰ ১০ পৃষ্ঠাত চাওক

সুভাষ চন্দ্ৰ বসুৰ বৃহৎ প্ৰতিমূৰ্তিও উন্মোচন

# ৰাজপথৰ ঠাইত কৰ্তব্য পথ মুকলি প্ৰধানমন্ত্ৰীৰ



**■ নিউজ ব্যুৰ'**

**নতুন দিল্লী, ৮ ছেপ্টেম্বৰ ঃ** স্বাধীনতাৰ 'অমৃত কাল'ৰ লগত সংগতি ৰাখি ঔপনিৱেশিক শাসনৰ প্ৰচ্ছায়াৰ অন্ত পেলোৱাৰ উদ্দেশ্যে দিল্লীৰ বিখ্যাত 'ৰাজপথ'ক পুনৰ নিৰ্মাণৰে 'কৰ্তব্য পথ' নাম দি আজি উদ্বোধন কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। ৰাষ্ট্ৰপতি ভৱনৰ পৰা ইণ্ডিয়া গেটলৈ বিয়পি থকা এই পথছোৱাৰ লগতে নেতাজী সুভাষ চন্দ্ৰ বসুৰ গ্ৰেণাইটেৰে সাজি উলিওৱা ২৮ ফুট ওখ এটা প্ৰতিমূৰ্তিও আঠ পৃষ্ঠাত চাওক

# ৰাজ্য চৰকাৰে স্থাপন কৰিব গৱেষণা ফাউণ্ডেছন

গুৱাহাটীত ৰাষ্ট্ৰীয় শিক্ষা নীতি ৰূপায়ণৰ সন্মিলন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৮ ছেপ্টেম্বৰ ঃ** 'ৰাষ্ট্ৰীয় শিক্ষানীতি (এনইপি) ২০২০ ক্ষিপ্ৰতাৰে আৰু নিৰ্ধাৰিত সময়ত ৰূপায়ণ কৰিবলৈ অসম চৰকাৰে কৰ্মসূচী যুগুত কৰিছে। এনইপি ২০২০ হ'ল দেশৰ শিক্ষা আৰু শিক্ষাখণ্ডৰ প্ৰতি চৰকাৰী সদিচ্ছাৰ শ্বেতপত্ৰস্বৰূপ।' আজি গুৱাহাটীৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয় প্ৰেক্ষাগৃহত উচ্চ শিক্ষাৰ ক্ষেত্ৰত আঠ পৃষ্ঠাত চাওক

এখন বেনাৰ আৰু তিনিজন মানুহক লৈ এটা ৰাজনৈতিক দল গঠন! অগপ সভাপতিৰ কটাক্ষ

# বিশ্ব অভিলেখ ভংগ কৰিলে অজিত ভূঞাই

**খুমটাই, ৮ ছেপ্টেম্বৰ ঃ** সাংসদ অজিত কুমাৰ ভূঞাই এখন বেনাৰ আৰু তিনিজন মানুহক লৈ এটা ৰাজনৈতিক দল গঠনেৰে বিশ্ব অভিলেখ ভংগ কৰিছে। এই কটাক্ষ ৰাজ্যৰ কৃষিমন্ত্ৰী তথা অগপৰ সভাপতি অতুল বৰাৰ। আজি মহুৰামুখত এক কাৰ্যসূচীত অংশগ্ৰহণ কৰি সংবাদ মাধ্যমৰ আগত মন্ত্ৰী বৰাই কয় যে অসম গণ পৰিষদ তেওঁ (অজিত ভূঞা)ৰ নিচিনাকৈ তিনি-চাৰিজন মানুহক লৈ হোৱা নাই, অসম গণ পৰিষদৰ জন্মলগ্নৰ এক ইতিহাস আছে। অসমৰ মানুহৰ তেজ আৰু ত্যাগ আছে। ৰাজ্যখনৰ প্ৰান্তে প্ৰান্তে ইয়াৰ সেনানী আছে। ইয়াৰ বিপৰীতে অজিত ভূঞা কংগ্ৰেছ আৰু এআইইউডিএফৰ পৃষ্ঠপোষকতাত সৃষ্টি হোৱা মানুহ বুলিও সমালোচনা কৰে মন্ত্ৰী বৰাই। অগপৰ সভাপতি তথা মন্ত্ৰী বৰাই কয়, 'মই সংবাদ মাধ্যমৰ যোগেদি তেওঁ কোৱা কথাবোৰ শুনিছো। তেওঁ সংবাদ মাধ্যমৰ লগত পূৰ্বতে জড়িত আছিল আৰু বৰ্তমান এজন সন্মানীয় সাংসদ। এজন সাংসদ হিচাপে তেওঁৰ মুখত এইবোৰ কথাই শোভা নাপায়। সাংসদৰূপে ১০ পৃষ্ঠাত চাওক

চিকিৎসা প্ৰদানৰ কৌশলত সন্দেহ ওপজাত ৰোগীৰ অভিভাৱকে কৰিলে কৰায়ত্ত ঃ জব্দ জিএমচিএইছৰ ভুৱা পৰিচয় পত্ৰ

# জিএমচিএইছত চিকিৎসা প্ৰদান কৰি থকা অৱস্থাতে ধৃত ভুৱা চিকিৎসক





**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৮ ছেপ্টেম্বৰ ঃ** উত্তৰ-পূবৰ ৰাজহুৱা চিকিৎসা খণ্ডৰ হৃদপিণ্ডস্বৰূপ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ হাস্পতালত এজন ৰোগীক চিকিৎসা প্ৰদান কৰি থকা অৱস্থাত এজন ভুৱা চিকিৎসকক ৰোগীৰ অভিভাৱকে আজি কৰায়ত্ত কৰে। ধৃত ভুৱা চিকিৎসকজন ১০ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী, ৯ ছেপ্টেম্বৰ, ২০২২ শুকুৰবাৰ পৃষ্ঠা তিনি

# তামুলপুৰৰ ভাৰত-ভূটান সীমান্তত অব্যাহত হাতী-মানুহৰ সংঘাত

**বনৰীয়া হাতীৰ আক্ৰমণত এজনৰ মৃত্যু**

অগ্ৰদূত বাৰ্তা
**তামুলপুৰ, ৮ ছেপ্টেম্বৰ ঃ** তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তত অব্যাহত আছে হাতী-মানুহৰ সংঘাত। অবাধ বনধ্বংসৰ ফলত ক্ৰমাৎ বৃদ্ধি পোৱা হাতী-মানুহৰ সংঘাতৰ পৰিণতিত আজি পুনৰ এজন লোক মৃত্যুমুখত *ছয় পৃষ্ঠাত চাওক*

## আছু, যুৱ-ছাত্ৰ পৰিষদকে ধৰি অৰ্ধশতাধিক দলে বিচাৰিলে ৰেলৱে ক্ৰছিং

# একেখন মঞ্চতে বিজেপি-কংগ্ৰেছ-অগপ

অগ্ৰদূত বাৰ্তা
**ঘগ্ৰাপাৰ, ৮ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰত স্বাধীনতাৰ ৭৬ বছৰত ভৰি দিয়াৰ পাছতো ঘগ্ৰাপাৰত ৰেলৱে লেভেল ক্ৰছিং স্থাপন নোহোৱাত জাঙুৰ খাই উঠিছে বৃহত্তৰ অঞ্চলটোৰ দল-সংগঠন তথা অনুষ্ঠান-প্ৰতিষ্ঠানৰ মুৰব্বীসকল। উক্ত সমস্যাৰ সমাধানৰ উপায় বিচাৰি আজি ঘগ্ৰাপাৰৰ একে মঞ্চতে বহিল বিজেপি, কংগ্ৰেছ, অগপ, আছু, যুৱ-ছাত্ৰ পৰিষদ, চিপিআইএম, ঘগ্ৰাপাৰ ক্ৰীড়া সন্থা, অজাপকে ধৰি অঞ্চলটোৰ অনুষ্ঠান-প্ৰতিষ্ঠানসহ অৰ্ধশতাধিক দল-সংগঠনৰ মুৰব্বী। উল্লেখ্য যে বিগত বছৰসমূহত আটাইবোৰ দলৰ ৰাজনৈতিক নেতা, জনপ্ৰতিনিধিয়ে ঘগ্ৰাপাৰক দুভাগ কৰি উত্তৰ-পূব সীমান্ত ৰেলৱেৰ ৰেলপথ (পদপথ লেভেল ক্ৰছিং স্থাপন আগভাগ ল'ব বুলি প্ৰতিশ্ৰুতি দিছিল) কিন্তু আজি পৰ্যন্ত সেয়া সম্ভৱ হৈ নুঠিল। শেহতীয়াভাৱে অঞ্চলটোৰ ৰাইজক অন্য এক বিপদে দেখা দিছে। তথ্য মতে, ঘগ্ৰাপাৰৰ সোঁমাজত থকা ৰেলপথৰ উত্তৰ আৰু দক্ষিণ সংযোজিত যাতায়াত কৰা পথছোৱা কিছুদিন পূৰ্বে ৰেলৱে সম্পূৰ্ণ বন্ধ কৰি দিয়ে। যাৰ পৰিপ্ৰেক্ষিতত বৃহত্তৰ ঘগ্ৰাপাৰ অঞ্চলটোৰ কণ কণ ছাত্ৰ-ছাত্ৰীকে হেজাৰ হেজাৰ পথচাৰী যাতায়াতৰ ক্ষেত্ৰত ভীষণ সমস্যাত পৰি আহিছে। এই উদ্দেশ্য আজি ঘগ্ৰাপাৰ হৰিমন্দিৰ প্ৰাংগণত দক্ষিণ ঘগ্ৰাপাৰ বজাৰ উন্নয়ন সমিতিৰ উদ্যোগত এখন নাগৰিক সভা অনুষ্ঠিত হয়। সমাজকৰ্মী তথা অগপ নেতা থানেশ্বৰ লহকৰে সভাপতিত্ব কৰা সভাখনত আছু, বিজেপি, কংগ্ৰেছ, অগপ, যুৱ-ছাত্ৰ পৰিষদ, চিপিআইএম, *ছয় পৃষ্ঠাত চাওক*



*ডিমৰীয়াত অসম প্ৰদুষণ নিয়ন্ত্ৰণ ব'ৰ্ডৰ ষড়যন্ত্ৰৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী দিছপুৰ বিধায়ক অতুল বৰাৰ।*

**উত্তৰ গুৱাহাটী লেঙা ফুলং চাপৰিৰ বেদখলকাৰীক মাটি খালী কৰাৰ নিৰ্দেশ, ভৰি পৰিছে সন্দেহজনক নাগৰিক**

## মুখ্যমন্ত্ৰীৰ সমষ্টিৰ ভূমি বেদখল উচ্ছেদৰ জাননী



অগ্ৰদূত বাৰ্তা
**উত্তৰ গুৱাহাটী, ৮ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ গৃহ সমষ্টিৰ চৰকাৰী ভূমি বেদখলকাৰীৰ বিৰুদ্ধে এইবাৰ জাননী জাৰি কৰিছে উত্তৰ গুৱাহাটী ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ে। উত্তৰ গুৱাহাটী ৰাজহ চক্ৰ বিষয়া ৰশ্মি প্ৰতাপৰ ছীল-মোহৰ সম্বলিত এখন জাননীয়ে উত্তৰ গুৱাহাটী লেঙাত জমিদাৰসকলৰ থৰ-কাছুটি হেৰুৱাইছে। যোৱা সাত ছেপ্টেম্বৰত স্বাক্ষৰিত জাননীখনত বৰ বংশৰ মৌজাৰ উত্তৰ ফুলুং আৰু দক্ষিণ লেঙাৰ চাপৰিৰ চৰকাৰী আৰু ৰিজাৰ্ভ ভূমি বেদখলকাৰীসকলক সকীয়নি দি কোৱা হৈছে যে জাননীত প্ৰকাশিত চাপৰি অঞ্চলৰ চৰকাৰী ভূমিত খেতি- বাতি কৰি বেদখল কৰি থকাসকলে ১৫ ছেপ্টেম্বৰৰ পূৰ্বে তেওঁলোকে ভূমিৰ বেদখল এৰিব লাগে। উল্লেখ্য যে ৰাজ্যৰ এচাম বদনৰূপী *ছয় পৃষ্ঠাত চাওক*

**পৃথক ৰাজ্য দুৱাৰাঞ্চল প্ৰদেশ গঠনৰ দাবী ডিজেপিৰ**

## পশ্চিমবংগৰ তিস্তা নদীৰ পৰা অসমৰ শদিয়ালৈ প্ৰস্তাৱিত দুৱাৰাঞ্চল প্ৰদেশৰ চাৰিসীমা

অগ্ৰদূত বাৰ্তা
**কোকৰাঝাৰ, ৮ ছেপ্টেম্বৰ ঃ** অসম আৰু পশ্চিমবংগৰ বিভিন্ন অঞ্চল সাঙুৰি এখন নতুন পৃথক ৰাজ্য গঠনৰ দাবী উত্থাপন কৰিছে ডিজেপি নামৰ নৱগঠিত সংগঠন এটাই। পূব দিশত অসমৰ শদিয়াৰ পৰা পশ্চিমে পশ্চিমবংগৰ তিস্তা নদীলৈ বিস্তৃত হৈ থকা ১৮ টা দুৱাৰ অঞ্চলক সাঙুৰি দুৱাৰাঞ্চল প্ৰদেশ নামৰ এখন নতুন পৃথক ৰাজ্য গঠনৰ দাবী উত্থাপন হৈছে। কোকৰাঝাৰ জিলাৰ গোসাইগাঁও ৰাইমোনাত শেহতীয়াকৈ গঠন হোৱা দুৱাৰাঞ্চল জন পৰিসংঘম চমুকৈ ডিজেপি নামৰ সংগঠনটোৱে এই দাবী উত্থাপন কৰিছে। আজি কোকৰাঝাৰ প্ৰেছ ক্লাবত অনুষ্ঠিত এক সংবাদমেলত

## মুৰফুলনীত বাঘৰ আক্ৰমণত আহত এজন

অগ্ৰদূত বাৰ্তা
**নুমলীগড়, ৮ ছেপ্টেম্ফৰ ঃ** গোলাঘাট বন সংমণ্ডলৰ অন্তৰ্গত মুৰফুলনী খণ্ড বন কাৰ্যালয়ৰ অধীনস্থ অন্তৰ্গত অঞ্চলত নিবাসী গগন শইকীয়া নামৰ লোকজনক আজি দিন-দুপৰতে ঘৰলৈ আহি থকা অৱস্থাত পথৰ ওপৰতে বাঘে আক্ৰমণ চলোৱাত আহত হয়। ৬০ৰ উৰ্ধৰ লোকজন বগীজানৰ পৰা নিজা বাসগৃহ অভিমুখে এখন স্কুটীৰে আহি থকা অৱস্থাত থুৰামুখ - বগীজান সংযোগী পথৰ বিজুলী বনাঞ্চলৰ মাজ অংশতেই পথৰ দাঁতিৰ হাবীৰ পৰা ওলাই আহে এটা বাঘ। ইয়াৰ *ছয় পৃষ্ঠাত চাওক*

**বিদ্যুৎস্পৃষ্ট হৈ আঘাতপ্ৰাপ্ত হোৱাৰ সন্দেহ**

## ডিগবৈত আঘাতপ্ৰাপ্ত অৱস্থাত উদ্ধাৰ এটা দুষ্প্ৰাপ্য লাজুকী বান্দৰ



**ডিগবৈ, ৮ ছেপ্টেম্বৰ ঃ** তিনিচুকীয়া জিলা ডিগবৈ বন সংমণ্ডলৰ অন্তৰ্গত ডিগবৈ বন প্ৰাধিকাৰীৰ কাৰ্যালয়ৰ সমীপৰ এঅ'ডি ব্লক মেদাম মে ফিল্ডৰ কাষত যোৱা নিশা এটা দুষ্প্ৰাপ্য লাজুকী বান্দৰ আঘাতপ্ৰাপ্ত অৱস্থাত উদ্ধাৰ কৰে। এঅ'ডি ব্লকৰ নিবাসী ঠাকুৰীয়া উপাধি এজন লোকৰ ঘৰৰ কাষতে দুষ্প্ৰাপ্য লাজুকী বান্দৰটো পৰি থকাৰ অৱস্থাত স্থানীয় লোকে প্ৰত্যক্ষ কৰে। ততাতৈয়াকৈ স্থানীয় লোকে ডিগবৈৰ প্ৰকৃতিপ্ৰেমী যুৱক ফাৰুক আলীক খবৰ দিয়াত ঘটনাস্থলীত উপস্থিত হৈ লাজুকী বান্দৰটো উদ্ধাৰ কৰি বন বিভাগৰ সহযোগত চিকিৎসা প্ৰদান কৰি থকা হৈছে যদিও দুষ্প্ৰাপ্য লাজুকী বান্দৰটোৰ অৱস্থা সংকটজনক। স্থানীয় লোকে সন্দেহ কৰা অনুসৰি, উদ্ধাৰ হোৱা *ছয় পৃষ্ঠাত চাওক*

**পতি-পত্নীসহ তিনিজনক আটক কৰি জেললৈ প্ৰেৰণ**

## কচুৱাত নকল নোট বনোৱা যন্ত্ৰ জব্দ

অগ্ৰদূত বাৰ্তা
**কচুৱা/পুৰণিগুদাম, ৮ ছেপ্টেম্বৰ ঃ** কচুৱাত যোৱা নিশা আৰক্ষী অভিযানত নকল টকা বনোৱা এটা যন্ত্ৰ জব্দ কৰাৰ লগতে এগৰাকী মহিলাসহ তিনিজনক আটক কৰিবলৈ সক্ষম হয়। ধৃত ভেনলাল ৰাওটা আৰু জৰাম ছাহানী মিজোৰামৰ আইজলৰ বাসিন্দ। দুয়ো পতি-পত্নী আৰু আনজন কচুৱা আৰক্ষী থানাৰ অন্তৰ্গত হাতীখুটীৰ জালাল উদ্দিন বুলি আৰক্ষীয়ে জনাইছে। এক গোপন সূত্ৰে যোৱা কচুৱা আৰক্ষী আৰু গাঁওৰক্ষী বাহিনীৰ যুটীয়া অভিযান চলায় জালাল উদ্দিনৰ ঘৰত। আৰক্ষীৰ উপস্থিতিৰ বিষয়ে জানিব পাৰি এই নকল নোট ব্যৱসায়ৰ লগত জড়িত থকা জালাল উদ্দিনৰ স্থানীয় আন দুজন সংগীয়ে আন্ধাৰ আৰু বাৰিষা পথাৰৰ বোকা-পানীৰ সুযোগ লৈ পলাই সাৰিবলৈ সক্ষম হয় যদিও বাকী তিনিজন *ছয় পৃষ্ঠাত চাওক*

## বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীক মধুপুৰ সত্ৰ সমিতিৰ বিপুল আদৰণি

**দৰ্শনৰ বাবে 'বৃন্দাবনী বস্ত্ৰ' অসমলৈ অনাৰ প্ৰশংসনীয় পদক্ষেপ**

অগ্ৰদূত বাৰ্তা
**হাউলী, ৮ ছেপ্টেম্বৰ ঃ** যোৱা পাঁচ ছেপ্টেম্বৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৰমৰ্শ অনুসৰি, ৰাইজৰ দৰ্শনৰ বাবে বৃন্দাবনী বস্ত্ৰখন অসমলৈ অনাৰ বাবে ইংলণ্ডৰ ব্ৰিটিছ সংগ্ৰহালয় কৰ্তৃপক্ষৰ স'তে অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে এক গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। আলোচনাত অধ্যক্ষজনে দিয়া প্ৰস্তাৱটো গুৰুত্ব সহকাৰে আৰু এক ইতিবাচক দৃষ্টিভংগীৰে বিবেচনা কৰাৰ বাবে সংগ্ৰহালয় কৰ্তৃপক্ষই আশ্বাস প্ৰদান কৰে। এই বিষয়টো কৰ্তৃপক্ষ পৰিচালনা সমিতিৰ সভাত আলোচনা কৰা হ'ব বুলি সংগ্ৰহালয়ৰ বিষয়াসকলে জানিবলৈ দিয়ে। কমনৱেলথ পাৰ্লামেন্টাৰি এছ'চিয়েছনৰ প্ৰধানসচিব ষ্টিফেন টুইগৰ উপস্থিতিত হোৱা এই *ছয় পৃষ্ঠাত চাওক*

**বাৰাংহাটী উচ্চ বুনিয়াদী বিদ্যালয়ৰ গৰিমাত কালিমা**

## শিক্ষক দিৱসত শিক্ষাৰ্থীৰ সন্মুখতে শিক্ষক-কৰ্মচাৰীৰ দুৰ্বাদল কাজিয়া

অগ্ৰদূত বাৰ্তা
**বাহাৰঘাট, ৮ ছেপ্টেম্বৰ ঃ** দাৰ্শনিক পণ্ডিত সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিন উপলক্ষে সোমবাৰে সমগ্ৰ দেশতে শিক্ষক দিৱস পালন কৰাৰ সময়তে ৰঙিয়া মহকুমাৰ কঞা ৰাজহ চক্ৰৰ অন্তৰ্গত ঐতিহ্যমণ্ডিত বাৰাংহাটী উচ্চ বুনিয়াদী বিদ্যালয়ৰ শিক্ষক আৰু কৰ্মচাৰীৰ মাজত সৃষ্টি হোৱা দুৰ্বাদল কাজিয়াই অঞ্চলটোত তীব্ৰ জোকাৰণি তুলিছে। উল্লেখ্য যে একপ্ৰকাৰ মৃতপ্ৰায় অৱস্থাৰ পৰা স্থানীয় ৰাইজৰ আৰু বিদ্যালয় কৰ্তৃপক্ষই পুনৰুদ্ধাৰ কৰা বাৰাংহাটী উচ্চ বুনিয়াদী বিদ্যালয়খন সম্প্ৰতি জাকত জিলিকা হৈ উঠাৰ লগতে বিগত তিনিবছৰে অনুষ্ঠিত গুণোৎসৱত এ প্লাছ ৰেংক পাবলৈ সক্ষম হয়। স্মৰ্তব্য যে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ স'তে ফেৰ মাৰি বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশকে ধৰি অন্যান্য সুবিধা প্ৰদান কৰাৰ পাছত পূৰ্বতকৈ শিক্ষাৰ্থীৰ সংখ্যা দুগুণ বৃদ্ধি পোৱাৰ লগতে বিদ্যালয়খনৰ প্ৰধান শিক্ষক নগেন্দ্ৰ নাথ শালৈয়ে যোৱা বৰ্ষত ৰাজ্যিক কৃতী শিক্ষকৰ বঁটা পাবলৈ সক্ষম হৈছিল। তেনে এখন বিদ্যালয়ত পবিত্ৰ শিক্ষক দিৱসৰ দৰে মহান অনুষ্ঠানত শিক্ষক আৰু কৰ্মচাৰীয়ে দৃষ্টিকটূভাৱে মুকলি কাজিয়াত লিপ্ত হৈ বিদ্যালয়খনৰ পৰিমাত কালিমা সানিছে বুলি সচেতন মহলে মন্তব্য কৰিছে। প্ৰাপ্ত তথ্য মতে, শিক্ষক দিৱসৰ অন্যান্য কাৰ্যসূচী সমাপ্ত হোৱাৰ পাছতে বিতৰণৰ কৰা প্ৰসাদত লোণ বেছি দিয়াক লৈ এই কাজিয়াৰ সূত্ৰপাত হয়। অভিযোগ অনুসৰি, বিদ্যালয়ৰ শিক্ষক-শিক্ষাৰ্থী আৰু অভিভাৱকসকলৰ বাবে যোগাৰ কৰা প্ৰসাদত বিদ্যালয়খনৰ চতুৰ্থ শ্ৰেণীৰ *ছয় পৃষ্ঠাত চাওক*

## কৃষিমন্ত্ৰী অতুল বৰাৰ দ্বাৰা 'পোষণ বজাৰ' আৰু পোষণ গাঁও'ৰ উদ্বোধন



**বোকাখাত, ৮ ছেপ্টেম্বৰ ঃ** চলিত পোষণ মাহৰ লগত সংগতি ৰাখি বোকাখাতস্থিত পশ্চিম গোলাঘাট খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয় চৌহদত আয়োজিত 'পোষণ বজাৰ' আৰু 'পোষণ গাঁও'ৰ আনুষ্ঠানিকভাৱে আৰম্ভণি কৰে কৃষি, পশুপালন আৰু পশু চিকিৎসা আদি দপ্তৰৰ মন্ত্ৰী তথা বোকাখাত বিধানসভা সমষ্টিৰ বিধায়ক অতুল বৰাই। মন্ত্ৰী বৰাই নিজৰ ভাষণত আজিৰ অনুষ্ঠানৰ লগত জড়িত সংশ্লিষ্ট সকলো বিভাগক সম্ভাষণ আৰু শুভেচ্ছা জনায়। তেওঁ লগতে উল্লেখ কৰে যে পোষণ বজাৰ আৰু পোষণ গাঁৱৰ জৰিয়তে নিশ্চিতভাৱে সমাজখন উপকৃত হ'ব। স্বাস্থ্য সম্পৰ্কে সজাগতা সৃষ্টি কৰিবলৈ শিক্ষা অনুষ্ঠানসমূহত যোগাসন জনপ্ৰিয় *ছয় পৃষ্ঠাত চাওক*

## লামচাখাঙত ৰেলৰ খুন্দাত বনৰীয়া হাতীৰ মৃত্যু

অগ্ৰদূত বাৰ্তা
**বৈঠালাংছ', ৮ ছেপ্টেম্বৰ ঃ** পাহাৰীয়া জিলা পশ্চিম কাৰ্বি আংলঙত আজি সন্ধিয়া এখন মালবাহী ৰেলৰ খুন্দাত এটা বনৰীয়া হাতীৰ মৃত্যু হয়। প্ৰাপ্ত বাতৰি অনুসৰি, আজি সন্ধিয়া প্ৰায় ৬-৩০ বজাত হাৱাইপুৰ আৰু লামচাখাং ৰেলপথৰ মাজত হাৱাইপুৰ ৰেল ষ্টেচনৰ পৰা তিনি-চাৰি কিলোমিটাৰ দূৰত এখন উজনিমুৱা মালবাহী ৰেলগাড়ীৰ খুন্দাত বনৰীয়া মতা হাতীটোৰ মৃত্যু হয়। *ছয় পৃষ্ঠাত চাওক*

**'কানৈয়ান হিচাপে মই গৌৰৱান্বিত' ঃ বিষ্ণু খাৰঘৰীয়া**

## বিশিষ্ট অভিনেতা বিষ্ণু খাৰঘৰীয়াক কানৈ মহাবিদ্যালয়ৰ হাচান ছৰিফ আহমদ সমন্বয় বঁটা



বিশেষ সংবাদদাতা
**ডিব্ৰুগড় ৮ ছেপ্টেম্বৰ ঃ** 'কানৈয়ান হিচাপে মই গৌৰৱান্বিত। কানৈ মহাবিদ্যালয়ৰ সেউজ পৰিৱেশে মোক আপ্লুত কৰি তুলিছে।' ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা *ছয় পৃষ্ঠাত চাওক*

## নগৰবেৰাত অবৈধ ছেণ্ডগ্ৰেভেল ভৰ্তি তিনিখন ডাম্পাৰ জব্দ



**নগৰবেৰা, ৮ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ নগৰবেৰা নদী সংৰক্ষিত বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত বিভিন্ন প্ৰান্তত চোৰাং কাঠ, শিল-বালিৰ বিৰুদ্ধে বন বিভাগৰ অব্যাহত আছে ধাৰাবাহিক অভিযান। বন বিভাগৰ এনে অভিযান চলি থকাৰ মাজতে কালি বিশেষ খবৰৰ ভিত্তিত অতৰ্কিতে অভিযান চলাই নগৰবেৰা নদী সংৰক্ষিত *ছয় পৃষ্ঠাত চাওক*

## চৰকাৰে ভূমিহীন-পট্টাসহ বিভিন্ন বিসংগতিৰ সমস্যা ঠিক কৰিছে ঃ মন্ত্ৰী মহন

ষ্টাফ ৰিপ'ৰ্টাৰ
**তেজপুৰ, ৮ ছেপ্টেম্বৰ ঃ** বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰে পূৰ্বৰ পাঁচবছৰীয়া কাৰ্যকালত ৰাজ্যখনৰ আঠলাখ ১৬ হেজাৰ লোকৰ ভূমি সম্পৰ্কীয় সমস্যাৰ সমাধান হৈছে। ৰাজ্যৰ ভূমিহীন লোকৰ লগতে পট্টাত নামকে ধৰি বিভিন্ন বিসংগতি থকাসকলৰ সমস্যা সমাধান কৰিছে এই চৰকাৰে। এতিয়া পুনৰ মিছন বসুন্ধৰাৰ জৰিয়তে ৰাজ্যৰ থলুৱা লোকক সকাহ দিয়াৰ পৰিকল্পনা কৰিছে। আজি তেজপুৰত সংবাদ মাধ্যমৰ আগত *ছয় পৃষ্ঠাত চাওক*

**সুধাকণ্ঠৰ ৯৬ সংখ্যক ওপজা দিনত ড° সব্যসাচী মহন্ত**

## অসমীয়া সমাজ সংস্কৃতিৰ শিপাডাল প্ৰতিপালন কৰি বটবৃক্ষত পৰিণত কৰিছিল ভূপেন হাজৰিকাই

বিশেষ সংবাদদাতা
**শিৱসাগৰ, ৮ ছেপ্টেম্বৰ ঃ** শিৱসাগৰৰ দিখৌপৰীয়া সন্মিলিত যুৱ সংঘৰ উদ্যোগত আৰু শিৱসাগৰ প্ৰেছ ক্লাবৰ সহযোগত আজি শিৱসাগৰ নগৰৰ মাজমজিয়াত উদ্‌যাপন কৰা হয় ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ ৯৬ সংখ্যক ওপজা দিন। শিৱসাগৰৰ সামাজিক অনুষ্ঠান দিখৌপৰীয়া সন্মিলিত যুৱ সংঘই ১৯৯০ৰে পৰা শিৱসাগৰ নগৰত জনতাৰ হৃদয়ৰ মহান শিল্পীগৰাকীৰ ওপজা দিন উদ্‌যাপন কৰি আহিছে। আজি পুৱা ৯-৩০ বজাত শিৱসাগৰৰ জয়দয়াল খেমকা মাতৃ সেৱা সদনৰ সন্মুখত থকা ভাৰতৰত্ন ড° হাজৰিকাৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰে শিৱসাগৰ প্ৰেছ ক্লাবৰ সভাপতি ড° সব্যসাচী মহন্ত আৰু দিখৌপৰীয়া সন্মিলিত যুৱ সংঘৰ সভাপতি ৰতন শইকীয়াই। শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি শিৱসাগৰ প্ৰেছ ক্লাবৰ সভাপতি ড° মহন্তই কয়, 'ড° ভূপেন হাজৰিকা অসমৰ সমাজ আৰু সংস্কৃতিক জীৱনৰ এক অবিচ্ছেদ্য অংগ। কৰ্ম আৰু সৃষ্টিৰে তেওঁ অনন্য আৰু অদ্বিতীয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱে অসমীয়া সমাজ আৰু সংস্কৃতিক জীৱনৰ যি শিপা ৰোপণ কৰিলে, সেই শিপাডাল প্ৰতিপালন কৰাৰ ক্ষেত্ৰত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, গীতিকবি পাৰ্বতি প্ৰসাদ বৰুৱাৰ দৰেই ড° হাজৰিকাই অত্যন্ত আন্তৰিকতা আৰু অহোপুৰুষাৰ্থৰে সমাজ আৰু সংস্কৃতিক জীৱনৰ এই শিপাডাল লালন-পালন কৰি এডোপা বটবৃক্ষলৈ ৰূপান্তৰিত কৰিলে।' ড° হাজৰিকাৰ *ছয় পৃষ্ঠাত চাওক*

## গোলাঘাট নগৰৰ বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ৰ পৰা ছাত্ৰ সন্ধানহীন



বিশেষ সংবাদদাতা
**গোলাঘাট, ৮ ছেপ্টেম্বৰ ঃ** গোলাঘাট নগৰৰ মাজমজিয়াৰ ইংৰাজী মাধ্যমৰ আগশাৰীৰ শিক্ষানুষ্ঠান গোলাঘাট বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ৰ পৰা ছাত্ৰ সন্ধানহীন হোৱা ঘটনাই সম্প্ৰতি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিদ্যালয়খনৰ বিজ্ঞান শাখাৰ একাদশ শ্ৰেণীৰ ছাত্ৰ জিছান হক (১৭) ঘৰৰ পৰা বিদ্যালয়লৈ অহাৰ পাছৰ পৰাই সন্ধানহীন হৈ পৰে। পুৱা বিদ্যালয়খনত ছাত্ৰজনক প্ৰত্যক্ষ কৰিছিল বিদ্যালয়খনৰ কৰ্মচাৰীযে। যদিও পাছত বিদ্যালয়ৰ পৰা ছাত্ৰজন ক'ত কেনেদৰে সন্ধানহীন পৰে তাক লৈ ছাত্ৰজনৰ পৰিয়াল, *ছয় পৃষ্ঠাত চাওক*

## গোৱালপাৰাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ আৱক্ষ মূৰ্তি স্থাপন



অগ্ৰদূত বাৰ্তা
**মাটিয়া, ৮ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলাৰ বিভিন্ন ঠাইত আজি ভাৰত ৰত্ন সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ওপজা দিন পালন কৰা হয়। জিলাখনৰ ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ মাকৰিত থকা বাঢ়ৈ নাৰ্ছাৰীতো বিশ্ববৰেণ্য শিল্পীগৰাকীৰ জন্মদিন পালন কৰাৰ লগতে তেওঁৰ এক প্ৰকাণ্ড আৱক্ষ মূৰ্তি উন্মোচন কৰা হয়। বাঢ়ৈঞ নাৰ্ছাৰীৰ স্বত্বাধিকাৰী তথা প্ৰখ্যাত ভাস্কৰ্য শিল্পী শিৱনাথ বাঢ়ৈয়ে নিৰ্মাণ কৰা আৱক্ষ মূৰ্তিটো উন্মোচন কৰে গোৱালপাৰাৰ জিলা কৃষি বিষয়া নয়ন কুমাৰ বৰাই। কাৰ্যসূচীৰ লগত সংগতি ৰাখি বৃক্ষ ৰূপণো কৰা হয়। উল্লেখ্য যে দেশৰ বিভিন্ন ঠাইত ভাস্কৰ্য তৈয়াৰ কৰি সমাদৰ লাভ কৰিবলৈ সক্ষম হোৱা শিল্পী বাঢ়ৈয়ে শেহতীয়াকৈ ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ মাকৰিত বাঢ়ৈ নাৰ্ছাৰী স্থাপন কৰি দেশী-বিদেশী ফলমূলৰ গছ পুলি ৰোপণ কৰাৰ *ছয় পৃষ্ঠাত চাওক*

**মহকুমা আৰক্ষী বিষয়াৰ নেতৃত্বত অভিযানত আঠ জুৱাৰী আটক**

## চাপৰৰ পুঠিমাৰীত নাওখেলৰ নামত বৃহৎ জুৱা

অগ্ৰদূত বাৰ্তা
**চাপৰ, ৮ ছেপ্টেম্বৰ ঃ** নাওখেলৰ গইনা লৈ চাপৰৰ পুঠিমাৰীত অসাধু চক্ৰই বৃহৎ জুৱাৰ আড্ডা বহুওৱা ঘটনাই অঞ্চলজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই ঘটনা সংক্ৰান্তত বিলাসীপাৰাৰ মহকুমা আৰক্ষী বিষয়া বিৰিঞ্চি বৰাই খবৰ লাভ কৰি আজি বিয়লি প্ৰায় তিনি বজাত আৰক্ষীৰ দলসহ অতৰ্কিতে অভিযান চলাই আঠজন জুৱাৰীক হাতে-লোটে আটক কৰাৰ লগতে বৃহৎ পৰিমাণৰ জুৱা খেলৰ সামগ্ৰী আৰু নগদ ধন জব্দ কৰে। উল্লেখ্য যে পুঠিমাৰী আঞ্চলিক যুৱ সংঘৰ উদ্যোগত যোৱা ছয় ছেপ্টেম্বৰৰ পৰা অনুষ্ঠিত হোৱা নাওখেলখনৰ অচিলাৰে সেই স্থানত উদ্যোক্তাৰ প্ৰত্যক্ষ হস্তক্ষেপতে বৃহৎ জুৱাখেল অনুষ্ঠিত কৰা বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰি আহিছিল। সেই জুৱাৰ পৰা আমদানি হোৱা ধনেৰেই নাওখেলৰ প্ৰথম বিজয়ীক ৫০ হেজাৰ, দ্বিতীয় স্থানপ্ৰাপ্তক ৪০ হেজাৰ আৰু তৃতীয় স্থানপ্ৰাপ্তক ২০ হেজাৰ নগদ ধনেৰে পুৰস্কৃত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছিল বুলিও ৰাজহুৱা অভিযোগ উত্থাপন হৈছে। বিগত তিনিদিন ধৰি এইদৰে নাওখেলৰ গইনাৰে অহৰ্নিশে জুৱাখেল পতা কাৰ্যত একাংশ স্থানীয় সচেতন ৰাইজে অতিষ্ঠ হৈ মহকুমা আৰক্ষীক অভিযোগ দিয়ে। এই অভিযোগৰ ভিত্তিতে মহকুমা আৰক্ষী বিষয়া বৰাৰ নেতৃত্বত *ছয় পৃষ্ঠাত চাওক*



## ফে'চবুক লাইভ কৰি আমেৰিকাত হত্যাকাণ্ড কৃষ্ণাংগ যুৱকৰ



**নিউজ ব্যুৰ', মেমফিছ, ৮ ছেপ্টেম্বৰ ঃ** আমেৰিকাত পুনৰ বন্দুকধাৰীয়ে আক্ৰমণ সংঘটিত কৰিলে। এইবাৰ ফে'চবুকত লাইভ কৰি ধাৰাসাৰ গুলিবৰ্ষণৰ অভিযোগ উত্থাপন হ'ল এজন কৃষ্ণাংগ যুৱকৰ বিৰুদ্ধে। টেনেচি প্ৰদেশৰ মেমফিচ চহৰত বন্দুকধাৰীৰ এই আক্ৰমণত দুজন লোকৰ মৃত্যু হ'ল। পাছত আৰক্ষীয়ে আক্ৰমণকাৰী ১৯ বছৰীয়া এজেকেল কেলিত গ্ৰেপ্তাৰ কৰে। কেলিয়ে এখন ডিপাৰ্টমেন্টেল ষ্ট'ৰত প্ৰৱেশ কৰি জধে-মধে গুলিবৰ্ষণ কৰিছিল। ষ্ট'ৰখনৰ পৰা ওলাই গৈ গাড়ীৰে চহৰৰ আন অঞ্চলতো কেলিয়ে আক্ৰমণ সংঘটিত কৰে। পাছত আৰক্ষীয়ে অভিযান চলাই কৃষ্ণাংগ আক্ৰমণকাৰীক গ্ৰেপ্তাৰ কৰে।

## বান বিধ্বস্ত বাংগালুৰুত আশ্ৰয়ৰ বাবে হাহাকাৰ, এৰাতিৰ হোটেল ভাড়া ৪০ হেজাৰ টকা



**নিউজ ব্যুৰ', বাংগালুৰু, ৮ ছেপ্টেম্বৰ ঃ** বিগত কে'বাদিন ধৰি প্ৰবল বৃষ্টিপাতৰ ফলত বানত স্বাভাৱিক জীৱন অচল হৈছে কৰ্ণাটকৰ ৰাজধানী বাংগালুৰুত। ঘৰ-দুৱাৰ বানৰ পানীৰে উপচি পৰাৰ ফলত সম্প্ৰতি চহৰখনৰ বহু বাসিন্দাই বিদ্যালয়, হোটেল আদিত আশ্ৰয় ল'ব লগা হৈছে। জনসাধাৰণৰ দুৰ্যোগৰ সুযোগ লৈ বাংগালুৰুত এক শ্ৰেণীৰ হোটেল মালিকে অসাধু ব্যৱসায় চলোৱাৰ অভিযোগ উত্থাপিত হ'ল। প্ৰকাশিত বাতৰি অনুসৰি বাংগালুৰুত একাংশ হোটেলে এৰাতিৰ কোঠাৰ ভাড়া ৪০ হেজাৰ টকালৈকে বৃদ্ধি কৰিছে। ফলত হোটেলত আশ্ৰয় ল'বলৈ গৈ সমস্যাৰ সন্মুখীন হৈছে বান বিধ্বস্ত চহৰবাসী। হোৱাইট ফিল্ড, আউটাৰ ৰিং ৰোড, অ'ল্ড এয়াৰপ'ৰ্ট ৰোড, কাৰমাংলা ৰোডৰ সকলোবোৰ হোটেল সম্প্ৰতি গ্ৰাহকৰে ভৰি আছে। ইফালে, বতৰ বিজ্ঞান বিভাগে চহৰখনত আগন্তুক পাঁচ দিনৰ বাবে ৰঙা সতৰ্কতা জাৰি কৰিলে।

## চলিত বৰ্ষত ৮২ হেজাৰ ভাৰতীয় শিক্ষাৰ্থীক ভিছা দিলে আমেৰিকাই



**নিউজ ব্যুৰ', নতুন দিল্লী, ৮ ছেপ্টেম্বৰ ঃ** আমেৰিকাই চলিত বৰ্ষত বৰ্তমানলৈকে ৮২,০০০ জন ভাৰতীয় ছাত্ৰ-ছাত্ৰীক মাৰ্কিন ভিছা প্ৰদান কৰিলে। বিগত বৰ্ষসমূহৰ তুলনাত চলিত বৰ্ষত আমেৰিকাই সৰ্বাধিক ভাৰতীয় শিক্ষাৰ্থীক দেশখনৰ ভিছা প্ৰদান কৰিলে। আন দেশৰ তুলনাতো আমেৰিকাত এইবাৰ ভাৰতীয় ছাত্ৰ-ছাত্ৰীয়ে সৰ্বাধিক সংখ্যক ভিছা লাভ কৰিবলৈ সফল হ'ল। আমেৰিকা দূতাবাসে এক বিবৃতিত আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি চলিত বৰ্ষত বৰ্তমানলৈকে দেশখনে ৮২,০০০ ৰো অধিক ভাৰতীয় ছাত্ৰ-ছাত্ৰীৰ ভিছাৰ আবেদন মঞ্জুৰ কৰিলে। আমেৰিকাত থকা বিদেশৰ শিক্ষাৰ্থীসকলৰ ২০ শতাংশই হৈছে ভাৰতীয় ছাত্ৰ-ছাত্ৰী।

## ৫৪ বছৰীয়া হ'ল ড'ৰেমন, বিশ্বজুৰি ৪৬,০০০ কোটি টকা কৰিলে উপাৰ্জন



**নিউজ ব্যুৰ', টকিঅ', ৮ ছেপ্টেম্বৰ ঃ** টেলিভিছনৰ জনপ্ৰিয় কাৰ্টুন চিত্ৰ 'ড'ৰেমন'ৰ ৫৪ বৰ্ষ সম্পূৰ্ণ হ'ল। ১৯৬৯ত এই কাৰ্টুন চিত্ৰ প্ৰথম তৈয়াৰ কৰা হৈছিল। এটা মেকুৰীক লৈ তৈয়াৰ কৰা এই কাৰ্টুন চিত্ৰই বিশ্বজুৰি বিশেষ জনপ্ৰিয়তা অৰ্জন কৰি আহিছে। প্ৰথমে জাপানত জনপ্ৰিয়তা লাভ কৰা 'ড'ৰেমন'-এ পৰিৱৰ্তী সময়ত বিশ্বজুৰি সমাদৰ লাভ কৰিলে। 'ড'ৰেমন'ৰ চলচ্চিত্ৰই বিশ্বজুৰি বৰ্তমানলৈকে ১৩ হেজাৰ কোটি টকাৰো অধিক ব্যৱসায় কৰিলে আৰু ৰয়েল্টি হিচাপে লাভ কৰিলে ৩৩ হেজাৰ কোটি টকা। অৰ্থাৎ এইখন কাৰ্টুন চিত্ৰই এতিয়ালৈকে ৪৬ হেজাৰ কোটি টকা উপাৰ্জন কৰিলে। ভাৰতত ৪৮ কোটিৰো অধিক লোকে 'ড'ৰেমন' দৰ্শন কৰি আহিছে। জাপানৰ এই কাৰ্টুন চৰিত্ৰটোৰ সৃষ্টিকৰ্তা আছিল শিল্পী ফুজিক' এফ ফুজিয়'।

## দেশত পুনৰ ক'ভিড সংক্ৰমণ বৃদ্ধি, মৃত্যু ১৯ ৰোগীৰ



**নিউজ ব্যুৰ' নতুন দিল্লী, ৮ ছেপ্টেম্বৰ ঃ** বিগত তিনিদিন ধৰি ভাৰতত ক'ভিডৰ দৈনিক সংক্ৰমণৰ ৰেখাচিত্ৰ ক্ৰমে ঊৰ্ধ্বমুখী হ'বলৈ ধৰিছে। যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন অঞ্চলত ৬৩৯৫ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হ'ল। বিগত এদিনত কেৰালাত ১৬৮৭, মহাৰাষ্ট্ৰত ১০৯৪, কৰ্ণাটকত ৬০৬, তামিলনাডুত ৪৪৫ আৰু ওড়িছাত ৩২৮ জন লোক ক'ভিড সংক্ৰমিত হ'ল। ইফালে, যোৱা ২৪ ঘণ্টাত ক'ভিডৰ সংক্ৰমণত দেশত ১৯ জন লোকৰ মৃত্যু হ'ল।



## বাইডেনৰ সন্মতি, পাকিস্তানৰে ৪৫০ নিযুত ডলাৰৰ এফ-১৬ বিমান বুজাবুজিৰ চুক্তি আমেৰিকাৰ

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ৮ ছেপ্টেম্বৰ ঃ** অৱশেষত চাৰি বছৰৰ পাছত পাকিস্তানৰ স'তে ৪৫০ নিযুত ডলাৰৰ এফ ১৬ যুঁজাৰু বিমান ৰক্ষণাবেক্ষণৰ বুজাবুজিৰ চুক্তিত অনুমোদন জনালে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনৰ প্ৰশাসনে। বাইডেন প্ৰশাসনে পূৰ্বৰ ড'নাল্ড ট্ৰাম্প প্ৰশাসনৰ সিদ্ধান্ত সলনি কৰি পাকিস্তানক এফ ১৬ যুঁজাৰু জেট বিমানৰ চোৰা-চিতাৰ বাবে ৪৫০ নিযুত ডলাৰ অৰ্থাৎ ৩৬০০ কোটি টকাৰ সাহায্য প্ৰদানৰ প্ৰস্তাৱত অনুমোদন জনালে। আমেৰিকাৰ বৈদেশিক মন্ত্ৰণালয়ে আজি এই কথা প্ৰকাশ কৰে। বাইডেন প্ৰশাসনে প্ৰকাশ কৰা অনুসৰি, পাকিস্তানে যাতে বৰ্তমানে আৰু ভৱিষ্যতে সন্ত্ৰাস প্ৰতিৰোধত সফল হ'ব পাৰে, তাক নিশ্চিত কৰিবলৈ আমেৰিকাই এই ধনৰাশি প্ৰদান কৰিব। প্ৰতিৰক্ষাৰ ক্ষেত্ৰত পূৰ্বৰ ট্ৰাম্প প্ৰশাসনৰ নীতিৰ বিৰুদ্ধে থিয় দি বাইডেন প্ৰশাসনে ইছলামাবাদৰ কাষত থিয় দিলে।

### এবছৰত ক্ৰয় কৰিলে ৫০০ কোটি টকাৰ এণ্টিবায়'টিক ঃ কৰ'নাৰ আগমনৰ পৰা এণ্টিবায়'টিকৰ বিক্ৰী বৃদ্ধি

# চিকিৎসকৰ নিদান অবিহনে দৰৱ সেৱনৰ প্ৰৱণতা বৃদ্ধি ভাৰতত

**নিউজ ব্যুৰ' নতুন দিল্লী, ৮ ছেপ্টেম্বৰ ঃ** কৰ'না অতিমাৰীৰ আগমনৰ পাছৰে পৰা ভাৰতত এণ্টিবায়'টিক দৰৱৰ বিক্ৰী বৃদ্ধি পাইছিল। স্বাস্থ্য পত্ৰিকা 'লেনছেট'ৰ এক প্ৰতিবেদনৰ তথ্য অনুসৰি, ২০১৯ বৰ্ষৰ ভাৰতত ৫০০ কোটি টকাৰো অধিক মূল্যৰ এণ্টিবায়'টিক দৰৱৰ বিক্ৰী হৈছিল। এইসমূহ এণ্টিবায়'টিকৰ মাজত এনে দৰৱো আছে যিসমূহ বিক্ৰী বা ব্যৱহাৰ কৰাৰ বাবে ড্ৰাগছ কন্ট্ৰ'ল বিভাগে অনুমতি দিয়া নাই। অধ্যয়ন চলোৱা বিশেষজ্ঞৰ দলটোৱে ব্যক্তিগত খণ্ডৰ দৰৱৰ বিক্ৰীৰ তথ্যপাতি সংগ্ৰাহক প্ৰতিষ্ঠান ফাৰ্মা ট্ৰেকৰ পৰা এই তথ্য আহৰণ কৰি দাবী কৰা মতে, ভাৰতীয়ৰ মাজত চিকিৎসকৰ পৰামৰ্শ অবিহনে আৰু নিদান পত্ৰ নোহোৱাকৈ এণ্টিবায়'টিক গ্ৰহণৰ প্ৰৱণতা বৃদ্ধি পাইছে। বিজ্ঞানীৰ দলটোৱে লগতে কয় যে সম্প্ৰতি ভাৰতত এজিথ্ৰ'মাইচিন' ৫০০ এম জি দৰৱ সৰ্বাধিক বিক্ৰী হৈছে। বিগত এবছৰত দেশখনত ৭.৬ শতাংশ দৰৱ ক্ৰেতাই এজিথ্ৰ'মাইচিন' ৫০০ এম জি দৰৱ ব্যৱহাৰ কৰিছিল। বিক্ৰীৰ ক্ষেত্ৰত ভাৰতত দ্বিতীয় স্থানত থকা দৰৱবিধ হৈছে ছেফিক্সিম ২০০ এম জি। এবছৰত দেশখনত এইবিধ দৰৱ ৬.৫ শতাংশ লোকে ক্ৰয় কৰিছিল। একেখন প্ৰতিবেদনত কয় যে ভাৰতীয়সকলে চিকিৎসকৰ পৰামৰ্শ অবিহনে যিকোনো স্বাস্থ্য সমস্যাৰ ক্ষেত্ৰত নিজৰ ইচ্ছাত এণ্টিবায়'টিকৰ ব্যৱহাৰ কৰি আহিছে। এইদৰে জধে-মধে এণ্টিবায়'টিক গ্ৰহণৰ অভ্যাস কৰাৰ ফলত ভাৰতৰ জনস্বাস্থ্যৰ যথেষ্ট ক্ষতি হোৱা বুলিও গৱেষকে মত প্ৰকাশ কৰিছে। প্ৰতিবেদনত উল্লেখ কৰা মতে, অধ্যয়নটোত অন্তৰ্ভুক্ত কৰা দৰৱসমূহৰ মাত্ৰ ৪৫.৫ শতাংশ দৰৱ তৈয়াৰতহে চেণ্ট্ৰেল ড্ৰাগছ কণ্ট্ৰ'ল অৰ্গেনাইজেচনৰ নিয়ম-নীতি পালন কৰা হয়।





## জব্বলপুৰত খ্ৰীষ্ট ধৰ্মগুৰুৰ বাসগৃহৰ পৰা ১.৬৫ কোটি টকা জব্দ

**নিউজ ব্যুৰ' জব্বলপুৰ, ৮ ছেপ্টেম্বৰ ঃ** জব্বলপুৰত থকা দ্য ব'ৰ্ড অৱ এডুকেচন চাৰ্চ অৱ নৰ্থ ইণ্ডিয়াৰ অধ্যক্ষ তথা খ্ৰীষ্টগুৰু পি চি সিঙৰ বাসগৃহত আজি ই অ' ডব্লিউৱে অভিযান চলাই প্ৰায় ১.৬৫ কোটি টকাৰ নগদ ধন জব্দ কৰিলে। এই বৃহৎ পৰিমাণৰ ধন গণিবলৈ ষ্টেট বেংক অৱ ইণ্ডিয়াৰ বিষয়াই নোট গণনা কৰা মেচিন ব্যৱহাৰ কৰে। খ্ৰীষ্টধৰ্মগুৰুজনৰ বাসগৃহৰ পৰা ভাৰতীয় টকাৰ লগতে বিদেশী মুদ্ৰাও উদ্ধাৰ কৰা হৈছে। ই অ' ডব্লিউৰ বিষয়াই সিঙৰ বাসগৃহৰ পৰা ১৮ হেজাৰ মাৰ্কিন ডলাৰ জব্দ কৰে। এই ধনৰাশিৰ মূল্য ভাৰতীয় মুদ্ৰাত ১৪.৩৫ লাখ টকা হ'ব। বৰ্তমানে সিং জাৰ্মানীত আছে।

## আদমপুৰত জিকিলে হাৰিয়ানাতো গঠন হ'ব আপৰ চৰকাৰৰ, দাবী কেজৰিৱালৰ




**নিউজ ব্যুৰ', আদমপুৰ, ৮ ছেপ্টেম্বৰ ঃ** দিল্লীৰ মুখ্যমন্ত্ৰী আৰু আম আদমী পাৰ্টি (আপ)ৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে আজি হাৰিয়ানাৰ আদমপুৰত ত্ৰিৰংগা যাত্ৰাৰ নেতৃত্ব প্ৰদানৰ পাছত এখন ৰেলী সম্বোধন কৰিলে। কেজৰিৱালে দুদিনীয়া ভ্ৰমণসূচীৰে বুধবাৰে হাৰিয়ানাত উপস্থিত হৈছিল। কেজৰিৱালৰ স'তে হাৰিয়ানাত পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানো আছে। ভাষণ প্ৰসংগত কেজৰিৱালে কয়, '২০১৯ৰ লোকসভা নিৰ্বাচনৰ পঞ্জাৱত আমি মাত্ৰ এখন আসন লাভ কৰিছিলো আৰু আজি ২০২২ত পঞ্জাৱত আপৰ চৰকাৰ আছে। ২০২২ত আপে আদমপুৰ সমষ্টিত জয়লাভ কৰিলে, মই আপোনালোকক প্ৰতিশ্ৰুতি দিওঁ যে ২০২৪ত হাৰিয়ানাতো আপে চৰকাৰ গঠন কৰিব।' উল্লেখ্য যে আদমপুৰৰ বিধায়ক কুলদীপ বিষ্ণৱে পদত্যাগ কৰাত এই সমষ্টিত উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু সমষ্টিটোত আপে ব্যাপক প্ৰচাৰ অব্যাহত আছে।

## দুৰ্নীতিত অভিযুক্ত অনুব্ৰতৰ কাষত থিয় দি মমতাই ক'লে, 'বীৰৰ দৰে আমি তেওঁক উভতাই আনিম'

**নিউজ ব্যুৰ' কলকাতা, ৮ ছেপ্টেম্বৰ ঃ** একাধিক দুৰ্নীতিৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা তৃণমূল কংগ্ৰেছৰ প্ৰভাৱশালী নেতা অনুব্ৰত মণ্ডল ওৰফে কেষ্টৰ সমৰ্থনত থিয় দিলে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীয়ে। কেষ্টক আজি অভয় প্ৰদান কৰি মমতাই কয়, 'বীৰৰ সন্মানৰে কেষ্টক ওভতাই আনিম। ইয়াৰ বাবে সাজু থাকক।' কলকাতাৰ নেতাজী ইনড'ৰ ষ্টেডিয়ামত দলৰ সভাত বীৰভূমৰ তৃণমূল কংগ্ৰেছৰ নেতা-কৰ্মীলৈ এইদৰে বাৰ্তা দি মমতাই কয়, 'কেষ্টই কি কৰিছিল? কেষ্ট বেচেৰাৰ নিজৰে শৰীৰ বেয়া। প্ৰতি নিৰ্বাচনত তেওঁক নজৰবন্দী কৰি ৰখা হয়। ভাবিছে কাৰাগাৰত বন্দী কৰি ৰাখি সংসদৰ আসন দখল কৰিব। যেতিয়ালৈকে কেষ্ট মুক্ত হৈ নাহে তেতিয়ালৈকে সংগ্ৰাম তিনিগুণ বৃদ্ধি পাব। বীৰৰ সন্মান প্ৰদানৰে তেওঁক কাৰাগাৰৰ পৰা আনিম। ইয়াৰ বাবে সাজু থাকক।' উল্লেখ্য যে গৰুৰ অবৈধ সৰবৰাহসহ একাধিক অভিযোগত সম্প্ৰতি তৃণমূল কংগ্ৰেছৰ এইজন নেতা কাৰাবন্দী হৈ আছে।



## সাৰি নাযাব শত্ৰুৰ বিমান, ডি আৰ ডি অ'ই ঘাতক ক্ষেপণাস্ত্ৰৰ কৰিলে সফল পৰীক্ষণ



**নিউজ ব্যুৰ', ভুবনেশ্বৰ, ৮ ছেপ্টেম্বৰ ঃ** প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংগঠন (ডি আৰ ডি অ') আৰু ভাৰতীয় সেনাৰ আজি আকাশমাৰ্গত শত্ৰুৰ বিমান ধ্বংসকাৰী ক্ষেপণাস্ত্ৰৰ সফল পৰীক্ষণ সম্পন্ন কৰিলে। ওড়িছাৰ চান্দিপুৰত থকা পৰীক্ষণ কেন্দ্ৰৰ পৰা ক্ষেপণাস্ত্ৰৰ পৰীক্ষণ চলোৱা হৈছিল। সেনাই দুবাৰকৈ দিন আৰু ৰাতি ক্ষেপণাস্ত্ৰৰ পৰীক্ষা কৰে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ক্ষেপণাস্ত্ৰৰ সফল পৰীক্ষণৰ বাবে ডি আৰ ডি অ'ৰ বিজ্ঞানীসকলক ধন্যবাদ জ্ঞাপন কৰে। সফল পৰীক্ষণৰ পাছত এই ক্ষেপণাস্ত্ৰৰ ভাৰতীয় সেনাত অন্তৰ্ভুক্ত কৰা হ'ব। ভাৰতীয় সেনাই উন্নত প্ৰযুক্তিৰে তৈয়াৰী এই ক্ষেপণাস্ত্ৰৰ লাভ কৰিলে শত্ৰু পক্ষৰ বিমানে ভাৰতীয় আকাশমাৰ্গত অনুপ্ৰৱেশ কৰিলে সাৰি যাব নোৱাৰিব।

## তেওঁ ব্যৱসায় কৰে, এইবাৰ হয়তো বিজেপিক সহায় কৰিব ঃ প্ৰশান্তক কটাক্ষ নীতিশৰ



**নিউজ ব্যুৰ', পাটনা, ৮ ছেপ্টেম্বৰ ঃ** নাম উল্লেখ নকৰাকৈ নিৰ্বাচন ৰণনীতিজ্ঞ প্ৰশান্ত কিশোৰক তীব্ৰ কটাক্ষ কৰিলে বিহাৰৰ মুখ্যমন্ত্ৰী তথা জে ডি ইউৰ মুৰব্বী নীতিশ কুমাৰে। যোৱা নিশা বিৰোধী মৰ্চাত কিশোৰৰ সম্ভাব্য ভূমিকাৰ প্ৰসংগত সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰ দি নীতিশে কয়, 'বিভিন্ন ৰাজনৈতিক দলৰ স'তে কাম কৰাই তেওঁৰ ব্যৱসায়। বিহাৰত আমাৰ বাবে তেওঁৰ কৰিবলগা একো নাই। তেওঁ বিভিন্ন বিবৃতি দি আহিছে। হ'ব পাৰে তেওঁ বিজেপিৰ স'তে থাকিব বিচাৰিছে। হ'ব পাৰে, তেওঁ তেওঁলোকক সহায় কৰিব বিচাৰিছে।' বিহাৰৰ মুখ্যমন্ত্ৰীজনে লগতে কয় যে আসন্ন লোকসভাৰ নিৰ্বাচনত কিশোৰৰ সহায়ৰ প্ৰয়োজন আছে বুলি তেওঁ নাভাবে।

## চীনত মহিলাৰ বিৰুদ্ধে বাঢ়িছে গাৰ্হস্থ্য হিংসা, প্ৰতি সাত ছেকেণ্ডত এগৰাকী মহিলা হৈছে নিৰ্যাতিত

**নিউজ ব্যুৰ', বেইজিং, ৮ ছেপ্টেম্বৰ ঃ** পাৰিবাৰিক জীৱনত চৰম বৈষম্যৰ সন্মুখীন হৈছে চীনৰ মহিলা। হংকংস্থিত অল চাইনা অ'মেন ফেডাৰেচনৰ এক প্ৰতিবেদনৰ তথ্য অনুসৰি, চীনত প্ৰতি সাত ছেকেণ্ডত এগৰাকী মহিলা গাৰ্হস্থ্য হিংসাৰ বলি হয়। মহিলাৰ বিৰুদ্ধে নিৰ্যাতনৰ ঘটনা দেশখনত বৃদ্ধি হোৱাৰ বিপৰীতে এনে অপৰাধৰ শাস্তিৰ হাৰ হৈছে মাত্ৰ ১১ শতাংশ। হংকং ইউনিভাৰ্ছিটিৰ মিডিয়া বিভাগৰ অধ্যাপক কিংগ বা ফুৱে কয় যে চীনত মহিলাৰ বিৰুদ্ধে হোৱা উৎপীড়নৰ বা-বাতৰিসমূহ চৰকাৰী সংবাদ মাধ্যমে গোপন কৰি ৰাখিছে। মহিলাৰ বিৰুদ্ধে সংঘটিত হোৱা এইসমূহ ঘটনা গোপনে ৰখাৰ বাবে চীনা কমিউনিষ্ট পাৰ্টিয়ে এখন চেন্সৰ কমিটীও গঠন কৰিছে। মহিলাৰ বিৰুদ্ধে গাৰ্হস্থ্য হিংসাৰ অভিযোগ বৃদ্ধি পোৱাৰ সময়তে চীনৰ ৰাষ্ট্ৰপতি জি জিনপিঙে দেশখনৰ মহিলাক পৰামৰ্শ দি কয় যে মহিলাসকলে ঘৰুৱা সকলো কাম-কাজ ভালদৰে সম্পন্ন কৰাৰ লগতে পুৰণি পৰম্পৰা মানি চলা উচিত।



## অন্তৰ্বাস কিনিবলৈ দিল্লীলৈ গৈছিলো, ভ্ৰাতৃৰ বিতৰ্কিত মন্তব্যত অস্বস্তিত ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী

**নিউজ ব্যুৰ', ৰাঁচী, ৮ ছেপ্টেম্বৰ ঃ** ঝাৰখণ্ডৰ ৰাজনৈতিক অস্থিৰতাৰ অৱসান ঘটিল যদিও এক নতুন অস্বস্তিৰ সন্মুখীন হ'ল ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হেমন্ত ছোৰেন। মুখ্যমন্ত্ৰীজনৰ ভ্ৰাতৃ তথা ডুমকাৰ বিধায়ক বসন্ত ছোৰেনে এক বিতৰ্কিত মন্তব্য কৰিলে। মুখ্যমন্ত্ৰী ভ্ৰাতৃৰ এই মন্তব্যই ঝাৰখণ্ডত প্ৰতিক্ৰিয়া অব্যাহত ৰাখিছে। সম্প্ৰতি দুগৰাকী নাবালিকাৰ ধৰ্ষণ আৰু হত্যাৰ ঘটনাত উত্তপ্ত হৈছিল ডুমকা। দিল্লীৰ পৰা উভতি আহি উক্ত দুই পীড়িতাৰ পৰিয়ালক সাক্ষাৎ কৰিলে বিধায়ক বসন্তই। দিল্লীলৈ কিয় গৈছিল বুলি সাংবাদিকে বিধায়কজনক প্ৰশ্ন কৰাত তেওঁ এইদৰে উত্তৰ দিয়ে, 'অন্তৰ্বাস কিনিবলৈ দিল্লীলৈ গৈছিলো।' ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰীৰ ভ্ৰাতৃৰ এই মন্তব্য শুনাৰ পাছতে উপস্থিত সকলোৱে হাঁহিবলৈ ধৰে। ঝাৰখণ্ডৰ বিজেপিৰ বিধায়ক নিশিকান্ত ডুবেয়ে এই সন্দৰ্ভত মুখ্যমন্ত্ৰী ভ্ৰাতৃক কটাক্ষ কৰি কয়, 'গৰীব আৰু আদিবাসীৰ নেতা শিবু ছোৰেনৰ পুত্ৰই দিল্লীলৈ গৈছিল অন্তৰ্বাস কিনিবলৈ।' সামাজিক মাধ্যমত অনেকে ঝাৰখণ্ডৰ মুক্তিমৰ্চাৰ বিধায়কজনৰ মন্তব্যক নিন্দা কৰিছে।



## উত্তৰ প্ৰদেশত অখিলেশৰ নতুন সমীকৰণ, এশ বিধায়কসহ বিজেপি ত্যাগ কৰিলে মৌৰ্যক পাতিব মুখ্যমন্ত্ৰী

**নিউজ ব্যুৰ', লক্ষ্ণৌ, ৮ ছেপ্টেম্বৰ ঃ** সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱে উত্তৰ প্ৰদেশৰ উপমুখ্যমন্ত্ৰী কেশৱপ্ৰসাদ মৌৰ্যত মুখ্যমন্ত্ৰী পদৰ বাবে সমৰ্থন জনাই প্ৰস্তাৱ আগবঢ়োৱাৰ পাছত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে ৰাজ্যিক বিজেপিৰ সভাপতি ভূপেন্দ্ৰ সিং চৌধুৰীয়ে। চৌধুৰীয়ে প্ৰথমে নিজৰ মৰ্চা আৰু বিধায়কক নজৰত ৰাখিবলৈ পৰামৰ্শ দিলে অখিলেশক। চৌধুৰীয়ে দাবী কৰা অনুসৰি সমাজবাদী পাৰ্টিৰ বিধায়কহে বিজেপিৰ স'তে যোগাযোগ কৰিছে। এক টুইটত ৰাজ্যিক বিজেপিৰ সভাপতিয়ে মৌৰ্যক বিজেপিৰ এজন নিষ্ঠাবান কৰ্মী অভিহিত কৰে। চৌধুৰীয়ে কয়, 'কেশৱজী সংগঠনৰ, দলৰ এজন নিষ্ঠাবান কৰ্মী আৰু বিজেপিৰ আদৰ্শৰে নিবেদিত। তেওঁ সদায় আমাৰ স'তে থাকিব। তেওঁ কেতিয়াও এনে স্বাৰ্থপৰ কাণ্ডৰ জালত ভৰি নিদিয়ে।' উল্লেখ্য যে অলপতে অখিলেশে মৌৰ্যক উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী পতাৰ প্ৰস্তাৱ দি কৈছিল যে মৌৰ্যই যদি এশজন বিধায়কসহ বিজেপি ত্যাগ কৰিব পাৰে তেন্তে তেওঁক সমাজবাদী পাৰ্টিয়ে সমৰ্থন দিব আৰু মুখ্যমন্ত্ৰীৰ পদো প্ৰদান কৰিব।



## ইউক্ৰেইনৰ শিশুক অপহৰণ কৰিছে ৰুছ সেনাই ঃ ৰাষ্ট্ৰসংঘৰ দাবী



**নিউজ ব্যুৰ', ৰাষ্ট্ৰসংঘ, ৮ ছেপ্টেম্বৰ ঃ** যুদ্ধ বিধ্বস্ত ইউক্ৰেইনত শিশুক অপহৰণ কৰিছে ৰাছিয়াৰ সেনা বাহিনীয়ে। এই চাঞ্চল্যকৰ দাবী কৰিলে ৰাষ্ট্ৰসংঘই। আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, ইউক্ৰেইনৰ ৰুছ অধিকৃত অঞ্চলসমূহৰ পৰা অনাথ আৰু পৰিয়ালৰ পৰা বিচ্ছেদ হোৱা শিশুক অপহৰণ কৰি ৰুছ সেনাই ৰাছিয়ালৈ প্ৰেৰণ কৰিছিল বুলি ৰাষ্ট্ৰসংঘই দাবী কৰে। ৰুছ সেনাই এইদৰে সৰবৰাহ কৰা ইউক্ৰেইনৰ শিশুক তোলনীয়া সন্তান হিচাপে গ্ৰহণ কৰিছে ৰুছ পৰিয়ালে। এই সন্দৰ্ভত ৰাষ্ট্ৰসংঘৰ মানৱাধিকাৰ বিষয়ৰ সহকাৰী মহাসচিব লিজে ব্ৰাণ্ডছ কেহৰিছে মন্তব্য কৰি কয়, 'ইউক্ৰেইনৰ শিশুক বলপূৰ্বক ধৰি নিয়াৰ অভিযোগ ৰুছ সেনাৰ বিৰুদ্ধে উত্থাপিত হৈছে। ইয়াৰ সপক্ষে যথেষ্ট প্ৰমাণো লাভ কৰা হৈছে। এই বিষয়টো অত্যন্ত উদ্বেগজনক। অভিভাৱকহীন উক্ত শিশুসকলক নাগৰিকত্ব প্ৰদান কৰিছে ৰাছিয়াই। ইয়াৰ ফলত এনে শিশুক তোলনীয়া সন্তান হিচাপে গ্ৰহণ কৰিব পাৰিছে ৰাছিয়াৰ নাগৰিকসকলে।' কালি ইউক্ৰেইন সন্দৰ্ভত নিৰাপত্তা পৰিষদৰ বৈঠকত দেশখনত মানৱাধিকাৰ লংঘনৰ এই চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰিছিল কেহৰিছে। উল্লেখ্য যে যোৱা ২৪ ফেব্ৰুৱাৰীত ৰাছিয়াই ইউক্ৰেইনত আক্ৰমণ সংঘটিত কৰিছিল আৰু উভয় ৰাষ্ট্ৰৰ মাজত বৰ্তমানেও যুঁজ অব্যাহত আছে।

## 'ভাৰত জোড়ো' পদযাত্ৰাত চৰ্চিত হ'ল ৰাহুলৰ এই জোতা, কিন্তু কিয়?

**নিউজ ব্যুৰ', নতুন দিল্লী, ৮ ছেপ্টেম্বৰ ঃ** কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীয়ে দলৰ জ্যেষ্ঠ নেতাৰ স'তে 'ভাৰত জোড়ো' পদযাত্ৰা আৰম্ভ কৰিলে। কংগ্ৰেছে এই পদযাত্ৰাক এক ব্যাপক জনসংযোগ অভিযান অভিহিত কৰিছে আৰু ইয়াৰ জৰিয়তে দলটোৱে নতুন শক্তি লাভ কৰিব বুলি দাবী কৰিছে। ৰাহুলে দলৰ ১১৯ নেতাৰ স'তে 'ভাৰত জোড়ো' অভিযানৰ অধীনত কন্যাকুমাৰীৰ পৰা কাশ্মীৰলৈকে পদযাত্ৰা কৰিব। এই পদযাত্ৰাত কংগ্ৰেছ নেতাকেইজনে মুঠ ৩৫৭০ কিলোমিটাৰ খোজ কাঢ়িব। পদযাত্ৰা আৰম্ভ হোৱাৰ লগে লগে ৰাহুলক কেন্দ্ৰ কৰি আজি আন এক বিতৰ্কৰ সূচনা হ'ল। সামাজিক মাধ্যমত ৰাহুলে এই পদযাত্ৰাত পৰিধান কৰা এযোৰ জোতা বিশেষভাৱে চৰ্চিত হৈছে। সামাজিক মাধ্যম ব্যৱহাৰকাৰীয়ে দাবী কৰা অনুসৰি ৰাহুলে পৰিধান কৰা জোতাযোৰ অতি বিলাসী ব্ৰেণ্ডৰ আৰু এই জোতাৰ ২০১৯ত ব্ৰেণ্ড এম্বেছাদৰ আছিল বলিউড অভিনেতা টাইগাৰ শ্ৰ'ফ। ৰাহুলে এছিক্স ব্ৰেণ্ডৰ স্নিকাৰ পৰিধান কৰিছে। এছিক্স হৈছে জাপানৰ এটা আগশাৰীৰ বিলাসী জোতানিৰ্মাতা ব্ৰেণ্ড। সামাজিক মাধ্যম ব্যৱহাৰকাৰীয়ে লগতে দাবী কৰি কয় যে এছিক্স ব্ৰেণ্ডৰ ৰাহুলে পৰিধান কৰা জোতাৰ মূল্য ভাৰতত কমেও ১৪-১৫ হেজাৰ টকা হ'ব। ১৯৪৯তে এই প্ৰতিষ্ঠানটো জাপানত প্ৰতিষ্ঠা কৰা হৈছিল। ৰাহুলে 'ভাৰত জুড়ো' অভিযানত এইদৰে বিলাসী ব্ৰেণ্ডৰ জোতা পৰিধান কৰাক লৈ একাংশ সামাজিক মাধ্যম ব্যৱহাৰকাৰীয়ে কংগ্ৰেছ সাংসদজনক কটাক্ষ কৰিছে।



# জবাব-ই-ছিকৱা

**(অভিযোগৰ উত্তৰ)**

অভিযোগৰ উত্তৰত ইকবালে নিজ জাতিৰ লোকসকলক সকলো ব্যৰ্থতা আৰু দুখ-যাতনাৰ পৰা উদ্ধাৰ হোৱাৰ কামনাৰে লোকসকলক নিজৰ দোষ-ত্ৰুটিবোৰলৈ দৃষ্টিপাত কৰিবলৈ আবেদন কৰিছে। আজিৰ অৱস্থাটো যে সদায় স্থিত নাথাকে সেই কথা সোঁৱৰাই দিছে। যাৰ উৎস পবিত্ৰ আৰু সত্য, সেয়া কাহানিও সম্পূৰ্ণ ধ্বংস হৈ নাযায়। ক্ষণিক স্তব্ধ হ'লেও অৱশিষ্ট সামান্যখিনিৰ পৰায়েই এদিন পুনঃ পূৰ্ণ শক্তিৰে উজ্বলি উঠি পূৰ্বৰ দৰেই আকৌ সমগ্ৰ জগতত নিজ অস্তিত্ব স্থাপিত কৰিব। ইয়াৰ বাবে লাগে মাথো নিজ ভুল-ত্ৰুটিবোৰৰ স্বীকাৰ আৰু সত্য অন্বেষণৰ প্ৰয়াস। ইকবালে কৈছে—

দিলৰ পৰা ওলাল যি কথা, প্ৰভাৱ তাৰ থাকেই থাকে,
পাখি যদিও নাই তাৰ, শক্তি উৰাৰ থাকেই থাকে।
পবিত্ৰ যাৰ জন্মৰ মূল, আকাংক্ষা তাৰ থাকেই থাকে,
ধূলিৰ পৰা উঠে যদিও গগণ বিচৰণৰ শক্তি থাকেই থাকে।
চতুৰ, নিষ্ঠুৰ তথা অত্যাচাৰী আছিল প্ৰেম মোৰ,
আকাশ উৰ্দ্ধে উঠি গ'ল যত আছিল বিলাপ মোৰ।
শুনি বুঢ়া আকাশে সোধে, আছেনে বাৰু কোনো ক'ৰবাত,
ক'লে গ্ৰহবোৰে আছে হেনো খোদাৰ আকাশৰ ওপৰত।
জোনটিয়ে ক'লে নহয় নহয়, মানুহ কোনো আছে জমিনত,
ছায়া পথে ক'লে, ইয়াতে আছে ক'ৰবাত সৃষ্টিৰ অগোচৰত।
মোৰ কথা শুনাজনেই সৰগৰ দুৰৱী জানিবা,
বেহেস্তৰ বিতাৰিত সেই ইনচান মই বুজিবা।

মনুষ্যৰ আছে অপৰিসীম শক্তি। সমগ্ৰ বিশ্ব-ব্ৰহ্মাণ্ড বিচৰণ কৰিব পৰাৰ সক্ষমতা। স্বয়ং প্ৰভুৱেই সৃষ্টি কৰি সমগ্ৰ জ্ঞানৰ ভাণ্ডাৰ তেওঁক অৰ্পণ কৰিছে। গতিকে স্বভাৱিকতে এই মনুষ্যই সকলো বাধা-বিঘিনি নেওচি উদ্ধাৰপ্ৰাপ্ত হ'ব পাৰে। পৰম প্ৰভুৱে মনুষ্যক প্ৰদান কৰা বিশেষ জ্ঞান আৰু ক্ষমতাৰে সি নিজ হেৰোৱা গৌৰৱ পুনৰুদ্ধাৰ কৰিব পাৰে। মনুষ্যক প্ৰদান কৰা বিশেষ গুণ আৰু মৰ্যাদাৰ বাবে ফিৰিস্থাসকলো আশ্চৰ্য হয়। ইকবালে নিজ জাতিটোক মনুষ্যত্বৰ গুণলৈ গুৰুত্ব দিবলৈ আবেদন কৰিছে।

ফিৰিস্তাসবো শুনি আচৰিত, এইনো বাৰু বতৰা কি?
সৰগবাসীও ভাবি হায়ৰাণ, ইয়াৰনো বাৰু ভেদ কি?
সৰগ উৰ্দ্ধত উৰাৰ শক্তিও মানুহে বাৰু পালে নেকি?
ধূলিকণায়ো গগণ-বিহাৰৰ শক্তি বাৰু পালে নেকি?
মাটিৰ মানুহ বাৰু অভদ্ৰ হয় কিদৰে?
পচ্ছাদগামী এই ধৃষ্টতাও তাৰ হ'ল কিদৰে?

নিজ জাতিৰ লোকসকললৈ ইকবালৰ এই অভিযোগ যে তেওঁলোকে নিজ ভুল-ত্ৰুটিবোৰৰ শুধৰণিৰ প্ৰতি অকণো ইচ্ছুক নহয়। ব্যক্তি যদি সন্ধানী নহয় তেনেহ'লে তেওঁ নিজ প্ৰয়োজনীয় মূল সত্যৰ সন্ধান কিদৰে কৰিব। সদ্‌গুণ যদি নেথাকে, তেনেহ'লে তেওঁ কিদৰে সৎ লোক হ'ব! দয়া নিবিচৰা মানুহজনে দয়া ক'ত পাব। সেয়ে ইকবালে নিজ জাতিটোৰ লোকসকলক বৰ্তমানৰ তেওঁলোকৰ অৱস্থাটোৰ পৰা উদ্ধাৰ পাবৰ বাবে মনোবৃত্তি আৰু ধ্যান-ধাৰণাক পৰিৱৰ্তন কৰিবলৈ কৈছে—

দয়াৰ অভিলাষী আমি, কিন্তু কোনো প্ৰাৰ্থী যে নাই,
পথনো বাৰু দেখুৱাম কাক, পথত যে কোনো যাত্ৰীয়েই নাই।
সাৰ্বজনীন শিক্ষা আমাৰ, লওঁতাহে কোনো নাই,
মানুহক যাৰে বনাব পাৰি, ইয়াত সেই মাটি যে নাই।
যোগ্য যদি পোৱা যায় কোনো, দিম তাক অপাৰ ৰাজ্য ধন,
সন্ধানি যদি পোৱা যায় কোনো, দিম তাক এক দুনিয়া নতুন।
ধৃষ্ট হ'ল এনে যে সি, আল্লাৰ উপৰেও হয় বিৰাজমান,
ফিৰিস্তায়ো যাক কৰিলে চিজদা, ই যে সেই ইনচান।
বিশ্বৰ যত তত্বকথা, মানুহৰ আছে সমূহ জ্ঞান,
বিনয়-তত্বৰ পৰাহে মাথো হৈ আছে অজ্ঞান।
বাক চাতুৰীৰ কি যে গৌৰৱ এই ইনচানৰ,
কথা কোৱাৰ কোনো ঢঙেই নাই এই নাদানৰ।

মুছলমানৰ সমাজখন আজি ঘাইকৈ দুটা শ্ৰেণীত বিভক্ত— দুখীয়া আৰু ধনী। ধনী শ্ৰেণীটোৱে লাহ-বিলাসত মতলীয়া হৈ আপোন পাহৰৈ হৈ থাকে। প্ৰভুৰ চিন্তাও মনলৈ যিদৰে আহিব লাগে সিদৰে নাহে। আৰ্থিকভাবে দুখীয়াসকলেহে মাথো প্ৰভুৰ ধ্যানত নিবিষ্ট থাকে। ইছলামৰ জীৱনটো যেন দুখীয়াৰ বাবেহে জীৱিত আছে—

মছজিদত গৈ শাৰী পাতি থিয় দিয়ে যি সি যে গৰীব,
ৰোজাৰ কষ্ট যি ৰমজানত সহে, সি যে গৰীব ক্ক
ৰাতিয়ে-দিনে নাম মোৰ লয় যি, সি যে গৰীব,
মান-সন্মান ৰাখিবলৈ তোমাৰ কষ্ট যি সহে, সি যে গৰীব।
ধনৱানে মোক গৈছে পাহৰি কেৱল ধনৰ নিচাত,
ইছলাম যদি জীৱিত আজি মাথো গৰীবৰ চেষ্টাত।

জাতিটোৰ মাজত আজি চিন্তাবিদসকলৰ অভাৱ ঘটিছে। নামত আছে যদিও তেওঁলোকৰ অভ্যন্তৰত পূৰ্বৰ সন্ত-সাধকসকলৰ জ্ঞান আৰু আদৰ্শ নাই। বাহ্যিক প্ৰদৰ্শনাৰ কিছুমান ৰীতি চৰ্চাৰ বাদে মূল আধ্যাত্মিকতাৰ ধ্যান অনুপস্থিত। বাহ্যিক ৰূপটো কোনো এটা ধৰণেৰে পৰিৱেশিত যদিও ভিতৰৰ মূল তত্ত্বসাৰৰ উপস্থিতি শূন্য। তাকেই ইকবালে স্পষ্টভাৱেই কৈছে—

জাতিৰ উপদেষ্টাৰ মাজে নাই যে চিন্তাৰ গভীৰতা আজিকালি,
স্বভাৱত নাই সেই তেজোদ্দীপনা, কথায়ো নিদিয়ে অগনি জ্বালি।
আজানৰ আৱাজ চৌদিশে আছে, নাই কিন্তু সেই আত্মা-বিলালী,
দৰ্শনৰ শাস্ত্ৰ আছে পৰি, নাই কিন্তু সেই প্ৰেৰণা গাজ্জালী।
মছজিদে আজি কৰিছে বিলাপ, নামাজী যে কোনো নাই,
সকলো গুণে পূৰ্ণ সেই হিজাজী যে আজি আৰু নাই।

ইকবালৰ দৃষ্টিত আজি কোনো যদি নামত মুছলমান, কিন্তু স্বভাৱগুণেৰে সেয়া পূৰ্বৰ দৰে নহয়। আধ্যাত্মিকতাৰ পৰা আঁতৰি যোৱাৰ বাবেই আজি তেওঁলোকৰ ব্যক্তিত্বৰ পৰা প্ৰকৃত ইছলাম অন্তৰ্ধান হৈছে। 'মুছলমান' শব্দটিৰ দ্বাৰা ইকবালে কোনো সম্প্ৰদায়ৰ কথা কোৱা নাই, কৈছে সত্য জ্ঞানেৰে পুষ্ট হৈ পৰম প্ৰভুত এক হৈ যোৱা সত্যৰ পথিকসকলক। সেই প্ৰভুভক্ত লোকসকল আছিল সৎ সাহসী আৰু সততাৰ গুণেৰে পুষ্ট। তাকেই ইকবালে কৈছে—

নিৰ্ভীক সেই মুছলমানৰ কথাৰ মাজে আছিল সততাৰ প্ৰাণ,
ন্যায় বিচাৰ আছিল প্ৰৱল, নাছিল তাৰ তোষামোদ জ্ঞান।
মুছলমানৰ স্বভাৱ বৃক্ষডাল লজ্জাৰ সাজেৰে নদন বদন,
মুছলমানৰ শৌৰ্য-বীৰ্যৰ কথা ভাবিও হৈছিল হাহাকাৰ চেতন।
ঢলঢলীয়া ৰঙা সুৰা আছিল সিহঁতৰ আত্ম-বিগলন,
মিনা কৰা সুৰাৰ পাত্ৰ আছিল সিহঁতৰ আত্ম-বিসৰ্জন।

আজিৰ মুছলমানৰ নৈতিকতাৰ পতন দেখি ইকবালৰ মন মৰ্মাহত। তেওঁলোকৰ মাজত আজি হজৰত আলীৰ (ৰাঃ) দৰে কোনো আদৰ্শবান লোক নাই। আল্লাৰ স'তে মিলন বিষয়বোৰৰ কোনো জ্ঞানেই নাই। অতি দুখেৰে ইকবালে ক'লে—

সকলোৰে দেখিছে আজি তোমালোকৰ যেন সুৰাৰ ৰাগিতহে মগন,
সঁচাই জানো তুমি মুছলমান, মুছলমানৰ জানো এয়ে ধৰণ?
আলীৰ দৰে দুখীয়া নাই, ওচমানৰ দৰেও নাই যে ধন,
বোপা-ককাৰ স'তে তোমালোকৰ আছে জানো কিবা আত্মাৰ মিলন?




মুছলমান হৈ তেওঁলোকে পালে বিশ্বজুৰি সন্মান,
পিতৃ ধৰ্মৰ অধিকাৰৰ পালানে তুমি তাৰ প্ৰমাণ।

আজিৰ মুছলমান আৰু তাহানিৰ মুছলমান, দুয়ো যেন আকাশ-পাতালৰ দৰে পৃথক। আগৰ মুছলমানৰ দৰে আজিৰ মুছলমানৰ জ্ঞানবোধো নাই কিম্বা নৈতিকতাও নাই। জগতে আজিৰ মুছলমানক তেওঁলোকৰ অৱনতিৰ বাবে সন্মানৰ চকুৰে নাচায়। পূৰ্বৰ মুছলমানৰ দৰে আজিৰসকলৰ দয়া বা উদাৰতা

**ডাঃ জাকিৰ হুছেইন**

গুণৰো অভাৱ। বিষয়টো ইকবালে এনেদৰে কৈছে—

তোমালোক হ'লা হিংস্ৰ প্ৰকৃতিৰ, তেওঁলোক আছিল দয়াৰ সাগৰ,
দোষী তোমালোক, দোষ বিচৰাই কাম; তেওঁলোক কিন্তু আছিল উদাৰ
তোমালোকৰ ইচ্ছা এটাই, সবাৰ ওপৰে আসন পোৱাৰ,
তাৰ বাবে যে প্ৰয়োজন প্ৰথমে এক নিৰোগী আত্মা হোৱাৰ।
তেওঁলোকৰ আছিল বাদশ্বাহী সিংহাসন, চীন সিংহাসনো তেওঁলোকৰে আছিল,
তোমাৰ মাথো কথাই সাৰ, হোৱা জানো তুমি গতিশীল।

অবাধ্যতা আৰু অজ্ঞতাৰ বাবে বিফলতা আৰু পৰিতক্ততাত জৰ্জৰিত নিজ ভাতৃগোষ্ঠীৰ এই দুৰ্দশা দেখি ইকবাল অতিশয় বিহ্বল হৈ পৰিল। তেওঁলোকৰ ভিতৰত সঞ্চিত জ্ঞান আৰু শক্তিৰ বিষয়ে তেওঁ তেওঁলোকক সোঁৱৰাই দিব খোজে। আধ্যাত্মিকতাৰ পুনৰ জাগৰণে তেওঁলোকক যে পুনঃ শুদ্ধ পথলৈ ঘূৰাই আনিব পাৰে তাকো তেওঁলোকক সোঁৱৰাই দিছে।

আনৰ দৃষ্টিৰ আঁৰত আছে তত্ত্ব তোমাৰ,
জগত সভাৰ প্ৰয়োজন আছে আজিও তোমাৰ।
কালৰ দেহক ৰাখে জীৱন্ত তোমাৰ উষ্ণতাই,
সম্ভাৱনাৰ নক্ষত্ৰতো আছে যে তোমাৰ ৰাজত্বই।
জিৰণিৰ বাবে সময় ক'ত? কাম যে এতিয়াও বহুত বাকী,
তৌহীদৰ নূৰক পূৰ্ণ কৰিবলৈ আছে যে এতিয়াও বহুত বাকী।

প্ৰতি মনুষ্যৰ অন্তঃভাগত আছে ঈশ্বৰপ্ৰদত্ত বিশেষ গুণ। পথভ্ৰষ্ঠতা আৰু অবাধ্যতাৰ বাবেই তেওঁলোকে নিজ প্ৰখ্যাতি হেৰুৱাই পেলোৱাৰ দৰে হয়। সুনামৰ সলনি দুৰ্নাম প্ৰকাশ্য হয়। কিন্তু পৰম একাগ্ৰতাৰে যদি নিজ সদগুণ আৰু নিষ্ঠাৰ প্ৰতি গুৰুত্ব দিয়ে, তেওঁলোকে পুনঃ নিজৰ হেৰোৱা পৰিচয় ঘূৰাই পাব পাৰে। প্ৰেমৰ দ্বাৰাহে জগত জয় কৰিব পাৰি। আল্লাৰ নূৰে মোহম্মদক উজ্জ্বলিত কৰাত সেয়া হৈ পৰিল নূৰ-এ-মোহম্মদ। আধ্যাত্মিক তত্ত্বৰে এই 'নূৰ-এ-মোহম্মদ' বোলা বিশেষত্বৰ জ্ঞান লাভ কৰি সেই আলোকেৰে আলোকিত হ'বলৈ ইকবালে আহ্বান কৰিছে।

বন্ধ পুষ্প কলিৰ দৰে, সিঁচৰতি হোৱা সমগ্ৰ বিশ্বত,
উদ্যান বায়ু হৈ পৰা, লৈ বিত্ত তোমাৰ কান্ধত।
হে ৰিক্ত। মৰুকণাৰ পৰা হৈ যোৱা তুমি মৰুভূমি বিশাল,
সুৰৰ কৰণিৰ পৰা হৈ যোৱা তুমি তুফান-কোলাহল।
পিৰিতিৰ শকতিৰে উচ্চ কৰা নিম্নস্থল,
মোহম্মদ-জ্যোতিক কৰি তোলা সমুজ্জ্বল।।

সমগ্ৰ জগতসমূহক আল্লাৰ ৰাজত্ব বোলা হয়। সমগ্ৰতাতে তেওঁৰ স্থিতি উপস্থিত। সমূহ জীৱ আৰু জড়ত তেওঁৰ নাম স্থিত থাকে। তেওঁৰ নামৰ উপস্থিতিতেই জীৱসমূহ জীৱন্ত আৰু স্পন্দিত। মহাপ্ৰভুৱে এই নামেৰেই নিজকে প্ৰকাশ্য কৰে। পৰম প্ৰভুৰ চিৰন্তন স্থিতি মূলতে যদিও অদৃশ্য বা গোপন, প্ৰকাশ্যতাৰ বাবেই তেওঁ নাম ববা 'ইচম' লৈ আহে। নাম বা 'ইচম' লৈ নাহিলে তেওঁ সদা অদৃশ্য হৈ থাকিব। তেওঁক এই নাম বা 'ইচম'ৰ মাধ্যমেৰেহে পোৱা যাব পাৰি।

এই গোলাপ যদি নেথাকিলহেঁতেন, বুলবুলেও গান নেগালেহেঁতেন,
ফুলৰ কলিবোৰে সময়ৰ বাগিচাত কাহানিও নেহাঁহিলেহেঁতেন ক্ক
যদিহে চাকি নেথাকিলেহেঁতেন, সুৰা আৰু ৰাগিও নেথাকিলেহেঁতেন,
তৌহীদৰ সভা যদি জগতত নেথাকিলহেঁতেন, তুমিওতো দুনিয়াত নেথাকিলাহেঁতেন ক্কক্ক
বিশ্ব সৌধ স্থিত এই নামেৰেই,
বিশ্ব ধমনিও স্থিত এই নামেৰেই।

আধ্যাত্মিকতাৰ মাধ্যমেৰে জাগ্ৰত হ'বলৈ ইকবালে নিজ স্বজাতিক আবেদন জনাইছে। প্ৰভুৰ নাম ল'বলৈ বিনতি জনাইছে। সেই এটি নামৰ সহায়েৰে তেওঁলোক জৰ্জৰিত আৰু ধ্বংসপ্ৰায় অৱস্থাৰ পৰা সক্ৰিয় আৰু সবল জাতিলৈ পৰিণত হ'ব পাৰিব তাকেই কৈছে। ধৰ্মৰ নামত চৰ্চা কৰি থকা কুসংস্কাৰসমূহ ত্যাগ কৰি প্ৰভুৰ নাম স্মৰণ আৰু ধৰণৰ দ্বাৰাহে যে শুদ্ধিপ্ৰাপ্ত হ'ব পাৰিব তাকেই সোঁৱৰাই দিছে। ইকবালৰ মতে সেই এটি নামতেই সকলো অস্তিত্ব স্থিত আছে। সেয়ে ইকবালে এই 'নামধৰ্ম' অৰ্থাৎ আধ্যাত্মিক ধ্যানমগ্নতাৰে নিজৰ হেৰোৱা বৈশিষ্ট্য পুনৰ আহৰণ কৰি ল'বলৈ আহ্বান জনাইছে।

'ছিকোৱা' আৰু 'জবাব-এ-ছিকোৱা' অৰ্থাৎ 'অভিযোগ' আৰু 'অভিযোগৰ উত্তৰ'—এই বিষয়টোৰ উত্থাপনা আৰু আলোচনাৰ মাধ্যমেৰে ইকবালে তেওঁৰ স্বজাতিটোৰ দুৰ্দশাৰ কাৰণবোৰ দেখুৱাই দি কি উপায়েৰে সেয়া নিৰ্মূল কৰি শুদ্ধিপ্ৰাপ্ত হৈ পুনৰ সঞ্জীৱিত হ'ব পাৰি তাকেই আঙুলিয়াই দিছে।

চুফী ইকবালে জাতিটোৰ দুৰ্দশাৰ মূল কাৰণ আধ্যাত্মিকতাৰ পৰা আঁতৰি যোৱাৰ বাবেই হোৱা বুলি কৈছে। সেয়ে ভাতৃ গোষ্ঠীটোক আধ্যাত্মিক তত্ত্বসাৰ আৰু ধ্যান চৰ্চালৈ উভতি আহিবলৈ আহ্বান কৰিছে। এইদৰে আত্মশুদ্ধি লাভ কৰিলে পুনঃ এই জাতিটোৱে সমগ্ৰ বিশ্বতে সন্মান আৰু প্ৰখ্যাতিপ্ৰাপ্ত হ'ব পাৰিব। সেয়ে ইকবালে শেষত এনেদৰে ক'লে—

বুদ্ধি তেমাৰ বৰ্ম্ম, প্ৰেম তোমাৰ চমকিত চমচীৰ।
দৰবেছ মোৰ ক্ক নিখিল বিশ্বত তুমিয়েই যেন জাহাংগীৰ।
আল্লাহ বাজে সকলো দংশন হ'ব
অগ্নিসম তোমাৰ তকবীৰ।
মুছলমান হোৱা যদি সঁচাকে তুমি
তকদীৰ তেনে তোমাৰ তদবীৰ
সঁচাই যদিহে তুমি ভক্ত মোহম্মদৰ
জানিবা তেনে ময়ো তোমাৰ।
নগণ্য এই পৃথিৱীনো কি?
লওহ ও কলমো তোমাৰ।
(চমশীৰ — তৰোৱাল;
জাহাংগীৰ — বিশ্ববিজয়ী;
তকবীৰ — প্ৰশংসা;
তকদীৰ — অদৃষ্ট য ভাগ্য;
তদবীৰ — চেষ্টা;
লওহ — 'লহহ-এ-মাহফুজ - সংৰক্ষিত ফলি;
কলম — প্ৰভুৰ বাণী লিখোতাজন)

*ফোন : ৯৮৬৪০২০৯৬৮*

# ঈশ্বৰ বা অদৃশ্য শক্তি যথাৰ্থতে নীৰৱ প্ৰকৃতি

## নদ-নদীৰ পানী বিশুদ্ধ কৰি ৰাখিলেহে নদী পূজণ হয়



**আছুতীয়া চিন্তা**

**জয়কান্ত শৰ্মা (কনিষ্ঠ)**

**মহাবিশ্বৰ** গ্ৰহ-নক্ষত্ৰ, চন্দ্ৰ-সূৰ্য, সাগৰ, পাহাৰ-পৰ্বত, নদী-নিজৰা, বায়ু-পানী মাটি সকলো মিলি হয় বিশ্বপ্ৰকৃতি। লক্ষ লক্ষ জীৱ-প্ৰজাতি, বৃক্ষ-গুল্ম, লতা-কুঞ্জ, মাছ-কাছ মহান আঁচনিৰ মহৎ সৃষ্টি। প্ৰকৃতিৰ অনিবাৰ্য অংশ বিশেষ।

প্ৰকৃতি দৰাচলতে এটা অনিৰুদ্ধ গতি। চিৰ আৱৰ্তনশীল বিশ্বৰ বিৱৰ্তন বা ক্ৰমবিকাশ ইয়াৰ প্ৰধান নীতি। প্ৰকৃতি সহনশীল, উদাৰ আৰু বিশাল। সজীৱ, সক্ৰিয় আৰু আকৰ্ষণশীলও। ই এটা বৃহৎ শৃংখলিত ব্যৱস্থাপনা, যিটোৰ পৰিচালনাৰ কৃতিত্বে ঈশ্বৰ বা অদৃশ্য শক্তিক দিয়া হয় যদিও যথাৰ্থ নহয়।

প্ৰকৃততে মহান পৰিকল্পনা পৰিচালনা কৰাৰ কৃতিত্ব চিৰশাশ্বত প্ৰকৃতিৰহে প্ৰাপ্য। বিশ্ব প্ৰকৃতিয়ে আঁচনি কৰি সৃষ্টিৰ পাতনি আৰম্ভিছে. পৰিচালনা কৰি গৈছে শৃংখলিত নিয়ম-নীতিৰে। প্ৰাকৃতিক নীতিৰে বিশ্ব প্ৰকৃতি চলি আছে হীন-ডেঢ়ি আৰু হেৰ-ফেৰ নোহোৱাকৈ।

'প্ৰেমত ঘূৰিছে ভূমণ্ডল, প্ৰেমত ফুলিছে শতদল।' বেজবৰুৱাই কোৱাৰদৰে প্ৰেম বা মায়া (আকৰ্ষণ)ৰ ফলত বিশ্ব ব্ৰহ্মাণ্ড ঘূৰিব লাগিছে। মায়া-মোহে (আকৰ্ষণে) সকলোকে শৃংখলিত কৰি ৰাখিছে? এটাৰ ওপৰত আনটো নিৰ্ভৰশীল হৈ মহাবিশ্বৰ মহান আঁচনিৰ আধাৰতে জৈৱ-বৈচিত্ৰ্য জীয়াই আছে লক্ষ কোটি বছৰ।

মানৱ জাতি (আদি মানৱ)ৰ উৎপত্তি, বিকাশ আৰু পূৰ্ণতা লাভ কৰাৰ আগতো জগতখন আজিৰ দৰে চলি আছিল। প্ৰকৃতিৰ মহান পৰিকল্পনা পৰিচালনা কৰাৰ বাবে ঈশ্বৰ এজনৰ প্ৰয়োজন মুঠেই হোৱা নাছিল। সৃষ্টিকৰ্তা বা ভাগ্য নিয়ন্তৰো দৰকাৰ নাই। আগতো নাছিল। পদাৰ্থৰ নিয়ম অনুসৰি বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টি হৈছে। বিশ্ব ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ সংস্কৰণ বা ক্ষুদ্ৰ অংশ আমাৰ পৃথিৱীখনো সৃষ্টি হৈছে সেই একে নিয়মেৰে। সেই একে শৃংখলাৰ মাজেৰে চলি আছিল, চলি আছে আৰু চলি থাকিব।

মানুহ নামৰ স্বাৰ্থপৰ, লুভীয়া আৰু আগ্ৰহী প্ৰজাতিটোৱে যদি সৃষ্টিৰ মহান আঁচনি উপলব্ধি কৰিব পাৰে আৰু অজ্ঞান-অবিবেচকৰ পৰিচয় দাঙি ধৰি প্ৰাকৃতিক নিয়ম বা শৃংখল ভংগ নকৰে তেতিয়াহ'লে হয়তো আৰু কে'বা লক্ষ বছৰ আমাৰ গ্ৰহটো (পৃথিৱী)ৰ জৈৱ-বৈচিত্ৰ্য জীয়াই থাকিব, অন্যথা আমাৰ বিনাশ কাল সমাগত বুলি ধৰাই ভাল হ'ব।

আমাৰ সন্দেহ হয় মানুহ যে আৰু কিছু কাল মানুহ হৈ থাকিব। আৰু সন্দেহ হয় পৃথিৱীখন যে বাসোপযোগী কৰি ৰাখিব। সম্ভৱতঃ নাৰাখিব।

মানৱ প্ৰজাতিৰ অকণমান বুদ্ধিৰ বিকাশ হোৱাৰ লগে লগে নীৰৱ প্ৰকৃতিৰ ছায়াময় নিস্তব্ধতা ভংগ কৰি মানুহে সভ্যতাৰ সৰ্বগ্ৰাসী অজগৰডাল আগবঢ়াই দিলে। ক্ষুধাতুৰ অজগৰে লোলুপ দৃষ্টিৰে আগবাঢ়ি আহি গ্ৰাস কৰি পেলালে ধৰিত্ৰীৰ চিৰসেউজীয়া সপোনবোৰ। ভাঙি-ছিঙি বাহিৰ হৈ আহিল প্ৰকৃতিৰ আঁৰ-বেৰ। প্ৰাকৃতিক শৃংখলো ভাঙে ভাঙে! তথাকথিত সভ্য-শিক্ষিত মানুহবোৰ আজিও অস্থিৰ, উচ্ছৃংখল কু-প্ৰবৃত্তিৰ কীটবোৰে মানুহৰ অন্তৰত বিলবিলাই আছে কু-মনোবৃত্তিৰ ঘুণ পোকে কুৰুকি কুৰুকি কামুৰি আছে সভ্য মানুহৰ মন, আত্মা আৰু চিন্তা মজ্জা।

এনেকুৱাই যদি হৈ থাকিবলৈ হয় মনুষ্যবোৰ মানুহ হ'ব কেতিয়া? আদিম প্ৰবৃত্তি, তেজৰ নিচা আৰু ৰক্ষণশীলতাৰ পৰা নিস্তাৰ পাব কেতিয়া? ধৰ্মান্ধতা, অস্পৃশ্যতা আৰু তীব্ৰ ঘৃণাৰ লেখীয়া তুচ্ছতাৰ বোকাত লেটি-পেটি হৈ হেজাৰ বছৰীয়া ধৰ্ম-পৰম্পৰা, অন্ধবিশ্বাস আৰু মন্ত্ৰ জপ কৰি থাকিলে জানো মানৱতাৰ পাঠ শিকা হ'ব? আমি জানো নিজকে সভ্য আৰু শিক্ষিত বুলি ক'ব পাৰিম? মুঠেই নোৱাৰিম।



ফুল-ফুলাৰ বহুদিন আগতে সাৰ-পানী নিদি, বাগিচাখন নসজাই সময়ত গৈ বাগিচাত গৈ ফুলৰ বাহাৰ, ৰং আৰু বিচিত্ৰতা চাব খুজিলে জানো গছ-লতা কুঞ্জই আমাক লাজ নিদিব? লাজ বা ধিক্কাৰ দিয়াৰে কথা। আমিনো শ্ৰেষ্ঠ জীৱ হৈ লজ্জিত হ'ব লাগে কিয়? প্ৰকৃতিৰ নিয়মক নুবুজা হৈ আছো কিয়।

সেয়ে শ্ৰেষ্ঠ জীৱ হিচাপে মনৰ উচ্চতা, চিন্তাৰ উচ্চতা আৰু কৰ্মৰ উচ্চতা আমি জীৱনক শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰাটোহে মানুহৰ প্ৰথম আৰু প্ৰধান কাম হ'ব লাগে। মন-চিন্তা-কৰ্মৰ নীচতাই আমাক নিশ্চয়কৈ মনুষ্যত্বৰ পৰা পশুত্বলৈ নমাব। আমি জানি-বুজি পশুনো হওঁ কিয়? ইতৰ পৰ্যায়ৰ চিন্তা-চৰ্চা কৰি, জঘন্য কৰ্মত প্ৰবৃত্ত হৈ আনক বৃহৎ মহৎ উপদেশ দিবলৈ গ'লে জগতে জানো মানি ল'ব? ধিক্কাৰ নিদিবনে? নিশ্চয় দিব।

অৱশ্যে আজিৰ ভোগ সৰ্বোচ্চ মানসিকতাৰ বিলাস-বহুল সময়ত সৃষ্টি বা প্ৰকৃতিৰ মহৎ আঁচনিৰ কথা আৰু নীৰৱতাৰ ভাষা বুজা মানুহ নাই বুলিলেই হ'ল, কাৰণ সহজে শিকিব পৰাকৈ প্ৰকৃতিয়ে মুখেৰে একো নকয়, এটা ইংগিতহে দি থয় মাত্ৰ। মানুহৰ কল্পনাৰ দেৱতাসকলৰ দৰে ঘনে ৰুষ্ট, ঘনে তুষ্ট নহয় প্ৰকৃতি। সহনশীল প্ৰকৃতিয়ে যিমান পাৰে মানুহৰ অন্যায়, অত্যাচাৰ আৰু লুণ্ঠন সহ্য কৰে। সহি থাকে আগ্ৰাসন, অধিগ্ৰহণ, ভূখনন ইত্যাদি।

এটা কথা সকলোৱে জানে যে গাই গৰুৰ ওহাৰখন বেছিকৈ টানি-আঁজুৰি, ঢাঁহি-মুহি থাকিলে দুগ্ধৰ সলনি ৰক্ত-মাংসহে বাহিৰ হ'ব। ৰক্ত মাংস বাহিৰ হোৱা বেদনাই সহনশীল প্ৰকৃতিৰ ধৈৰ্য হেৰুৱা অৱস্থাৰ সৃষ্টি কৰিব। সহ্যৰ সীমা পাৰ হ'লে দয়ালু প্ৰকৃতিও খঙাল হৈ উঠিব। তেতিয়াই মানুহৰ ওপৰত বৰ বৈয়াকৈ মাধমাৰ পৰিব।

ঈশ্বৰ বা ভগৱান ভাৱনাৰ বস্তু। প্ৰকৃতি চিৰ বাস্তৱ। প্ৰকৃতি সত্য-শিৱ-সুন্দৰ। প্ৰকৃতি অনাদি-অনন্ত। চিৰ সুন্দৰ প্ৰকৃতিৰ হাবি-বন, চৰাই-চিৰিকটি, মৌ-ভোমোৰা-পখিলা, মাছ, কাছ, গৰু-ছাগলী-ভেৰা মিলি হয় আৰু বেছি সুন্দৰ। চিৰশাশ্বত প্ৰকৃতিৰ মহত্তম অংশ বিশেষ বায়ু-পানী-মাটি। এই তিনি উপাদান শাস্ত্ৰত হয় ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰ। প্ৰকৃতিৰ এই তিনিমুক্ত সম্পদ বা উপাদান জীৱ আৰু জড়ৰ আধাৰ, আশ্ৰয় অৰু মুখ্য অৱলম্বন।

জীৱ-জন্তু, গছ-বিৰিখৰ বাবে বায়ু-যিমান দৰকাৰী পানীও সম পৰিমাণে প্ৰয়োজনীয়। এই সমস্ত জীৱ-জড়ৰ আশ্ৰয় আকৌ মাটি। মাটিয়ে ধৰিত্ৰী। জীৱৰ জন্ম, বৃদ্ধি আৰু বিকাশ ভূমিতেই সম্ভৱ। মাটি বা ভূমিহীন বায়বীয় নতুবা বৰফৰ গ্ৰহত জীৱৰ উৎপত্তি সম্ভৱ হ'ব নোৱাৰে।

আমাৰ গ্ৰহটো (পৃথিৱীখন) এনেকুৱা এটা গ্ৰহ য'ত মাটি, বায়ু পানীৰ অৱস্থান সমানুপাতিক হাৰত চিৰ বৰ্তমান। সূৰ্যৰ পৰা পোৱা তাপ আৰু পোহৰ গণতান্ত্ৰিক আৰু সমতাৰ ভিত্তিত চিৰ বিৰাজমান। সকলোৱে জানে যে সূৰ্যৰ পৰা লাভ কৰা প্ৰাকৃতিক পোহৰ আৰু তাপ অবিহনে পৃথিৱীত জীৱ জীয়াই থকাটো অসম্ভৱ।

সূৰ্য সৰ্ব শক্তিৰ আধাৰ। সূৰ্যৰ তাপ আৰু পোহৰ শক্তি পৃথিৱীৰ জীৱ জগতৰ কাৰণে প্ৰাণশক্তি। সূৰ্যৰ পৰা লাভ কৰা পৰ্যাপ্ত উত্তাপ, উষ্মতা আৰু ৰশ্মিৰ বাবেহে জীৱৰ প্ৰাণস্পন্দন, শৰীৰৰ বৃদ্ধি আৰু মানসিক বিকাশ সম্ভৱ হৈ উঠিছে। সৌৰ মণ্ডলৰ উপযুক্ত তাপ আৰু পোহৰ ব্যতিৰেকে শিলাময় নতুবা বৰফৰ পৃথিৱী এখনহে হয়তো কক্ষপথত পৰিভ্ৰমণ কৰি থাকিলহেঁতেন।

এনেবোৰ মুখ্য কাৰণতে সূৰ্যদেৱতাক আমি প্ৰাণভৰি ভাল পাব লাগে। বায়ুমণ্ডল প্ৰদূষণমুক্ত কৰি ৰাখিব লাগে। ভূমি পূজন, নদী পূজন ইত্যাদি অন্ধভাৱে কৰি হোম-যজ্ঞ, মন্ত্ৰপাঠৰে তালফাল লগালে সূৰ্য সেৱা, প্ৰকৃতি সেৱা বা বিশ্ব মানৱৰ মংগল সম্ভৱ হৈ উঠিব নোৱাৰে যদিহে প্ৰদূষণমুক্ত কৰি ৰাখিব নোৱাৰি।

নদী-সাগৰ. খাল-বিল, কুঁৱা-পুখুৰীৰ পানী পৰিষ্কাৰকৈ অৰ্থাৎ প্ৰাকৃতিক ৰূপত ৰাখিব পাৰিলেহে প্ৰকৃততে নদী পূজন কৰা হ'ব। তেনেদৰে ভূমিক তাৰ উৰ্বৰা শক্তি ধৰি ৰাখিব পৰাকৈ অপদ্ৰব্যৰ অপব্যৱহাৰ বন্ধ কৰিব লাগিব। কৃষকৰ বন্ধু, কেঁচু-কুমটি, উপকাৰী অণুজীৱ আদি ধ্বংস কৰা কাৰ্যৰ পৰা বিৰত থাকি সেইবোৰ বৃদ্ধি কৰাতহে মনোযোগ দিব লাগে।

কৃষকৰ বন্ধু, কেঁচু-কুমটি, লক্ষ লক্ষ ক্ষুদ্ৰ ক্ষুদ্ৰ অণুজীৱই হৈছে খেতিয়কৰ বাবে ভগৱান। অণুজীৱ, পখিলা-ভোমোৰা, মৌমাখি আদিয়ে কৃষকৰ ভাগ্য নিয়ন্তা। কেঁচু আৰু ক্ষুদ্ৰ ক্ষুদ্ৰ বেক্টেৰীয়াবোৰে মাটিৰ উৰ্বৰতা বৃদ্ধি কৰাই নহয় কোমল কৰিও ৰাখে। মাটিৰ মাজত ছিদ্ৰৰ সৃষ্টি কৰি সূৰ্যৰ তাপ, পোহৰ আৰু নাইট্ৰোজেন প্ৰৱেশ কৰাত সহায় কৰি উৎপাদন অধিক কৰাত বিশেষ অৰিহণা যোগায়।

চিৰ সুন্দৰ প্ৰকৃতিক আৰু অধিক সুন্দৰ কৰাত মৌ-মাখি পখিলা-ভোমোৰাৰ অৱদান নতুনকৈ কোৱাৰ প্ৰয়োজন নাই। পথাৰ-বাগিচাত জাকি মাৰি উৰি, ঘূৰি-ফুৰি ফুলৰ মৌ চুহি চুহি পৰাগযোগ ঘটাই ফুলৰ পৰা ফল উৎপাদন কৰাত মৌ-মাখি, পখিলা-ভোমোৰাৰ মানৱ সমাজলৈ যি মহৎ অৱদান তাক নুই কৰিব পৰা লোক এজনো নাই। তেনে মহৎ কাৰ্য কৰাৰ সাধ্য ঈশ্বৰো (?) নাই।

কেঁচু, উপকাৰী অণুজীৱ, মৌ-মাখি, পখিলা, ভোমোৰাই যদি নিৰ্দিষ্ট সময়ত নিজৰ কাম সমাধা নকৰিলেহেঁতেন কৃষকে কৃষি কাৰ্য এৰি হাত ধুই বহি যাব লাগিলহেঁতেন। হাবি-বননিতো এটাও ফল-মূল পোৱা নগ'লহেঁতেন।

এতিয়া চিন্তা কৰক! প্ৰকৃততে ঈশ্বৰ কোন? অদৃশ্য-অকৰ্মণ্য ঈশ্বৰৰ এই বিশ্বত কাম কি? অজ্ঞ লোকৰ মগজুত থকা ঈশ্বৰক ধৰ্মীয় বেপাৰীবোৰে বৃহৎ ব্যৱসায়ত ব্যৱহাৰ কৰি বৃহৎ পৰিমাণৰ ধন উপাৰ্জন কৰি আছে। ধৰ্ম গুৰুবোৰে মান-সন্মান, প্ৰভুত্ব ভোগ কৰি আছে নিৰাকাৰ-নিষ্ক্ৰীয় ভগৱানৰ দয়া-কৰুণা সাধাৰণ বা অজ্ঞ মানুহৰ ওচৰত বিক্ৰী কৰি।

ছাত্ৰ-ছাত্ৰী বুলিয়েই নহয় সকলো মানুহে নিৰ্বাচিত বিষয়বোৰ ভালদৰে শিকি বুজি লোৱাৰ উপৰি জ্যোতিৰ্বিজ্ঞান আৰু ভূগোলৰ জ্ঞান কিছু আয়ত্ত কৰি লোৱা অতি প্ৰয়োজন।

বিশাল আকাশ, সীমাহীন মহাকাশ আৰু মহাকাশত ঘটি থকা মহাজাগতিক ঘটনাবোৰ কিছু উমান ল'ব লাগে। দিনৰ মুক্ত আৰু নীল আকাশ, ৰাতিৰ তৰাখচিত মহাকাশলৈ মাজে মাজে দৃষ্টি নিক্ষেপ কৰি বিশালতা আৰু বিচিত্ৰতাৰো উমান ল'ব লাগে। মহাবিশ্বৰ লক্ষ-কোটি গ্ৰহ-নক্ষত্ৰৰ মাজত আমাৰ পৃথিৱী আৰু তাৰ বাসিন্দা মানুহৰ ক্ষুদ্ৰতৰ উপলব্ধি কৰা ভাল।

পৃথিৱীৰ পৃষ্ঠভাগৰ সাগৰ-মহাসাগৰৰ বিশালতা, হাবি-বননিৰ অটব্যতা, বিস্তৃত মৰুভূমিৰ মৃত ৰুক্ষতাৰ বুজ ল'ব লাগে। ফুট ল'ব লাগে দেশ-বিদেশ, জাতি-উপজাতি, তেওঁলোকৰ ভাষা, কলা-সংস্কৃতিৰ। পাৰিলে বিদেশ ভ্ৰমণ কৰিব লাগে। নোৱাৰিলে নিজৰ দেশখনৰে ৰাজ্যবোৰ পৰিভ্ৰমণ কৰি সেই সেই ৰাজ্য বা অঞ্চলৰ মানুহৰ লগত ভাব বিনিময়. কৰিব লাগে। তেনে কৰিলে গৰু খোজকে সমুদ্ৰ জ্ঞান কৰা ঠেক মনোবৃত্তি ভালেখিনি দূৰ হ'ব। ক্ষুদ্ৰ চিন্তা, ক্ষুদ্ৰ স্বাৰ্থ আৰু সংকীৰ্ণতা মনৰ পৰা আঁতৰিব।

ধৰ্মীয় আৰু পাৰম্পৰিক চিন্তাৰ বাহিৰত নতুন নতুন চিন্তা-চেতনা আমাৰ মগজুত প্ৰৱেশ কৰিব দিলে শ্ৰেষ্ঠ চিন্তাই মস্তিষ্কত ক্ৰিয়া কৰাৰ সুযোগ পাব নিশ্চয়। সেই শ্ৰেষ্ঠ চিন্তাই সামূহিকতাক সাঙুৰি সাৰ্বজনীনতাৰ ফালে আমাক লৈ যাব য'ত ক্ষুদ্ৰতাৰ স্থান নাই। ধৰ্মীয় চিন্তাই আমাক কাবু কৰি ৰাখিব নোৱাৰে।

ভূগোল আৰু সাহিত্যৰ ভাষা সাৰ্বজনীন। প্ৰকৃতিৰ ভাষাও সাৰ্বজনীন। সাহিত্যই সত্য কথাক সাহসেৰে প্ৰকাশ কৰাত উদ্‌গনি দি আহিছে। প্ৰকৃতিৰ ভাষাও সত্যৰ ওপৰত আধাৰিত, প্ৰকাশত মাৰ্জিত আৰু সাৰ্বজনীনভাৱে স্বীকৃত। প্ৰকৃতিৰ ভাষা আয়ত্ত কৰি, প্ৰকৃতিৰ নিয়মক অনুকৰণ কৰিলে 'মই বৰ' ভাবৰ পৰিৱৰ্তে আমি আৰু 'মোৰ মোৰ' ভাবৰ সলনি আমাৰ ভাব আহিব ধৰিব। বিশ্বৰ নাগৰিক হোৱাত সহায়ক হ'ব নিশ্চয়।

মানুহে যদি প্ৰকৃতিৰ মহান আঁচনিৰ আধাখিনিও বুজি পাই, উপলব্ধি কৰিব পাৰে আৰু নিজকে প্ৰকৃতিৰে অংশবিশেষ বুলি ভাবি ল'ব পাৰে তেতিয়া ধৰ্মীয় সংকীৰ্ণতা, ৰক্ষণশীলতা আৰু সাম্প্ৰদায়িকতাৰ ঊৰ্দ্ধত গৈ কাম কৰিব পাৰিব। মহান মানৱতাক সগৌৰৱে স্বীকৃতি দিবও পাৰিব।

প্ৰকৃতিৰ নিয়মক বুজি পোৱা, প্ৰকৃতিৰ পৰা শিক্ষা-জ্ঞান আয়ত্ত কৰা লোক এজনে আন সংস্কৰণ (জাত, ধৰ্ম, সম্প্ৰদায়)কো আপোন বুলি ভাবিবলৈ সময় নলয়। প্ৰকৃতিৰ সঁচা গণতান্ত্ৰিক নীতি,সমতা আৰু সৰলতাক উপলব্ধি কৰিব পৰা লোকজনে সকলো শ্ৰেণীৰ মানুহকে সমান চকুৰে চাব পৰা ক্ষমতা সহজে আয়ত্ত কৰিব পাৰে। নিজৰ জাত, ধৰ্ম বা সম্প্ৰদায়ক আনতকৈ উচ্চ, উন্নত বা সৰ্বশ্ৰেষ্ঠ বুলি ভাবি থকা অহংকাৰীজনেও সময়ত সেই চিন্তা পৰিত্যাগ কৰিব যেতিয়া তেওঁ প্ৰকৃতিৰ নিয়ম আৰু সৰল নীতিকে পৰম সত্য জ্ঞান কৰিব পাৰিব।

*ফোন : ৮৮২২১৮৮৬৭৯*

# অন্ত্যেষ্টিক্ৰিয়া

## মানৱ জীৱনৰ সৰ্বশ্ৰেষ্ঠ যজ্ঞ

**শশীপ্ৰভা দাস**

জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে বিশ্বৰ সকলো মানুহৰে অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰাৰ ৰীতি-নীতি ভিন্ন ভিন্ন। উল্লেখযোগ্য বিষয় হ'ল হিন্দু ধৰ্মাৱলম্বী লোকৰ বাহিৰে বিশ্বৰ কোনো ধৰ্মতে সম্ভৱ মৃতদেহ চিতাগ্নিত সমৰ্পণ কৰা ৰীতি নাই। ইয়াৰ অন্তনিৰ্হিত কাৰণ হ'ল—ভাৰতীয় ধৰ্ম, সভ্যতা, সংস্কৃতিত যজ্ঞই এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। বেদৰ সৃষ্টিকালৰ পৰা এতিয়ালৈকে আধ্যাত্মিক দেশ ভাৰতবৰ্ষত যজ্ঞৰ প্ৰচলন হৈ আহিছে। যজ্ঞৰ লগত মানৱ জীৱনৰ ওতঃপ্ৰোত সম্পৰ্ক আছে। উপনিষদত উল্লেখ আছে—'বিশ্ব এক সুবিস্তৃত যজ্ঞ। এই যজ্ঞৰ আহুতি দিবৰ বাবেই ভগৱানে মানৱক সৃষ্টি কৰিছে যাতে বিশ্বৰ গৰিমা অটুট থাকে।

মানৱ জীৱন দেৱৰো দুৰ্লভ বুলি কোৱা হয়। যি শক্তি বিশ্বব্ৰহ্মাণ্ডত সঞ্চালিত হৈ আছে, সেই শক্তি এই মানৱ দেহতো বিদ্যমান হৈ আছে। মানুহে অন্তৰ্মুখী হৈ নিজৰ ভিতৰত থকা দৈৱীশক্তি জাগ্ৰত কৰিব পাৰে। মানৱ শৰীৰ প্ৰকৃততে ঈশ্বৰীয় দান। শৰীৰটো এক চৈতন্য শক্তি আত্মাৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। আত্মা অতি সূক্ষ্ম জ্যোতিবিন্দু স্বৰূপ। আত্মা অজৰ অমৰ। আত্মা শৰীৰত থকালৈকেহে মানুহে চলা-ফুৰা কৰিব পাৰে, কৰ্মেন্দ্ৰিয়ৰ দ্বাৰা সকলো কাম কৰিব পাৰে। শৰীৰ ৰূপী বস্ত্ৰ এৰি আত্মা ওলাই গ'লেই শৰীৰক মৃত বুলি কোৱা হয়।

মানুহে সৎ কৰ্ম, সৎ চিন্তা, সৎ সংগ, আৰু সৰ্বশক্তিমানৰ লগত যোগযুক্ত হৈ থাকিলেহে দেৱত্ব প্ৰাপ্তি হ'ব পাৰে। মানৱৰ কল্যাণৰ অৰ্থে মহান কৰ্ম কৰি আদৰ্শ জীৱন যাপন কৰিব পাৰিলেহে মানুহৰ জীৱন সাৰ্থক হয়। তেনে দুৰ্লভ মানৱ জীৱন মৃত্যুৰ পাছত যজ্ঞত (চিতাগ্নি) আহুতি দিয়াৰ প্ৰথা বৈদিক যুগৰ পৰা চলি আহিছে। মানৱৰ কল্যাণ তথা বায়ুমণ্ডল বিশুদ্ধ আৰু প্ৰকৃতিক শুদ্ধ কৰাৰ বাবে ঋষি-মুনিসকলে অলেখ যজ্ঞ সম্পন্ন কৰি আহিছে। আৰু অন্ত্যেষ্টিক্ৰিয়াৰ দৰে যজ্ঞও পৰম্পৰা ক্ৰমে হিন্দুধৰ্মত চলি আহিছে।

অন্ত্যেষ্টিক্ৰিয়াই হ'ল মানৱ জীৱনৰ সৰ্বশ্ৰেষ্ঠ যজ্ঞ। মৃতদেহত অগ্নিসংস্কাৰ প্ৰকৃততে এক মহাযজ্ঞ স্বৰূপ। হিন্দু ধৰ্মত যজ্ঞক পৱিত্ৰ জ্ঞান কৰাৰ দৰে অন্ত্যেষ্টিক্ৰিয়াকো পৱিত্ৰ জ্ঞান কৰা হয়।

বিবাহৰ সময়ত হোম-যজ্ঞৰ কাষত দৰা-কইনাক বহুওৱাৰ আগতে দিনটো ব্ৰত-উপবাসে ৰাখি মাংগলিক কাৰ্য সমাপন কৰি মাহ-হালধিৰে গা ধুৱাই নৱবস্ত্ৰ পৰিধান কৰাইহে হোমৰ ওচৰত বহুওৱাৰ নিয়ম। সেইদৰে অন্তিম মহাযজ্ঞত মৃত ব্যক্তিগৰাকীক আহুতি দিয়াৰ আগতে অৰ্থাৎ চিতাত তোলাৰ আগতে ৰীতি-নীতিৰে মৃতকৰ দেহত মাহ-হালধি সানি ধুৱাই, গাত ঘিউ সানি শুভ বস্ত্ৰ পৰিধান কৰাই পুৰোহিতে মন্ত্ৰোচ্চাৰণ কৰাৰ লগে লগে আত্মীয়ই চিতাগ্নিত তুলি দিয়ে।



হোম-যজ্ঞত আম খৰি অপৰিহাৰ্য। সেইদৰে চিতা সজাওতে সামৰ্থ্য থকাসকলে চন্দন কাঠহে ব্যৱহাৰ কৰে। সাধাৰণতে অন্য কাঠেৰে চিতা সাজিলেও পৰাপক্ষত বট, আঁহত আদি কাঠৰ লগতে চন্দন কাঠো কিছু দিব পাৰে। যজ্ঞত ঘিউ ঢলাৰ দৰে অন্ত্যেষ্টিক্ৰিয়াতো ঘিউ ঢালি থাকে। যজ্ঞৰ বেদী সাজোতে যেনেকৈ ভূমি পূজন কৰা হয় বা ঠাইখিনি গোবৰ-মাটিৰে লিপি শুদ্ধ কৰি লোৱা হয়, সেইদৰে চিতাগ্নিৰ বাবে সাজু কৰা ভূমিও শুদ্ধ কৰি লোৱা নিয়ম।

অন্ত্যেষ্টিক্ৰিয়াত 'কপাল ক্ৰিয়া' পূৰ্ণাহুতি দিয়াৰ নিয়ম আছে। এয়া অতি গুৰুত্বপূৰ্ণ বিষয়। অন্ত্যেষ্টিক্ৰিয়া যেতিয়া মস্তিষ্ক অৰ্থাৎ মৃতকৰ মূৰটো জ্বলে তেতিয়া মস্তিষ্কৰ প্ৰতীক হিচাপে নাৰিকল আৰু ঘিউ ঢালি পূৰ্ণাহুতি দিয়ে। ইয়াৰ আধ্যাত্মিক কাৰণ হ'ল— মস্তিষ্ক হ'ল বিশ্বব্ৰহ্মাণ্ডৰ সকলো প্ৰকাৰৰ ৰহস্যময় জ্ঞানৰ ভাণ্ডাৰ। মস্তিষ্কক ছুপাৰ কম্পিউটাৰ বুলি ক'ব পাৰি। বিজ্ঞানী-মনোবিজ্ঞানীসকলে গৱেষণা কৰি মস্তিষ্কৰ অলেখ ৰহস্য আৰু অলৌকিক শক্তিৰ কথা উদ্‌ঘাটন কৰিছে। বিশ্বব্ৰহ্মাণ্ডত বিজ্ঞানীসকলে যিবোৰ অসম্ভৱ কাম কৰি আছে। সেয়া মস্তিষ্কৰ দ্বাৰাই কৰি আছে পূৰ্ণাহুতি দিওঁতে পুৰোহিতে মন্ত্ৰ মাতে আৰু মুখাগ্নি কৰাজনে কৰ্মখিনি কৰে। এই কৰ্মকাণ্ড কৰোতে সকলোৱে মৃতকৰ প্ৰতি শ্ৰদ্ধা ভক্তিসহকাৰে কৰিব লাগে। উল্লেখ্য যে কথা হ'ল মাংগলিক কাৰ্য কৰোতে যি যজ্ঞ কৰা হয়, সেই যজ্ঞতো পূৰ্ণাহুতি দিওঁতে নাৰিকলো দিয়া হয়। হোম-যজ্ঞ আৰু অন্ত্যেষ্টি যজ্ঞৰ নীতি-নিয়ম প্ৰায় একেই। অন্ত্যেষ্টিক্ৰিয়া সমাপ্ত হোৱাৰ পাছত সেই ঠাইত সকলোৱে এবাৰ শান্তি প্ৰাৰ্থনা কৰা নিয়ম—কাৰণ মৃতকে শৰীৰ এৰোতে যি দুখ-কষ্ট অনুভৱ কৰিছিল, দোষ-ত্ৰুটি হৈছিল সকলো দোষ ক্ষমা কৰিবলৈ ভগৱানক প্ৰাৰ্থনা কৰে লগতে বিদেহী আত্মাৰ শান্তিৰ হকেও প্ৰাৰ্থনা কৰে। এয়া অতি গুৰুত্বপূৰ্ণ মানিবলগীয়া নিয়ম।

অগ্নি সংস্কাৰৰ পাছত মৃত ব্যক্তি পঞ্চভূতত মিলি যায়। অন্ত্যেষ্টিক্ৰিয়াৰ সময়ত শ্মশানত থকা সকলো ব্যক্তিয়ে বিদেহী আত্মাৰ প্ৰতি শুভকামনা ৰাখিব লাগে। শেষত কৰ্মকাণ্ড শেষ হোৱাৰ পাছত অন্ত্যেষ্টিক্ৰিয়াত যোগদান কৰা সকলে বাহিৰে বাহিৰে গা-পা ধুই (

*ফোন : ৯৮৬৪০২২৭০৩*

# আঠ বছৰে মৰিগাঁও জিলাৰ পৰা খুঁটি নলৰা বিষয়াৰ কাণ্ডত অসন্তুষ্টি

## ■ উদ্যান শস্য বিষয়া উদ্ধৱ ডেকালৈ কাৰ দৰদ

অজিত শৰ্মা

**মৰিগাঁও, ৮ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলা কৃষি বিভাগৰ উদ্যান শস্য বিষয়াৰূপে কৰ্মৰত এজন বিষয়াৰ আজি আঠ বছৰে বদলিৰ নিৰ্দেশ নহাক লৈ প্ৰশ্ন উত্থাপন হৈছে বিষয়াজনলৈ কাৰ ইমান দৰদ। উদ্ধৱ ডেকা নামৰ কৃষি বিষয়াজনক নিৰ্বাচনৰ সময়তে বদলিৰ নিৰ্দেশ আহিব লাগে যদিও সেয়া তেওঁ কৌশলৰে মেনেজ কৰা বুলি অভিযোগ কৰিছে মৰিগাঁও জিলাৰ স্বেচ্ছাসেৱী সংগঠন গণকণ্ঠই। গণকণ্ঠৰ মতে তিনি বছৰ পাৰ হোৱা বিষয়াৰ তালিকাত ডেকাৰ নাম আয়োগলৈ প্ৰেৰণ নকৰে একাংশ বিষয়াই। আনহাতে, কৃষি সঞ্চালকৰ কাৰ্যালয়ৰ একাংশ বিষয়াক মেনেজ কৰি ডেকাই মৰিগাঁও জিলাত খুঁটি পুতি বহি লৈছে। ফলত উদ্যান শস্য কৃষকক কোনোধৰণে উৎসাহিত কৰাৰ উদাহৰণ নথকা বিষয়াজনক কৃষকে বদলিৰ দাবী কৰিলেও বিভাগীয় লোকে সেই দাবীক গুৰুত্ব প্ৰদান নকৰে। অভিযোগ মতে, এইজন উদ্যান শস্য বিষয়াই লাহৰীঘাট, মৈৰাবাৰী অঞ্চলৰ কৃষকৰ স'তেহে সম্পৰ্ক ৰক্ষা কৰি চলে আৰু জাগীৰোড তথা মৰিগাঁও সমষ্টিৰ কৃষকৰ স'তে কথা পতাৰ বাবে তেওঁৰ সময় নাই। বিধানসভা নিৰ্বাচনৰ পূৰ্বে থকা জিলা কৃষি বিষয়া জনৈক পাতিৰিয়ে তেওঁক উদ্যান শস্য বিভাগত গজগজীয়াকৈ বহাই থৈ গৈছে আৰু তাৰ পাছত ডেকাৰ চকী লৰা নাই। উল্লেখ কৰি অহা হৈছে যে এইজন উদ্যান শস্য বিষয়াই কেৱল লাহৰীঘাট আৰু মৈৰাবাৰীৰ হিতাধিকাৰীক সন্তুষ্ট কৰাতে ব্যস্ত আছে। বৰ্তমানৰ চৰকাৰে যুৱ কৃষকসকলক উদ্যান শস্য আৰু কৃষি কৰ্মৰে স্বাৱলম্বী হ'বলৈ আহ্বান জনাই আহিলেও ডেকাই কৃষকক উৎসাহিত কৰাতকৈ নিৰুৎসাহিত কৰাৰহে উদাহৰণ অধিক বুলি গণকণ্ঠই অভিযোগ কৰিছে। আনহাতে, কৃষি মন্ত্ৰীজন অগপ দলৰ হোৱা বাবে এইজন বিষয়াই অগপৰ দুজন মান নেতাৰ স'তে সঘনাই কৃষিমন্ত্ৰীৰ স'তে যোগাযোগ ৰক্ষা কৰাৰ কথাও চৰ্চালৈ আহিছে। এনে সময়ত জিলাখনৰ উদ্যান শস্যৰ কৃষকসকলৰ স্বাৰ্থত বিষয়াজনক মৰিগাঁও জিলাৰ পৰা বদলিৰ দাবী উত্থাপন হৈছে। এই বিষয়ত মন্ত্ৰী পীযুষ হাজৰিকা, মৰিগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্ত তথা বিধায়ক ৰমাকান্ত দেউৰীৰ বলিষ্ঠ ভূমিকা সকলোৱে আশা কৰিছে। প্ৰসংগত উল্লেখ্য যে কৃষি বিভাগৰ মদতপুষ্ট দুই এক কৃষক সংগঠনৰো ডেকালৈ আছে দৰদ। অভিযোগ উঠিছে যে এনে কৃষক সংগঠনৰ জৰিয়তে ডেকাই ক্ষমতাশালী হোৱাৰ লগতে তেওঁক কোনেও বদলি কৰিব নোৱাৰে বুলিও দম্ভালি মাৰি ফুৰিছে। সেয়েহে মৰিগাঁও জিলাৰ কৃষক ৰাইজে বিষয়টোত অসমৰ মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ কামনা কৰিছে আৰু বিষয়াজনক অতি শীঘ্ৰে মৰিগাঁও জিলাৰ পৰা বদলি কৰিবৰ বাবে দাবী জনাইছে।

# ৩৭ সংখ্যক ৰাষ্ট্ৰীয় চকুদান পষেক উপলক্ষে সজাগতা সভা সম্পন্ন



অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৮ ছেপ্টেম্বৰ ঃ** ৩৭ সংখ্যক ৰাষ্ট্ৰীয় চকুদান পষেক উপলক্ষে ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন নলবাৰী জিলা অন্ধতা নিয়ন্ত্ৰণ আৰু দৃষ্টিহীনতা আঁচনিৰ সৌজন্যত নলবাৰী ছহিদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয় প্ৰেক্ষাগৃহত যোৱা ছয় ছেপ্টেম্বৰত এখন সজাগতা সভা অনুষ্ঠিত হয়। চকু বিশেষজ্ঞ ডাঃ ৰূপেশ্বৰ বৈশ্যই আঁত ধৰা সজাগতা সভাত বিশিষ্ট চকু বিশেষজ্ঞ তথা অন্ধতা নিয়ন্ত্ৰণ সমিতিৰ আঁচনি বিষয়া তথা ডাঃ অৰুণ বৰ্মনে চকু দানৰ লক্ষ্য আৰু উপকাৰিতা সম্পৰ্কে বৈজ্ঞানিক বিশ্লেষণ আগবঢ়ায়। সভাত নলবাৰী জিলা পৰিষদৰ সভাপতি নিতুল ডেকাই কয় যে চকুদানৰ ফলত এজনৰ পৰা দুজন অন্ধ ব্যক্তিয়ে দৃষ্টি ঘূৰাই পায়, সক্ষম জীৱন নিৰ্বাহ কৰিব পাৰে। অনুষ্ঠানত বিশিষ্ট চিকিৎসক ডাঃ উমেশ চক্ৰৱৰ্তীয়ে কয় যে এজন মৃত ব্যক্তিৰ চকুৰে দুজন অন্ধ ব্যক্তিক জীৱনৰ বাবে দৃষ্টি দিয়ে। অনুষ্ঠানত নলবাৰী জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ উমেশ ফাংচু, নলবাৰী অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ বলেন্দ্ৰ নাৰায়ণ ডেকা, নাক-কাণ বিভাগৰ বিশেষজ্ঞ চিকিৎসক ডাঃ কামেশ্বৰ লহকৰ, চকু বিশেষজ্ঞ ডাঃ জয়ন্ত তামুলী আদিয়ে চকুদানৰ মহত্ত্ব আৰু উপকাৰিতাৰ ওপৰত ভাষণ ৰাখে। সজাগতা সভাত ডাঃ ৰমেশ চন্দ্ৰ ভট্টাচাৰ্য, ডাঃ কমলদেৱ গোস্বামী, ডাঃ দুৰ্লভ পাঠক, ডাঃ প্ৰদীপ কুমাৰ, ডাঃ দ্বীপেন দাস, ডাঃ কৈলাশ ডেকা, ডাঃ ৰূপজ্যোতি পাটোৱাৰী, ডাঃ দিপুল দাস, ডাঃ গোকুল পাটোৱাৰী, মেট্ৰন দীপা বৰ্মন, সৰলা ডেকাসহ প্ৰায় দুই শতাধিক ৰাইজ আৰু স্বাস্থ্যকৰ্মী উপস্থিত থাকে। উল্লেখ্য যে প্ৰতিবছৰে নেত্ৰদানৰ প্ৰয়োজনীয়তা আৰু সজাগতা সৃষ্টিৰ বাবে ২৫ আগষ্টৰ পৰা আঠ ছেপ্টেম্বৰলৈ সজাগতা নেত্ৰদান পষেক অনুষ্ঠিত হৈ আহিছে।

# বিশ্বনাথ মহাবিদ্যালয়ত উলহ-মালহৰে প্ৰতিষ্ঠা দিৱস পালন



অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৮ ছেপ্টেম্বৰ ঃ** বিশ্বনাথ মহাবিদ্যালয়ত কালি দিনজোৱা কাৰ্যসূচীৰে ৬৩ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। অনুষ্ঠান আৰম্ভ কৰা হয় পতাকা উত্তোলনেৰে। মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি অভিযন্তা কোকিল হাজৰিকাই পতাকা উত্তোলন কৰাৰ পাছতে বন্তি প্ৰজ্বলন কৰে বিশ্বনাথ বিধানসভা সমষ্টিৰ সদস্য প্ৰমোদ বৰঠাকুৰে। বৰঠাকুৰে মহাবিদ্যালয়ৰ অতীত গৰিমা ব্যাখ্যা কৰি অনুষ্ঠানটোৰ উত্তৰোত্তৰ প্ৰগতি কামনা কৰে। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী হিচাপে মহাবিদ্যালয় চৌহদত বৃক্ষৰোপণ কৰে ক্ৰমে বিশ্বনাথ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ৰমানন্দ বৰা, শৈক্ষিক বিষয়াদ্বয় স্মৃতিৰেখা বৰা আৰু অজিত দত্তই। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয় প্ৰেক্ষাগৃহত মূল সভা অনুষ্ঠিত হয়। অভিযন্তা কোকিল হাজৰিকাই সভাপতিত্ব কৰা সভা বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে বিশ্বনাথ বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী প্ৰবীণ হাজৰিকা, বিশ্বনাথ কলেজ প্ৰাক্তন সতীৰ্থ সন্থাৰ সভাপতি অপূৰ্ব কুমাৰ দাস, পৰিচালনা সমিতিৰ সদস্যা চন্দনা লাহন গগৈ আৰু পৰিচালনা সমিতিৰ দাতা সদস্য বীৰেন ভাগৱতী। শিক্ষক-কৰ্মচাৰীবৃন্দ আৰু সাত শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থকা মূল সভা জাতীয় সংগীতেৰে আৰম্ভ হয়। আদৰণি ভাষণ প্ৰদান কৰে বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চিন্তামণি শৰ্মাই। শৰ্মাই তেওঁৰ ভাষণত মহাবিদ্যালয়ৰ বিদ্যায়তনিক আৰু সহ বিদ্যায়তনিক উভয় দিশৰ ওপৰত আলোকপাত কৰি মনোজ্ঞ বক্তৃতা আগবঢ়ায়। বিশিষ্ট অতিথি প্ৰবীণ হাজৰিকাই তেওঁৰ বক্তব্যত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰ প্ৰতিষ্ঠাপক ব্যক্তিসকলৰ অৱদানৰ ওপৰত বক্তৃতা আগবঢ়ায়। সভাপতিৰ বক্তব্যত অভিযন্তা কোকিল হাজৰিকাই মহাবিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নত পৰিচালনা সমিতিয়ে কৰা কাম সম্পৰ্কে মত আগবঢ়ায়। বিশ্বনাথ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° নৰেশ ঠাকুৰে আঁত ধৰা অনুষ্ঠানত শিক্ষক কৰ্মচাৰী প্ৰমুখ্যে কৰি ছাত্ৰ একতা সভাৰ বিষয়ববীয়াই পূৰ্ণ সহযোগিতা আগবঢ়ায়। প্ৰতিষ্ঠা দিৱসৰ লগতে সংগতি ৰাখি মহাবিদ্যালয়ৰ অনা শিক্ষক-কৰ্মচাৰীৰ বৃত্তিগত দক্ষতা বৃদ্ধিৰ প্ৰশিক্ষণ দিয়াৰ এক সুব্যৱস্থা গ্ৰহণ কৰা হয়। এই অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে ছয়দুৱাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, সুসাহিত্যিক ড° অঞ্জন ওজা। উল্লেখ্য যে প্ৰতিষ্ঠা দিৱসৰ অন্যতম কাৰ্যসূচী হিচাপে মহাবিদ্যালয়ৰ ছাত্ৰ সংসদে সন্ধিয়া মহাবিদ্যালয় চৌহদত সমূহীয়াভাৱে বন্তি প্ৰজ্বলন কৰে। উত্তৰ অসমৰ অগ্ৰণী অনুষ্ঠান বিশ্বনাথ মহাবিদ্যালয়ৰ এনে যোগাত্মক পদক্ষেপৰ স্থানীয় সমাজে শলাগ লৈছে।

# ঘৰে ঘৰে গৈ অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীক জনালে সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**পলাশবাৰী, ৮ ছেপ্টেম্বৰ ঃ** দেশৰ লগতে ৰাজ্যখনত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিনৰ দিনা শিক্ষক দিৱস পালন কৰাৰ সময়ত বিয়লি এক নম্বৰ পলাশবাৰী মণ্ডলৰ অন্তৰ্গত অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীৰ ঘৰে ঘৰে গৈ মণ্ডলৰ সভাপতি বিমল কলিতা আৰু সম্পাদক প্ৰদীপ কুমাৰ ঠাকুৰীয়াৰ স'তে শিক্ষকৰ এটি সঁজাতী দলে প্ৰায় ১০ গৰাকী শিক্ষকক ফুলাম গামোচা, ফুলৰ থোপা আৰু এটি জাপিৰে সম্বৰ্ধনা জনায় । এক নম্বৰ মণ্ডলৰ অন্তৰ্গত অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীসকলক অনাগত দিনত এনেদৰে ঘৰলৈ গৈ সম্বৰ্ধনা জনোৱা হ'ব বুলি সভাপতি বিমল চন্দ্ৰ কলিতাই জানিবলৈ দিয়ে। সম্বৰ্ধনা অনুষ্ঠানত মণ্ডলৰ সদস্য ক্ৰমে অনিল কলিতা, নিৰ্মল তালুকদাৰ, অখিল কলিতা, নিৰস মালী, বলেন কুমাৰ বৈশ্য, প্ৰদীপ কুমাৰ দাস আদি উপস্থিত থাকে ।

## বিশ্বনাথত পৌৰসভাৰ অভিযান

# অনুজ্ঞাপত্ৰবিহীন, কৰ পৰিশোধ নকৰা কে'বাখনো ব্যৱসায়িক প্ৰতিষ্ঠানত ওলমালে তলা

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৮ ছেপ্টেম্বৰ ঃ** বিশ্বনাথ নগৰত কালি বিশ্বনাথ চাৰিআলি পৌৰসভাই অভিযান চলায়। কৰ পৰিশোধ নকৰা আৰু অনুজ্ঞাপত্ৰবিহীন তথা নবীকৰণ নকৰা কে'বাখনো ব্যৱসায়িক প্ৰতিষ্ঠানত অভিযানকাৰী দলে ওলোমায় তলা। অভিযানকালত বিশ্বনাথ চাৰিআলি পৌৰসভাৰ অমৰজ্যোতি বৰঠাকুৰ, কাৰ্যবাহী বিষয়া দেৱাশীষ গোস্বামীসহ আৰক্ষী আৰু অৰ্থসামৰিক বাহিনী উপস্থিত থাকে। ইফালে, শীঘ্ৰেই পৌৰসভাৰ অনুমতি নথকা বহু বাসগৃহৰ বিৰুদ্ধে পৌৰসভাই অভিযান চলাব।

# দিচাংমুখত উচ্চ শিক্ষানুষ্ঠান গঠনৰ সভা

অগ্ৰদূত বাৰ্তা

**দিচাংমুখ, ৮ ছেপ্টেম্বৰ ঃ** বৃহত্তৰ দিচাংমুখ অঞ্চলত এখন উচ্চ শিক্ষানুষ্ঠান গঠন কৰাৰ বাবে অহা ১৮ ছেপ্টেম্বৰত দিনৰ এক বজাত দিচাংমুখ উচ্চ মাধ্যমিক বিদ্যালয়ত এখন ৰাজহুৱা সভাৰ আহ্বান কৰা হৈছে। সভাত সকলো ৰাইজৰ উপস্থিতি একান্তই কামনা কৰিছে আহ্বায়ক মণ্ডলীয়ে।

# সাংবাদিক আক্ৰমণ ঘটনাৰ আপকুৰ গৰিহণা

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ৮ ছেপ্টেম্বৰ ঃ** গুৱাহাটী কমাৰ্চ কলেজৰ সন্মুখত সাংবাদিক বণজিৎ ঠাকুৰীয়াক আক্ৰমণ কৰা ঘটনাক আপকুৰ যোৰহাট জিলা সমিতিয়ে তীব্ৰ গৰিহণা দিয়াৰ লগতে দোষীক কঠোৰ শাস্তি প্ৰদানৰ বাবে ৰাজ্য চৰকাৰৰ গৃহ বিভাগক দাবী জনাইছে। আক্ৰমণত আহত সাংবাদিক ঠাকুৰীয়াৰ আশু আৰোগ্য কামনা কৰিছে আপুকুৰ যোৰহাট জিলা সমিতিয়ে।

# দিচাংমুখত মিচিং যুৱ মহোৎসৱৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**দিচাংমুখ, ৮ ছেপ্টেম্বৰ ঃ** অহা জানুৱাৰীত দিচাংমুখত অনুষ্ঠিত হ'বলগীয়া পঞ্চম সংখ্যক মিচিং যুৱ মহোৎসৱৰ অভ্যৰ্থনা সমিতিখন গঠন কৰাৰ উদ্দেশ্যে যোৱা চাৰি ছেপ্টেম্বৰত দিচাংমুখৰ বিক্ৰম সিং য়েইন সোঁৱৰণী ভৱনত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। তৰুণ মিলি, দীনেশ পাংগিং, নিভা পেগু, গিৰিচন দলে আৰু ললিত পাংগিং সভাপতি মণ্ডলীয়ে পৰিচালনা কৰা সভাখনত ইন্দ্ৰ চুংক্ৰাং, ভুৱন পেগু, একলব্য গাম, পংকজ বৰুৱা, মনোজ কুমাৰ গগৈ, মুস্তাফা খান আদিয়ে ভাষণ প্ৰদান কৰা সভাত মিচিং দৃৰবৃ কৌবাঙৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি অশ্বিনী কুমাৰ দলেক সভাপতি, তৰুণ মিলিক কাৰ্যকৰী সভাপতি, দীনেশ পাংগিঙক সম্পাদক আৰু অৰিনাম পাংগিঙক কোষাধ্যক্ষ হিচাপে লৈ মিচিং যুৱ মহোৎসৱ উদ্‌যাপন কৰাৰ বাবে এখন শক্তিশালী সমিতি গঠন কৰা হয়।

# ছহিদ দিৱস উপলক্ষে সদৌ অসম ভিত্তিত ৰচনা প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

**জালাহ, ৮ ছেপ্টেম্বৰ ঃ** প্ৰাচীন বজালী ঐতিহ্য সংহতি সুৰক্ষা সমিতিৰ উদ্যোগত আৰু জালাহ শাখা সাহিত্য সভাৰ সহযোগত চলিত মাহৰ ২৪ আৰু ২৫ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে '৪২ৰ ভাৰত ত্যাগ আন্দোলনৰ ছহিদ মদন বৰ্মন আৰু ৰাউতাৰাম কোচৰ ৮০ সংখ্যক ছহিদ দিৱস বাগ্‌সাৰ জালাহত অনুষ্ঠিত হ'ব । এই উপলক্ষে ছাত্ৰ- ছাত্ৰীসকলৰ মাজত সদৌ অসম ভিত্তিত এখন ৰচনা প্ৰতিযোগিতাও অনুষ্ঠিত হ'ব। উচ্চতৰ মাধ্যমিকৰ পৰ্যায়ৰ পৰা স্নাতকোত্তৰ পৰ্যায়ৰ সকলো ছাত্ৰ- ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব পৰা এই ৰচনা প্ৰতিযোগিতাৰ বিষয়বস্তু হ'ব '৪২ৰ ভাৰত ত্যাগ আন্দোলন ঃ বজালী অঞ্চলৰ অৱদান । উল্লেখ্য যে ৰচনা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা প্ৰতিযোগীসকলে অসমীয়া মাধ্যমত **১৫০০** ৰ পৰা **২০০০** শব্দৰ ভিতৰত ডি টি পি কৰি পি ডি এফ ফাইল হিচাপে prashinbajali@gmai.comই-মেইল আইডি লৈ ৰচনা প্ৰেৰণ কৰিব লাগিব । উল্লেখ্য যে ৰচনা প্ৰেৰণ কৰা অন্তিম তাৰিখ হৈছে **১৮** ছেপ্টেম্বৰ, **২০২২** । ৰচনা প্ৰতিযোগিতাত বিজয়ী প্ৰতিযোগীক প্ৰথম পুৰস্কাৰ হিচাপে নগদ পাঁচ হেজাৰ টকা, দ্বিতীয় পুৰস্কাৰ হিচাপে নগদ তিনি হেজাৰ, তৃতীয় পুৰস্কাৰ হিচাপে নগদ দুই হেজাৰৰ উপৰি একোখনকৈ মানপত্ৰ আৰু এটা ট্ৰফীও প্ৰদান কৰা হ'ব। প্ৰতিযোগীসকলে নিজৰ কলেজ, বিশ্ববিদ্যালয় বা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচয় পত্ৰ, পাছপ'ৰ্ট ফটো আৰু যোগাযোগ নম্বৰো সংলগ্ন কৰি দিব লাগিব বুলি উদ্যোক্তাসকলে জনাইছে । সবিশেষ জানিবলৈ ইচ্ছুক প্ৰতিযোগীসকলে **৯৫৭৭৩৩৭৮১৬** নম্বৰত যোগাযোগ কৰিব পাৰে। উল্লেখ্য যে প্ৰতিযোগিতাখনে ছাত্ৰ- ছাত্ৰীসকলৰ মাজত অধ্যয়নৰ স্পৃহা জাগ্ৰত কৰাৰ লগতে ছহিদ দুগৰাকীৰ বিষয়ে ৰাইজৰ মাজত সজাগতা বৃদ্ধি কৰিব বুলি উদ্যোক্তাসকলে আশা প্ৰকাশ কৰিছে ।

# গোৱালপাৰাৰ মৈজংগা চাহ বাগানত কৰম পূজা উদ্‌যাপন



অগ্ৰদূত বাৰ্তা

**কৃষ্ণাই, ৮ ছেপ্টেম্বৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে গোৱালপাৰা জিলাৰ মৈজংগা চাহ বাগান আঞ্চলিক কৰম উৎসৱ উদ্‌যাপন সমিতিৰ উদ্যোগত এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয় 'কৰম পূজা' উৎসৱ। এইবেলি অষ্টম বৰ্ষত পদাৰ্পণ কৰা মৈজংগা কৰম পূজাস্থলীত হেজাৰ হেজাৰ লোকৰ সমাগম ঘটে। উদুলি-মুদুলি পৰিবেশে বিৰাজ কৰে পূজা উৎসৱস্থলী। উল্লেখ্য যে অসমৰ চাহ জনগোষ্ঠীৰ লোকসকলে পালন কৰা কৰম পূজাক এক ঊৰ্ব্বৰতাৰ পৰ্বৰূপে ক'ব পাৰি। কিয়নো শ্ৰমজীৱী চাহ শ্ৰমিকসকলে কৃষি তথা ঊৰ্বৰতাৰ প্ৰতীকৰূপে এই কৰম পূজা পালন কৰে। সকলো ৰাইজে যাতে কোনো অসুবিধা নোহোৱাকৈ কৃষিকাৰ্য কৰিব পাৰে আৰু শস্য যাতে নদন-বদন হয়, এই উদ্দেশ্যেৰেই কৰম পূজা পালন কৰা হয়। কৰম পূজাত আদিবাসী লোকসকলে আদিম যুগৰে পৰা পৰম্পৰাগতভাৱে এডাল বৃক্ষক পূজা কৰে আৰু সেয়ে বহুতে কৰম পূজাক 'বৃক্ষ পূজা' বুলিও অভিহিত কৰে। এই পূজাত সকলোৱে দেৱতাৰ চৰণত সেৱা জনাই দেশ তথা দহৰ মংগলৰ হকে প্ৰাৰ্থনা জনায়। প্ৰণিধানযোগ্য যে এই উৎসৱৰ লগত সংগতি ৰাখি প্ৰতিবছৰে উৎসৱস্থলীত সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়। এইবেলি মৈজংগা কৰম পূজাত আয়োজিত সাংস্কৃতিক অনুষ্ঠানৰ মঞ্চ মুকলি কৰে ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই। অনুষ্ঠানত কে'বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ লগতে জাতীয় দল-সংগঠনৰ ছাত্ৰ নেতাসকলো উপস্থিত থাকে।

# হাজোৰ দলৈটোলাত প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা সপ্তাহৰ সামৰণি অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**হাজো, ৮ ছেপ্টেম্বৰ ঃ** ৰক্তহীনতা, পুষ্টিহীনতা নিৰ্মূলাৰ্থে সজাগতা সৃষ্টিৰ বাতাবৰণ। যোগাভ্যাষ, পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ সেউজী সংকল্পৰে এখন সুস্থ সমাজত প্ৰতিগৰাকী শিশুকে সু-নাগৰিকৰূপে গঢ় দিয়াৰ লক্ষ্যৰে কালি হাজোৰ দলৈটোলা অংগনবাড়ী কেন্দ্ৰত ৰাষ্ট্ৰীয় পোষণ মাহ ২০২২ উপলক্ষে প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা সপ্তাহৰ এটি সামৰণি অনুষ্ঠান সম্পন্ন হয়। অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ অন্তৰ্গত হাজো সংহত শিশু উন্নয়ন প্ৰকল্পৰ উদ্যোগত বৰ্ণি ন চক্ৰৰ সহযোগত সম্পন্ন হোৱা কালিৰ এই অনুষ্ঠানত মাতৃ বন্দনা যোজনা সপ্তাহ উপলক্ষে সজাগতামূলক শোভাযাত্ৰা, পঞ্চামৃত, অন্নপ্ৰাসন, গীত, নৃত্য অভিনয় শৈলী, বাটৰ নাট, নাম-প্ৰসংগ পৰিৱেশনৰ যোগেদি প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা সপ্তাহ উদ্‌যাপনৰ শীৰ্ষক কাৰ্যসূচী ৰূপায়ণ কৰে। অনুষ্ঠানৰ আঁত ধৰে মুখ্য সেৱিকা চাৰ্য ঠাকুৰীয়াই। কাৰ্যসূচীত মাতৃ ৰথ, পুষ্টি ৰথ, শক্তি ৰথৰ যাত্ৰাৰে পৰিষ্কাৰ-পৰিচ্ছন্নতা মানি চলা, আইৰন সেৱন, প্ৰেৰণ সেৱা আদি বিভিন্ন বিষয়ৰ ওপৰত গৰ্ভৱতী শিশু প্ৰসূতি মাতৃসকলক সজাগ কৰাৰ লগতে পৰিপুৰক পুষ্টিকৰ খাদ্যাভ্যাস সম্পৰ্কে তৃণমূল পৰ্যায়ত ল'বলগীয়া যতন সন্দৰ্ভত বক্তব্য দাঙি ধৰে। অনুষ্ঠানত শিশুসকল আৰু মাতৃসকলৰ পৰিপুষ্টি আহাৰৰ নিদৰ্শনৰূপে ভিন্ন প্ৰকাৰৰ তিতা-মিঠা-কেহা ফল-মূল, সেউজীয়া শাক-পাচনি, কণী, আইৰন টেবলেট আদি সজাই-পৰাই ৰখাও পৰিলক্ষিত হৈছে। সজাগতামূলক সভাত উপস্থিত থাকে হাজো সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনস্থ বিভিন্ন অংগনৱাড়ী কেন্দ্ৰৰ প্ৰায় শতাধিক কৰ্মী-সহায়িকা, স্বাস্থ্য কৰ্মী তথা অঞ্চলটোৰ ৰাইজে অংশগ্ৰহণ কৰে।



*মাটিয়াত সূৰ্যগিৰি মহাবিদ্যালয়ত চন্দন-আগৰ গছপুলি ৰোপণ।*

# বিশ্বনাথতো আনন্দৰাম বৰুৱা বঁটা প্ৰদান অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৮ ছেপ্টেম্বৰ ঃ** সমগ্ৰ অসমৰ লগতে কালি বিশ্বনাথতো বিশ্বনাথ জিলা প্ৰশাসন আৰু মাধ্যমিক শিক্ষা বিভাগৰ যৌথ উদ্যোগত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উত্তৰণৰ প্ৰতিশ্ৰুতিৰে আনন্দৰাম বৰুৱা বঁটা ২০২২ প্ৰদান কৰা হয়। বিশ্বনাথৰ কমলাকান্ত নাট্য সমাজৰ প্ৰেক্ষাগৃহত কালি অনুষ্ঠিত এই অনুষ্ঠানত বিশ্বনাথ সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, বিশ্বনাথৰ উপায়ুক্ত মুনীন্দ্ৰ নাথ ঙাটে, অতিৰিক্ত উপায়ুক্ত ড° সূৰ্যকমল বৰা, বিহালী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নৰৰত্ন কাকতি আৰু বিশ্বনাথ কৃষি মহাবিদ্যালয়ৰ ডিনৰ উপস্থিতিত বিশ্বনাথ জিলাৰ সৰ্বমুঠ ৪৫৩ গৰাকীক এই বঁটা প্ৰদান কৰা হয় ইয়াৰে গহপুৰৰ ২৫০ গৰাকী বিহালীৰ ৫০ গৰাকী আৰু বিশ্বনাথৰ ১৫৩ গৰাকী ছাত্ৰ-ছাত্ৰীক ১৬ হেজাৰ টকাকৈ চেক প্ৰদান কৰে।

# ডিগবৈ টিংৰাই সমবায় সমিতি গঠন

**ডিগবৈ, ৮ ছেপ্টেম্বৰ ঃ** ডিগবৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত টিংৰাই সমবায় সমিতিখন গঠন কৰা হয়। সমবায় সমিতিখনৰ সভাপতি নিৰ্বাচিত হয় অগপ নেতা প্ৰফুল্ল দত্ত, উপ-সভাপতি পদত নিৰ্বাচিত হয় বিজেপি নিৰু মৰাণ। যোৱা ২০ আগষ্টত সমিতিখনৰ সঞ্চালকসকলক নিৰ্বাচিত কৰা হৈছিল। নিৰ্বাচিত সঞ্চালৰ মণ্ডলীয়ে কালি সমিতিখনৰ সভাপতি আৰু উপ-সভাপতি নিৰ্বাচিত কৰে।

# নাজিৰাত সদৌ অসম কবি সন্মিলনৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস উদযাপন

অগ্ৰদূত বাৰ্তা

**নাজিৰা, ৮ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলা সন্মিলন আৰু নাজিৰা কবি সন্মিলনৰ যৌথ উদ্যোগত কেন্দ্ৰীয়ভাৱে সদৌ অসম কবি সন্মিলনৰ ষটত্ৰিংশত্তম প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। কেন্দ্ৰীয় সভাপতি প্ৰদীপ শইকীয়াৰ পৌৰোহিত্যত আৰু নাজিৰা মহকুমাৰ মহকুমাধিপতি তথা অতিৰিক্ত উপায়ুক্ত সব্যসাচী কাশ্যপে উদ্বোধন কৰা মুকলি সভাত সদৌ অসম কবি সন্মিলনৰ উপ-সভাপতি ৰাজুমণি বেজবৰুৱা, প্ৰাক্তন প্ৰচাৰ সম্পাদক অচ্যুৎ কুমাৰ বৰা, প্ৰধান সম্পাদক উজ্জ্বল পাওগাম, শিৱসাগৰ জিলা সাংবাদিক সন্থাৰ সভাপতি ভৈৰৱ মুণ্ডা, শিৱসাগৰ জিলা সাহিত্য সভাৰ সম্পাদক সন্তোষ দত্ত, নাজিৰা প্ৰেছ ক্লাবৰ সভাপতি বুলু চেতিয়াৰ লগতে বহুতো গণ্য-মান্য কবি-সাহিত্যিক, সাংবাদিক উপস্থিত থাকি অনুষ্ঠান সফল কৰি তোলে। শিৱসাগৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাহিত্যিক, গল্পকাৰ, সমালোচক দুৰ্লভ বুঢ়াগোহাঁই আৰু জনপ্ৰিয় কাব্য-সমালোচক ৰাজীৱ বৰাই পাঁচখনকৈ গ্ৰন্থ ক্ৰমে দিতীমণি বুঢ়াগোহাঁইৰ সম্পাদনাত আৰু নাজিৰা কবি সন্মিলনৰ দ্বাৰা প্ৰকাশিত স্মৃতিগ্ৰন্থ 'কাব্যৰাগ', মঞ্জু ঘৰফলীয়া বৰাৰ 'সুবাস', বিজু বৰঠাকুৰৰ 'নিয়ৰৰ জুনুকা পিন্ধা জীৱনৰ সুবাস', ৰূপজ্যোতি ভূঞাৰ 'কোমল পুৱাৰ ৰ'দালি', সত্যনাৰায়ণ কৰৰ 'খবৰ সুৰভি' উন্মোচন কৰে। অনুষ্ঠানত নাজিৰা কবি সন্মিলনৰ সদস্যসকলৰ দ্বাৰা সমবেত সংগীত, ভবানন্দ বৰা, নিৰুপমা দত্ত, মৌচুমী সন্দিকৈ, নিবেদিতা ফুকন, প্ৰণীতা লাচিত আৰু দিলীপ দাসে একোটাকৈ গীত পৰিৱেশন কৰাৰ লগতে নিলাক্ষী বৰুৱাৰ কবিতা আবৃত্তি আৰু নিহা দিহিঙীয়াৰ সৃষ্টিশীল নৃত্য পৰিবেশনৰে অনুষ্ঠানত সোণত সুৱগা চৰায়। পুৱাতে সদৌ অসম কবি সন্মিলনৰ সভাপতি প্ৰদীপ শইকীয়া, শিৱসাগৰ জিলা কবি সন্মিলনৰ সভাপতি ব্ৰজেন দাস আৰু নাজিৰা কবি সন্মিলনৰ সভাপতি অজিত খাটনিয়াৰে মুঠ তিনিখন পতাকা উত্তোলন কৰে। ইয়াৰ পাছতে শিৱসাগৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক, গল্পকাৰ তথা নাজিৰা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° জীৱন কলিতাই স্মৃতি তৰ্পণ আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নাজিৰা জিলা শাখাৰ সভাপতি দেৱেন কোঁৱৰে ত্ৰৈলোক্য নাথৰ দ্বাৰা প্ৰদৰ্শিত গ্ৰাম্য কাৰু শিল্প প্ৰদৰ্শনী উদ্বোধন কৰে। জিলা কবি সন্মিলনৰ তৰফৰ পৰা সভাপতি-সম্পাদকৰ লগতে উপ-সভাপতি জিতেন নাথ, সহকাৰী সম্পাদক অভিজিত গগৈ আৰু ৰেখামণি ৰাজকুঁৱৰী, প্ৰচাৰ সম্পাদক কুন্তলা কল্যাণী সন্দিকৈ, মুখ্য সমন্বয়ক অশ্ৰুমণি দত্ত ঘোষ, নিতাই পানীদিহিং শাখাৰ সভাপতি ড° দিগন্ত গগৈ, জাঁজী শাখাৰ সভাপতি দুষন্ত মাধৱ বৰুৱা, সম্পাদক বিজু বৰঠাকুৰ, শিৱসাগৰ কবি চক্ৰৰ সম্পাদক জয়জ্যোতি গগৈ, শিমলুগুৰি শাখা কবি সন্মিলনৰ সম্পাদক সুষমা চাংমাই কোঁৱৰৰ লগতে কে'বাজনো সদস্য-সদস্যা উপস্থিত থাকে।

## কে'বাখনো গ্ৰন্থ উন্মোচন

# চৰহা পোকৰ আক্ৰমণত ধৰাশায়ী নপাম পথাৰৰ ২০ বিঘাৰো অধিক ধানখেতি

## ■ মূৰে-কপালে হাত দুৰ্ভগীয়া কৃষকৰ

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ৮ ছেপ্টেম্বৰ ঃ** লীলাবাৰীস্থিত নপাম পথাৰৰ ২০ বিঘাৰো অধিক ধান খেতিত চৰহা পোকৰ আক্ৰমণত ধৰাশায়ী হোৱা কাণ্ডত কৃষকে মূৰে-কপালে হাত দি ত্ৰাহি মধুসূদন সোঁৱৰিছে। ভঁৰাললৈ ন-নখিমী অনাৰ দুৰ্বাৰ হেঁপাহেৰে কপালৰ কেঁচা ঘাম মাটিত পেলাই কৰা কৃষিত হঠাৎ চৰহা পোকৰ বিধ্বংসী ৰূপত বসুমতী ফাট মেলা পাতালে লুকাও অৱস্থা হৈছে। উক্ত কৃষিভূমিত আজিৰ পৰা ২০-২৫ দিনৰ আগৰে পৰা চৰহা পোকে আক্ৰমণ কৰে। সজাল ধৰি ক্ৰমাৎ সেউজীয়া হৈ উঠা ভূঁইবোৰ চৰহা পোকৰ আক্ৰমণত হালধীয়া আৰু শেঁতা পৰি হৈছে। উল্লেখ্য যে



শাওণৰ শেষৰ ফালে যিবোৰ ভূঁই ৰোৱা হৈছিল সেই ভূঁইবোৰতে চৰহা পোকে থিতাপি লৈ এফালৰ পৰা তচ্‌নচ্‌ কৰি পেলাইছে। কৃষকৰ চকুৰ সন্মুখতে আশাৰে ৰোৱা ভূঁইবোৰৰ এনে অৱস্থাত কৃষকৰ চকুৰ টোপনি নোহোৱা হৈছে। উল্লেখ্য যে এই ভাদ-আহিনত সজাল ধৰি ধানে গেঁৰ ধৰিবলৈ ধৰা গুৰুত্বপূৰ্ণ সময়ছোৱাত চৰহা পোকৰ আক্ৰমণে কৃষকৰ কৃষি উৎপাদন যে একেবাৰে অৱনমিত হ'ব তাৰ পূৰ্ণ সম্ভাৱনাই গা কৰি উঠিছে বুলি স্থানীয় ৰাইজে একেমুখে স্বীকাৰ কৰিছে। তদুপৰি এই সন্দৰ্ভত স্থানীয় ৰাইজে কৃষি বিভাগক অৱগত কৰা স্বত্ত্বেও জিলা প্ৰশাসন, কৃষি বিভাগে কোনো ধৰণৰ তাৎক্ষণিক পদক্ষেপ গ্ৰহণ কৰা নাই বুলি জানিব পৰা গৈছে। উল্লেখ্য যে আজিৰ বিজ্ঞান প্ৰযুক্তিৰ যুগত কৃষি বিভাগৰ এনে সোৰোপা অৱহেলিত মনোভাৱে কৃষকক কৃষিকৰ্মৰ প্ৰতি নিৰুৎসাহ মনোভাব আনিবলৈ বেছি দিন নালাগিব।

# দ্বৈত ৰেলপথৰ কাম তীব্ৰ গতিত ঃ ৰেল বাতিল

অগ্ৰদূত বাৰ্তা

**ৰঙিয়া, ৮ ছেপ্টেম্বৰ ঃ** নামনি অসমৰ ৰেল যাত্ৰীসকলৰ দীৰ্ঘদিনীয়া দাবী আৰু আন্দোলনৰ ফলশ্ৰুতিত অৱশেষত উত্তৰ-পূব সীমান্ত ৰেলৰে নিউ বঙাইগাঁও-আগিয়াঠুৰী ৰেলপথ দ্বৈত ৰেলপথলৈ উন্নীতকৰণৰ কাম পূৰ্ণ গতিত আৰম্ভ কৰিছে। ইতিমধ্যে নিউ বঙাইগাঁৱৰ পৰা বিজনী ৰেল ষ্টেছনলৈ কিছু কাম আগবঢ়িছে যদিও এতিয়াৰে পৰা এই কাম ততালিকে সম্পন্ন কৰাৰ বাবে ৰঙিয়া ৰেল সংমণ্ডল কৰ্তৃপক্ষই দিনে-নিশাই কাম অব্যাহত ৰাখিছে। এই কাম ত্বৰান্বিত কৰাৰ স্বাৰ্থত উত্তৰ-পূব সীমান্ত ৰেলৰে আজি আৰু কাইলৈ দুখন ৰেল বাতিল কৰাৰ উপৰি কে'বাখনো ৰেল ৰঙিয়াৰ পৰিৱৰ্তে গোৱালপাৰা হৈ চলোৱা সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰঙিয়া ৰেল সংমণ্ডলৰ সূত্ৰ অনুসৰি ০৫৮১০ নামনিমুৱা গুৱাহাটী-নিউ বঙাইগাঁও আৰু ০৫৮০৯ উজনিমুৱা নিউ বঙাইগাঁও-গুৱাহাটী ব'হাগী যাত্ৰীবাহী কাইলৈ আৰু পৰহিলৈ বাতিল কৰা হৈছে। আনহাতে, উজনিমুৱা আৰু নামনিমুৱা ব্ৰহ্মপুত্ৰ মেইল, কামৰূপ এক্সপ্ৰেছ, শিলচৰ তিৰুৱন্তপুৰম, গুৱাহাটী ছেকেন্দ্ৰাবাদ এক্সপ্ৰেছ ৰঙিয়াৰ পৰিৱৰ্তে গোৱালপাৰা হৈ চলাচল কৰিব। আনহাতে, ১৫৯৬২ নামনিমুৱা ডিব্ৰুগড় হাওড়া কামৰূপ এক্সপ্ৰেছ ৰেল গাড়ীখন কালি ১১.৫৫ৰ পৰিৱৰ্তে কাইলৈ আবেলি তিনি বজাত যাত্ৰা কৰিব। যাত্ৰীসকলৰ সুবিধাৰ্থে নিউ বঙাইগাঁও আৰু কামাখ্যা ৰেল ষ্টেছনৰ বাহিৰত বিনামূলীয়া বাছ সেৱাৰ ব্যৱস্থা কৰা হৈছে বুলি ৰেলৰে সূত্ৰত প্ৰকাশ। এই বাছেৰে নিউ বঙাইগাঁও আৰু ৰঙিয়াৰ মাজৰ ৰেল ষ্টেছনসমূহত সংশ্লিষ্ট যাত্ৰীসমূহক অনা-নিয়া কৰা হ'ব।

অসম দাপোণ
অগ্ৰদূত
গুৱাহাটী, ৯ ছেপ্টেম্বৰ, শুকুৰবাৰ ২০২২ পৃষ্ঠা ১১

■ ডিগবৈত তীব্ৰ যান-জঁটৰ সমস্যা

## ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত পাৰ্কিং কৰা ব্যক্তিগত যানবাহনৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী

**ডিগবৈ, ৮ ছেপ্টেম্বৰ ঃ** তিনিচুকীয়া জিলা তৈলনগৰী ডিগবৈ চহৰৰ তীব্ৰ যান-জঁটৰ দীৰ্ঘদিনীয়া সমস্যাত অতিষ্ঠি হৈ পৰিছে ডিগবৈবাসী। ডিগবৈ চহৰৰ মাজেৰে প্ৰবাহিত ৩৮ নম্বৰ ঘাইপথৰ তীব্ৰ যান-জঁটৰ সমস্যাই জ্বলা-কলা খুৱাই আহিছে জনসাধাৰণক। দিনকদিনে ক্ৰমান্বয়ে বৃদ্ধি পোৱা যান-বাহনৰ সংখ্যাই সমস্যাৰ সৃষ্টি কৰিছে ডিগবৈত। উল্লেখ্য যে মূল চহৰখনৰ সোঁমাজেৰে ব্যস্ততাপূৰ্ণ ৩৮ নম্বৰ ঘাইপথ হোৱা হেতুকে অহৰহ সৰু-বৰ যানবাহন বিৰতিবিহীনভাৱে চলাচল কৰাৰ লগতে চহৰখনৰ পৰিকল্পনাৰ অভাৱত তীব্ৰ যান-জঁটৰ সমস্যাত দুৰ্ভোগ ভুগিছে জনসাধাৰণে। ঘাইপথৰ দুয়োকাষে ডিগবৈ প্ৰাণকেন্দ্ৰ স্বৰূপ দৈনিক বজাৰখন হোৱাৰ হেতুকে অস্থায়ীভাৱে একাংশ খুচুৰা শাক-পাচলি বিক্ৰেতা, ফল-মূল দোকানৰ লগতে বিভিন্ন ব্যৱসায়ী ঘাইপথৰ কাষতে ব্যৱসায়ী বাণিজ্য চলাই আহিছে। পথৰ দুয়োকাষে পূৰ্বৰে পৰা পৰিকল্পনাৰ অভাৱত যানবাহন ৰাখিবলৈ ব্যৱস্থা কৰাত ঘাইপথটো সংকীৰ্ণ হৈ পৰিল। তদুপৰি দৈনিক বজাৰৰ মাজেৰে যোৱা ঘাইপথৰ ওপৰত একাংশ ভদ্ৰলোকে ব্যক্তিগত বাহনসমূহ পাৰ্কিংস্থলী কৰি নিজা কাম-কাজ সম্পন্ন কৰিবলৈ ব্যৱহাৰ কৰাত দিনটোৰ অধিকাংশ সময়ে তীব্ৰ যান-জঁটে আৱৰি থাকে। আন এক উল্লেখনীয় বিষয় যে চহৰখনৰ তীব্ৰ যান-জঁট নিয়ন্ত্ৰণ কৰিবলৈ ডিগবৈ আৰক্ষী চকীৰ পৰা তদাৰকৰ দায়িত্বত নামমাত্ৰ এজন বা দুজন যানবাহন আৰক্ষীয়ে প্ৰতিদিনে দায়িত্ব সম্পাদন কৰে যদিও দুই এজন যানবাহন আৰক্ষীয়ে সমগ্ৰ ডিগবৈ চহৰখনক যান-জঁটৰ সমস্যা নিয়ন্ত্ৰিত কৰিবলৈ সক্ষম নহয়। যাৰ বাবে দিনৰ অধিকাংশ সময়ে তীব্ৰ যান-জঁটৰ সমস্যাত ভুগিব লগাত পৰিছে ডিগবৈবাসী। লগতে আন এক উল্লেখনীয় বিষয় চহৰখনৰ মাজেৰে যোৱা ঘাইপথত পাৰ্কিংস্থলী হিচাপে ব্যৱহাৰ কৰা বাহনৰ গৰাকীক ডিগবৈ আৰক্ষীয়ে নাকী লগাবলৈ যোৱা কিছু বছৰৰ পূৰ্বে এক বিশেষ কাৰ্যপন্থা অৱলম্বন কৰিছিল। কিন্তু কালৰ গতিত বিশেষ কাৰ্যপন্থা স্তব্ধ হৈ পৰিল। তীব্ৰ যান-জঁটৰ সমস্যা সমাধানৰ বাবে পূৰ্বে ডিগবৈ আৰক্ষীয়ে ঘাইপথত পাৰ্কিংস্থলী হিচাপে ব্যৱহাৰ কৰা বাহনৰ গৰাকীক জৰিমনা বিহাৰ লগতে বাহনৰ চকাত তলা লগোৱা কাৰ্য পুনৰ সম্পাদন কৰিলে আংশিক পৰিমাণে হ'লেও যান-জঁটৰ সমস্যা সমাধান হোৱাৰ আশংকা ব্যক্ত কৰিছে। তীব্ৰ যানজঁটৰ সমস্যাত অতিষ্ঠ ডিগবীবাসী ৰাইজে যান-জঁটৰ সমস্যা সমাধান হোৱাৰ আশংকা ব্যক্ত কৰিছে। তীব্ৰ যান-জঁটৰ সমস্যাত অতিষ্ঠ ডিগবৈবাসী ৰাইজে যান-জঁটৰ সমস্যা সমাধানৰ বাবে কোনো এক বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ ডিগবৈ আৰক্ষীক দাবী জনাইছে।

## ৪৫ সংখ্যক পূব উপৰ বৰভাগ সাৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গা পূজাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ৮ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত আঠঘৰীয়াত অহা একৰ পৰা পাঁচ অক্টোবৰলৈ ৪৫ সংখ্যক পূব উপৰ বৰভাগ সাৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গা পূজাৰ আয়োজন কৰিছে। কাৰ্যসূচী অনুযায়ী এক অক্টোবৰৰ পুৱা পূজা পৰিচালনা সমিতিৰ সভাপতিয়ে ধৰ্মধ্বজা উত্তোলনৰে পাঁচদিনীয়া কাৰ্যসূচীৰ উদ্বোধন কৰিব। ইয়াৰ পাছতে ক্ৰমে শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিব বৰভাগ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক কনক চন্দ্ৰ লহকৰে। গছপুলি ৰোপণ কৰিব জীতেন ডেকা আৰু বাবুল বেজে। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব সতীশ শৰ্মাই। বিল্ববোধনৰ বাবে আঠঘৰীয়াৰ গিৰীশ শৰ্মাৰ গৃহলৈ শোভাযাত্ৰা, বিল্ববোধন, আমন্ত্ৰণ আৰু অধিবাস। দুই অক্টোবৰৰ পুৱা দেৱীৰ নৱপত্ৰিকা প্ৰৱেশ আৰু স্থাপন, ন বজাত সপ্তমী পূজাৰম্ভ, চণ্ডীপাঠ, দিনৰ ১২ বজাত স্থানীয় আয়তীৰ নামপ্ৰসংগ, সন্ধিয়া দেৱীৰ আৰতি, আমন্ত্ৰিত ত্ৰিনয়ন মহিলা নাগাৰা নাম দলৰ নাগাৰা নাম প্ৰদৰ্শন, উদ্বোধন কৰিব বিজেপিৰ বৰভাগ মণ্ডলৰ সভাপতি দীনবন্ধু তালুকদাৰে। তিনি অক্টোবৰৰ পুৱা মহাষ্টমী পূজাৰম্ভ, আমন্ত্ৰিত মহিলা নামদলৰ নাম প্ৰদৰ্শন। উদ্বোধন কৰিব বৰভাগ জিলা পৰিষদৰ সদস্যা পদুমী দাসে। আবেলি সন্ধিপূজা আৰম্ভ আৰু সন্ধিপূজা সমাপন। সন্ধিয়া 'মৰ্যাদা' শীৰ্ষক বিশেষ সম্বৰ্ধনা অনুষ্ঠান, সন্ধ্যাতৰা ভ্ৰাম্যমাণ নাট্য দলৰ নাট প্ৰদৰ্শন উদ্বোধন কৰিব বঁটাপ্ৰাপ্ত সমাজকৰ্মী বিপিন তালুকদাৰে। চাৰি অক্টোবৰৰ পুৱা মহানৱমী পূজাৰম্ভ, বলি উছৰ্গা আৰু বলিদান মহাশান্তি, আবেলি ৰাজহুৱা ভোগ প্ৰদান, সন্ধিয়া দেৱীৰ আৰতি সাংস্কৃতিক সন্ধিয়া, উদ্বোধন কৰিব এএছআৰএলএমৰ নলবাৰী জিলা প্ৰবন্ধক চন্দন তালুকদাৰে। সাংস্কৃতিক সন্ধিয়াত আমন্ত্ৰিত শিল্পী কাজল কৃষ্ণ আৰু কাজল বৰুৱাই গীতমাত পৰিবেশন কৰিব। পাঁচ অক্টোবৰৰ পুৱা দশমী পূজাৰম্ভ, অপৰাজিতা পূজা, বলয় ধাৰণ আৰু দেৱীৰ বিসৰ্জন, আবেলি তিনি বজাত প্ৰতিমা বিসৰ্জনৰ বাবে শোভাযাত্ৰা, সন্ধিয়া প্ৰীতি সন্মিলন। ইতিমধ্যে পূজা পৰিচালনাৰ বাবে মুনীন্দ্ৰ বেজক সভাপতি, মুকুল লহকৰ, পংকজ শৰ্মা আৰু ৰাধাবিনোদ গোস্বামী উপ-সভাপতি, মহেশ্বৰ ভট্টাচাৰ্য কাৰ্যকৰী সভাপতি, অশ্বিনী চক্ৰৱৰ্তী, দেৱকান্ত ভট্টাচাৰ্য সম্পাদক, নিৰঞ্জন বেজ, জয়ন্ত হালৈক সহকাৰী সম্পাদকৰূপে লৈ এখন সমিতি গঠন কৰিছে। দুৰ্গা পূজাৰ সকলো কাৰ্যসূচীৰ লগতে ন অক্টোবৰৰ শ্ৰীশ্ৰী লক্ষ্মীপূজাৰ কাৰ্যসূচীতো ধৰ্মপ্ৰাণ ৰাইজৰ সহযোগ কামনা কৰিছে উদ্‌যাপন সমিতিয়ে।

## যুৱতীসকলৰ আত্মসুৰক্ষাৰ প্ৰশিক্ষণ প্ৰদান বিশ্বনাথত

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৮ ছেপ্টেম্বৰ ঃ** যুৱতী তথা মহিলাসকলৰ আত্ম সুৰক্ষাৰ বাবে বিশ্বনাথত দুদিনীয়াকৈ আৰম্ভ হৈছে সমৰকলাৰ ওপৰত আত্ম সুৰক্ষা শিবিৰ। বিশ্বনাথ জিলা আৰক্ষীৰ উদ্যোগত বিশ্বনাথ চাৰিআলি ষ্টেডিয়ামত অনুষ্ঠিত এই শিবিৰত প্ৰশিক্ষণ প্ৰদান কৰে অসম আৰক্ষীৰ চাৰিগৰাকীকৈ বীৰাংগনাই। বিশ্বনাথৰ জৱাহৰ নৱোদয় বিদ্যালয়ৰ ছাত্ৰীসকলৰ লগতে বিশ্বনাথ জিলাৰ প্ৰায় ৫০ গৰাকী যুৱতীয়ে প্ৰশিক্ষণ গ্ৰহণ কৰিছে। এই প্ৰশিক্ষণ শিবিৰ উদ্বোধন কৰে বিশ্বনাথৰ আৰক্ষী অধীক্ষক নবীন সিঙে। অতিৰিক্ত আৰক্ষী অধীক্ষক কুলেন্দ্ৰ নাথ ডেকা, উপ-আৰক্ষী অধীক্ষক জয়ন্ত বৰুৱা আদি উপস্থিত থকা এই শিবিৰত এগৰাকী যুৱতী তথা মহিলাই নিৰ্জন পথত বিপদত পৰিলে নিজকে কেনেকৈ সুৰক্ষা দিব পাৰে সেই সন্দৰ্ভত কে'বাটাও কিটিপ শিকাই কাৰ্বি আংলঙৰ পৰা অহা চাৰিগৰাকীকৈ অসম আৰক্ষীৰ বীৰাংগনাই।

## মাটিখোলা পঞ্চায়তত নৱনিৰ্মিত ফিভাৰ ব্লক গ্ৰাম্যপথ সম্প্ৰসাৰণৰ দাবী

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ৮ ছেপ্টেম্বৰ ঃ** গোলাঘাট বিধানসভা সমষ্টিৰ অন্তৰ্গত দুই নম্বৰ গাঁৱৰ চন্দনগুৰি তিনিআলিৰ পৰা বৰজান মাটিখোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কাষেদি অতিক্ৰম কৰা হাতীগড় মাটিখোলা প্ৰজেক্ট প্ৰাথমিক বিদ্যালয় চাৰিআলি সংযোগী পথছোৱা ফিভাৰ ব্লকেৰে নিৰ্মাণকাৰ্য অব্যাহত আছে। লক্ষ্যণীয় যে দীৰ্ঘদিন ধৰি সংশ্লিষ্ট গ্ৰাম্য পথছোৱা পৰিত্যক্ত হৈ যাতায়াত-যোগাযোগ সম্পূৰ্ণ ব্যাহত হৈ আছিল। বিশেষকৈ বৰজান মাটিখোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়, বৰজান প্ৰাথমিক বিদ্যালয় আৰু স্থানীয় অংগনৱাড়ী কেন্দ্ৰলৈ অহা ছাত্ৰ-ছাত্ৰী তথা কণ-কণ শিশুসকলে যমৰ যাতনা ভুগি আহিছিল। সম্প্ৰতি স্থানীয় বিধায়িকা তথা বিত্তমন্ত্ৰী অজন্তা নেওগে পথছোৱা পুনৰ উন্নয়নৰ কাম হাতত লোৱাত স্থানীয় অঞ্চলৰ সচেতন নাগৰিক সমাজে মন্ত্ৰীগৰাকীৰ এনে পদক্ষেপক শুভেচ্ছা জনাইছে। কিন্তু পথছোৱাৰ প্ৰত্যক্ষ সংযোগী ১৫ মিটাৰ পথ প্ৰকাণ্ড প্ৰকাণ্ড পুখুৰীসদৃশ গাঁতত উপনীত হৈ থকাত ৰাইজে সংশ্লিষ্ট সংযোগী পথছোৱাৰ প্ৰতি ধন আবণ্টন দিবলৈ অনুৰোধ জনাইছে।

# ৰূপহীহাটত পিএমএৱাই গৃহ কেলেংকাৰি



*৫৬ নম্বৰ দক্ষিণ কৰণ্ডা গাঁও পঞ্চায়তত তিনি আঁচনিৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভনী বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ।*

### ■ শিক্ষকতা কৰা স্বামী-স্ত্ৰীৰ পৰিয়ালৰ আইডিত গৃহ আবণ্টন ■ হিতাধিকাৰীৰ পৰিৱৰ্তে আন লোকৰ একাউণ্টত ধন মুকলি

অগ্ৰদূত বাৰ্তা

**ৰূপহীহাট, ৮ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ গ্ৰামোন্নয়ন বিভাগৰ অধীনস্থ ৰূপহীহাট উন্নয়ন খণ্ডত প্ৰধানমন্ত্ৰী আৱাস যোজনা (পিএমএৱাই) গৃহ কেলেংকাৰি দিনক দিনে বৃদ্ধি পাইছে। প্ৰাপ্ত তথ্য মতে, ৰূপহীহাট উন্নয়ন খণ্ডৰ গেৰেকী গাঁও পঞ্চায়তৰ গড়েমাটিখোৱা গাঁৱৰ পিএমএৱাইৰ আইডি আবণ্টন হৈছে স্বামী-স্ত্ৰীয়ে শিক্ষকতা কৰি অহা পৰিয়ালৰ বিপৰীতে। গড়েমাটিখোৱা গাঁৱৰ শিক্ষক নুৰ মহম্মদ আৰু মঞ্জিলা খাতুনৰ পৰিালৰ নামত পিএমএৱাইৰ ২১২৫৬৫৪ নম্বৰৰ আইডি আবণ্টন হোৱাৰ তথ্য পোহৰলৈ আহিছে। আনকি শিক্ষক স্বামী-স্ত্ৰীৰ ফাৰ্মাচিষ্টত অধ্যয়ন কৰা সন্তান এম মহিবুৰ ৰহমানৰ নামত মোকলাই দিয়া হৈছে প্ৰথম কিস্তিৰ ধন। যদি ধন মোকলাই দিয়া অসম গ্ৰামীণ বেংকৰ ৭৩৮৬০১০০৮৫৯৮৯ নম্বৰৰ একাউণ্টটো এম মহিবুৰ ৰহমানৰ নহয় বুলি গুৰুতৰ অভিযোগ উঠিছে।

ইপিনে, উক্ত পৰিয়ালৰ মুৰব্বী নুৰ মহম্মদে গৃহ আবণ্টনৰ বিষয়ে অজ্ঞতা প্ৰকাশ কৰি পঞ্চায়ত কাৰ্যালয়ত উপস্থিত হৈ এই দুৰ্নীতিৰ তীব্ৰ প্ৰতিবাদ কৰে। আনহাতে, হোছনাৰা বেগমৰ (আইডি নম্বৰ এএছ-১৫০৩৬৮) পিএমএৱাইৰ গৃহ নিৰ্মাণৰ ধন হিতাধিকাৰীৰ বেংক একাউণ্টত জমা কৰাৰ গুৰুতৰ অভিযোগ উঠিছে। জিপিচি শইকীয়াই কোনো ধৰণৰ ভেৰিফিকেছন নকৰি মইমতালিৰে হোছনাৰা বেগমৰ গৃহ নিৰ্মাণৰ প্ৰথম কিস্তিৰ ৩২ হেজাৰ পাঁচশ টকা ৰজৱ আলীৰ একাউণ্টত জমা কৰিছে। সম্প্ৰতি ৰজৱ আলীয়ে হোছনাৰা বেগমৰ গৃহ নিৰ্মাণৰ ধন আত্মসাৎ কৰিছে। উক্ত ৰজৱ আলীৰ বেংক একাউণ্ট নম্বৰ কিদৰে ফ্ৰিজিং হ'ল, সেয়া এক ৰহস্যৰ বিষয়। ইপিনে, হিতাধিকাৰী হোছনাৰাই খণ্ড উন্নয়ন বিষয়াৰ ওচৰত লিখিতভাৱে অভিযোগ দাখিল কৰিছে যদিও বিষয়াজনে কোনো ধৰণৰ তদন্ত নকৰি অভিযুক্ত জিপিচি শইকীয়াক ৰক্ষণাবেক্ষণ দিবলৈ উঠি পৰি লগাৰ অভিযোগ উঠিছে। উল্লেখ্য যে গেৰেকীত অকল হোছনাৰা বেগমেই নহয় ৰহিম আলী, কালেম আলী, জেলেকা খাতুনৰ গৃহ নিৰ্মাণৰ ধন চতুৰ জিপিচি শইকীয়াই মোকলাই নিদিয়াৰ গুৰুতৰ অভিযোগ উঠিছে।

## ছাত্ৰ-ছাত্ৰীয়ে কিতাপৰ লগতে মানুহকো পঢ়িব লাগিব

### ■ বৰপেটা ছোৱালী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসত বক্তৃতানুষ্ঠান

বিশেষ সংবাদদাতা

**বৰপেটা, ৮ ছেপ্টেম্বৰ ঃ** 'ছাত্ৰ-ছাত্ৰীসকলে পঢ়িব লাগিব, কিতাপো পঢ়িব লাগিব আৰু মানুহকো পঢ়িব লাগিব।' এনেদৰে কয় বৰপেটাৰোড হাউলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভূষণ চন্দ্ৰ পাঠকে। কালি বৰপেটা ছোৱালী মহাবিদ্যালয়ৰ ৪৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত 'ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ আৰু মহাবিদ্যালয়সমূহৰ ভূমিকা' বিষয়ক এটা বক্তৃতানুষ্ঠানত আমন্ত্ৰিত বক্তা হিচাপে ড° পাঠকে এই মন্তব্য দাঙি ধৰে। বৰপেটা ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ দাসৰ সঞ্চালনাত অনুষ্ঠিত বক্তৃতানুষ্ঠানত ড° পাঠকে আৰু কয় যে ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ বলৱৎ কৰাৰ জৰিয়তে আমাৰ শৈক্ষিক জগতত চলি থকা অপচয় ৰোধ কৰিব বিচৰা হৈছে। একোখন মহাবিদ্যালয়ৰ শিক্ষকৰ পৰা আৰম্ভ কৰি ছাত্ৰ-ছাত্ৰীলৈকে সকলোৰে কথাবোৰ নতুন ধৰেণ চোৱাৰ প্ৰয়োজন আহি পৰিছে। একোগৰাকী ছাত্ৰই যাতে নিজকে সম্পূৰ্ণৰূপে উপযুক্ত হিচাপে গঢ়ি তুলিব পাৰে, তাৰ বাবে ছাত্ৰগৰাকীক পৰ্যাপ্ত সুযোগ দিয়াই ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ অৰ উদ্দেশ্য আৰু এই দিশত ভূমিকা ল'ব পৰাকৈ শিক্ষকসকলে নিজকে সাজু কৰিব লাগিব। সঞ্চালকৰ আসনৰ পৰা ড° বিৰিঞ্চি কুমাৰ দাসে কয় যে ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্বৰ সৰ্বাংগীণ বিকাশৰ প্ৰতি ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০অত বিশেষ গুৰুত্ব দিয়া হৈছে। তেওঁ আৰু কয় যে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ মাজত নিহিত দক্ষতাক সঠিকভাৱে চিনাক্ত কৰি ইয়াৰ সঠিক বিকাশ সাধন কৰাটো গুৰুত্বপূৰ্ণ, বক্তৃতানুষ্ঠানৰ আৰম্ভণিতে সহযোগী অধ্যাপক হিৰন্ময়ী পাঠকে গীত পৰিবেশন কৰে। ইয়াৰ আগতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিৰিঞ্চি কুমাৰ দাসে মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰাৰ পাছত পৰিচালনা সমিতিৰ সভাপতি ৰবীন্দ্ৰ ভূএগ্ৰাৰ সভাপতিত্বত মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, অনাশিক্ষক কৰ্মচাৰী তথা ছাত্ৰ-ছাত্ৰীৰ এখন সভা অনুষ্ঠিত হয়। এই সভাত মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা আৰু বিকাশৰ স'তে জড়িত ব্যক্তিসকলৰ ত্যাগ, দায়িত্ববোধ আৰু নিষ্ঠাক স্মৰণ কৰি মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক আব্দুল জব্বৰ আলী আহমেদ, ড° অঞ্জলি নাথ, সহকাৰী অধ্যাপক ড° বনজিৎ তহবিলদাৰ, ড° ধনেশ্বৰ পাঠক আদিয়ে বক্তৃতা প্ৰদান কৰে।

## হালাকুৰাত মহিলাৰ চিপ লৈ আত্মহত্যা

অগ্ৰদূত বাৰ্তা

**বক্সিৰহাট, ৮ ছেপ্টেম্বৰ ঃ** হালাকুৰা আৰক্ষী চকীৰ অন্তৰ্গত হালাকুৰা বজাৰত এগৰাকী মহিলাই চিপ লৈ আত্মহত্যা কৰে। প্ৰাপ্ত তথ্য মতে, যোৱা নিশা প্ৰায় ন বজাত বুলু বালা চক্ৰৱৰ্তী (৬০) নামৰ মহিলাগৰাকী নিজ ঘৰত কোনো নথকাৰ সুযোগ গ্ৰহণ কৰি আত্মহত্যা কৰে। পৰৱৰ্তী সময়ত জীয়েকে দোকানৰ পৰা ঘূৰি আহি মাকক বহু সময়লৈ নেদেখি বিচাৰ-খোচাৰ আৰম্ভ কৰে। পৰিয়ালৰ লোকে ঘৰৰ চুকত চিপ লৈ থকা অৱস্থাত প্ৰত্যক্ষ কৰি ওচৰ-চুবুৰীয়াক অৱগত কৰে। হালাকুৰা আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰে। সাংসাৰিক অশান্তিৰ বাবেই মহিলাগৰাকীয়ে আত্মহত্যা কৰা বুলি সন্দেহ কৰা হৈছে। আৰক্ষীয়ে আজি মৃতুদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে ধুবুৰী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে।

## হোজাইত আনন্দৰাম বৰুৱা বঁটা প্ৰদান

অগ্ৰদূত বাৰ্তা

**হোজাই, ৮ ছেপ্টেম্বৰ ঃ** কালি সমগ্ৰ ৰাজ্যৰ লগতে হোজাইতো প্ৰদান কৰা হয় ২০২২ৰ আনন্দৰাম বৰুৱা বঁটা। হোজাইৰ দেশবন্ধু বিদ্যাপীঠৰ স্বৰ্ণ জয়ন্তী প্ৰেক্ষাগৃহত অনুষ্ঠিত এই বঁটা প্ৰদান অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে হোজাই জিলা উপায়ুক্ত অনুপম চৌধুৰীৰ লগতে অতিৰিক্ত (শিক্ষা ৰক্তিম বৰুৱা, লামডিঙৰ বিধায়ক শিবু মিশ্ৰ, বিভিন্ন বিদ্যালয়ৰ অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক আৰু বঁটা প্ৰাপকসকল। হোজাইত এইবাৰ মুঠ ৪৩৪ গৰাকীক এই বঁটা প্ৰদান কৰা হয়। বঁটা হিচাপে মানপত্ৰৰে লগতে ১৬ হেজাৰ টকাকৈ আগবঢ়োৱা হয় বঁটা প্ৰাপকসকলক।

## ১৮ ছেপ্টেম্বৰৰ পৰা আৰম্ভ ৰামধেনু সাহিত্য উৎসৱ

### বিভিন্ন শিতানত অনুষ্ঠিত কৰিছে সাহিত্য প্ৰতিযোগিতা

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ৮ ছেপ্টেম্বৰ ঃ** ৰামধেনু সাহিত্য উৎসৱ এইবাৰ নগাঁও জিলাত দিনজোৰা কাৰ্যসূচীৰে পাতিবলৈ মনস্থ কৰিছে। অহা ১৮ ছেপ্টেম্বৰত ৰামধেনু সাহিত্য উৎসৱৰ লগত সংগতি ৰাখি এলানি সাহিত্য প্ৰতিযোগিতা তথা গ্ৰন্থমেলাৰো আয়োজন কৰা হৈছে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত দেশৰ বহুগৰাকী বিশিষ্ট কবি, সমালোচক, নাট্যকাৰ উপস্থিত থাকিব। বিভিন্ন বিষয়ক আলোচনা আৰু বিভিন্ন শিতানত আয়োজিত প্ৰতিযোগিতাৰ বঁটাসমূহ প্ৰদান কৰা হ'ব। প্ৰতিযোগিতাত শ্ৰেষ্ঠ কবিতা, গল্প আৰু উপন্যাসৰ বটা প্ৰদান কৰাৰ লগতে শ্ৰেষ্ঠ অনুবাদ কবিতা, গল্প আৰু উপন্যাস, বিভিন্ন জনগোষ্ঠীয় ভাষাৰ সাহিত্য শিতান, প্ৰকাশিত গ্ৰন্থ, প্ৰকাশিত কবিতা, প্ৰকাশিত গল্প প্ৰকাশিত উপন্যাস আৰু শ্ৰেষ্ঠ শিশু সাহিত্য বঁটা প্ৰদান কৰা হ'ব। অনুষ্ঠানৰ লগত সংগতি ৰাখি বিভিন্ন বিষয় তথা দিশত সমাজলৈ সেৱা আগবঢ়োৱা ব্যক্তিলৈ বিশেষ সন্মান প্ৰদান কৰা হ'ব। প্ৰতিযোগিতাসমূহত ভৰ্তি মাচুল থাকিব বুলি কোৱাৰ লগতে উদ্যোক্তাই ১০ ছেপ্টেম্বৰৰ ভিতৰত লেখাসমূহ পঠাবলৈ অনুৰোধ জনোৱাৰ লগতে লেখাসমুহ ramdhenunagaon2022@gmail.com মেইলত অথবা ৯৩৯৫৩০৫৬৬৯ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱাৰ লগতে লেখাসমূহ ---'ৰামধেনু' (তলৰ মহল' মাৰফৎ পি বৰুৱা গৃহ, টিএমৰোড)মণ্ডল অফিচৰ ওচৰত আনন্দৰাম বৰুৱা ছিনিয়ৰ ছেকেণ্ডাৰীৰ সমীপত জিলা নগাঁও (অসম) পিন নম্বৰ ৭৮২০০১ ঠিকনাত পঠাবলৈ উদ্যোক্তাই আহ্বান জনাইছে।

## জলাহত বিনামূলীয়া চকু চিকিৎসা শিবিৰ সম্পন্ন



অগ্ৰদূত বাৰ্তা

**টংলা, ৮ ছেপ্টেম্বৰ ঃ** ৰাষ্ট্ৰীয় অন্ধতা আৰু দৃষ্টিহীনতা নিয়ান্ত্ৰণ আঁচনি আৰু দৃষ্টিশক্তি সৰলীকৰণ প্ৰকল্পৰ অধীনত ছয় ছেপ্টেম্বৰত ওদালগুৰি জিলাৰ টংলাৰ নিকটৱৰ্তী জলাহ-পলাহগড় উপ-স্বাস্থ্য কেন্দ্ৰত দিনজোৰাকৈ বিনামূলীয়া চকু চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। টংলা সামূহিক স্বাস্থ্য কেন্দ্ৰৰ ৰাষ্ট্ৰীয় অন্ধতা নিয়ন্ত্ৰণ আঁচনি আৰু দৃষ্টিশক্তি সৰলীকৰণ প্ৰকল্পৰ সৌজন্য আৰু ওদালগুৰি জিলা খণ্ড প্ৰাথমিক চিকিৎসালয় তথা গুৱাহাটীৰ লায়নচ চকু চিকিৎসালয়ৰ সহযোগত অনুষ্ঠিত বিনামূলীয়া চকু চিকিৎসা শিবিৰৰ উপৰি সজাগতা সভাত চকু চিকিৎসক ক্ৰমে ডাঃ শিৱাজী গুপ্তা আৰু ডাঃ নৱজ্যোতি শৰ্মাই চিকিৎসা প্ৰদান কৰে। এমপিডব্লিউ প্ৰদীপ চন্দ্ৰ বড়া, এএনএম গীতাৰাণী নাথকে ধৰি আশাকৰ্মীসকলে সহযোগিতা আগবঢ়ায়। শিবিৰত শতাধিক ৰোগীৰ চকু পৰীক্ষা সম্পন্ন কৰি চকুত ছানি পৰা ১৫ গৰাকী ৰোগীক বিনামূলীয়া অস্ত্ৰোপ্ৰচাৰ কৰাৰ বাবে বাছনি কৰে। বিনামূলীয়া চকু চিকিৎসা শিবিৰটোৰ জৰিয়তে অঞ্চলটোৰ যথেষ্ট সংখ্যক ৰাইজে চিকিৎসা সেৱা লাভ কৰাৰ উপৰি চকুৰ দৃষ্টিশক্তি সৰল কৰি ৰখাৰ ক্ষেত্ৰত বিভিন্ন দিহা আৰু সাৱধানতাৰ বিষয়ে অৱগত হয়।

## জীৱনৰ লক্ষ্যত উপনীত হ'বলৈ শিক্ষাৰ্থী জীৱনৰ পৰাই কৰিব লাগিব কঠোৰ পৰিশ্ৰম ঃ বড়া

### ওদালগুৰিত ৪০২ গৰাকী শিক্ষাৰ্থীক আনন্দৰাম বৰুৱা বঁটা প্ৰদান



অগ্ৰদূত বাৰ্তা

**টংলা, ৮ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে আজি ওদালগুৰিত এক মনোজ্ঞ অনুষ্ঠানৰ মাজত জিলাখনৰ পৰা ২০২২ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশতকৈ অধিক নম্বৰ লাভ কৰি উত্তীৰ্ণ হোৱা মুঠ ৪০২ গৰাকী শিক্ষাৰ্থীক ৰাজ্য চৰকাৰৰ আনন্দৰাম বৰুৱা বঁটা প্ৰদান কৰা হয়। ওদালগুৰিৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক জে পি ব্ৰহ্মই আঁত ধৰা অনুষ্ঠানত ৰাজ্যৰ উদ্যোগ-বাণিজ্য তথা সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা উপস্থিত থাকি কৃতী শিক্ষাৰ্থীসকলৰ মাজত আনন্দৰাম বঁটা প্ৰদান কৰে। অনুষ্ঠানত শিক্ষাৰ্থীসকলক সম্বোধন কৰি দিয়া ভাষণত মন্ত্ৰী বিমল বৰাই নিজৰ শিক্ষাৰ্থী জীৱনত লিখা মোৰ জীৱনৰ লক্ষ্য ৰচনাৰ প্ৰসংগ উনুকিয়াই পৃথিৱীৰ প্ৰত্যকজন মানুহৰ জীৱনৰ কিবা নহয় কিবা এটা উদ্দেশ্য থাকে কিন্তু জীৱনৰ লক্ষ্যত সেইসকলেহে উপনীত হ'বলৈ সক্ষম হয় যিসকলে ছাত্ৰ জীৱনৰ পৰাই লক্ষ্যত উপনীত হ'বলৈ কঠোৰ অনুশাসনৰ মাজত থাকি পৰিশ্ৰম কৰে বুলি উল্লেখ কৰে। তেওঁ শিক্ষাৰ্থীসকলক ভৱিষ্যত জীৱনত সফল হবলৈ শিক্ষাৰ্থী জীৱনৰ পৰাই নিজৰ লক্ষ্যপ্ৰাপ্তিৰ বাবে কঠোৰ সাধনাত ব্ৰতী হবলৈ আহ্বান জনায়। সভাত ওদালগুৰিৰ জিলা উপায়ুক্ত ড° ছাদনেক সিঙে আদৰণি ভাষণ প্ৰদান কৰি ৰাজ্য চৰকাৰৰ দ্বাৰা প্ৰদান কৰা আনন্দৰাম বৰুৱা বঁটা লাভ কৰি প্ৰতিগৰাকী শিক্ষাৰ্থীক অভিনন্দন জ্ঞাপনৰ লগতে ভৱিষ্যতে প্ৰতিগৰাকী শিক্ষাৰ্থী একো একোজন সফল ব্যক্তি হ'ব বুলি আশা প্ৰকাশ কৰে। সভাত বিটিচিআৰৰ জলসিঞ্চন বিভাগৰ কাৰ্যবাহী সদস্য ড° নিলুত স্বৰ্গীয়াৰীয়ে ভাষণ প্ৰদান কৰি শিক্ষাৰ্থীসকলৰ সম্বোধন কৰি অনুপ্ৰেৰণামূলক বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত বিটিআৰৰ ক্ৰীড়া আৰু সাংস্কৃতিক বিভাগৰ কাৰ্যবাহী সদস্য দাওবৈচা বড়ো, মাজবাট বিধানসভা সমষ্টিৰ বিধায়ক চৰণ বড়ো, এমচিএলএ সঞ্জয় স্বৰ্গীয়াৰী, ফ্ৰেছ মোছাহাৰী, ওদালগুৰি জিলা বিজেপিৰ সভাপতি সুনীল বসুমতাৰীৰ লগতে কে'বাগৰাকী শিক্ষা বিষয়া আৰু প্ৰশাসনিক বিষয়াৰ লগতে বিভিন্ন বিদ্যালয়ৰ অধ্যক্ষ আৰু প্ৰধান শিক্ষকসকল উপস্থিত থাকে।

## টীয়কত আৰক্ষীক বুঢ়া আঙুলি দেখুৱাই চোৰে ন ন কৌশলেৰে সংঘটিত কৰিছে চুৰি কাণ্ড

অগ্ৰদূত বাৰ্তা

**জাঁজী, ৮ ছেপ্টেম্বৰ ঃ** যোৰহাট জিলাৰ টীয়ক আৰক্ষীৰ চকুত ধূলি মাৰি নিতৌ সংঘটিত হ'ব ধৰিছে ন ন কৌশলৰ চুৰি কাণ্ড। এনে ধৰণে সংঘটিত হোৱা চুৰিকাণ্ডক লৈ চিন্তিত হৈছে টীয়কৰ জনসাধাৰণ। উল্লেখনীয় যে টীয়ক আৰক্ষীক বুঢ়া আঙুলি দেখুৱাই চোৰে দৈনিক নতুন নতুন কৌশল অৱলম্বন কৰি দোকান, ঘৰত চলোৱা লুটপাটত অতিষ্ঠ হৈছে সৰ্বসাধাৰণ ৰাইজ। এতিয়া দৰ্জা, বেৰ বা ছাটাৰ ভাঙি চোৰে লুটপাট চলোৱা নাই। ন কৌশলেৰে টীয়কৰ কানুপুখুৰী তিনিআলিৰ পংকজ জ্যোতি বৰুৱাৰ ইউপিএম অনলাইন নামৰ চেন্টাৰটোত নিশা চোৰ সোমাই লৈ যায় চেন্টাৰটোৰ চাৰিটাকৈ লেপটপ, নগদ ধনসহ বহু নথিপত্ৰ। উল্লেখ্য যে দুটা বছৰৰ পূৰ্বে উক্ত দোকানখনত চোৰে লুটপাট চলাইছিল যদিও অজি পৰ্যন্ত উক্ত ঘটনাত জড়িত কোনো এটা দুৰ্বৃত্তক কৰায়ত্ত কৰিবলৈ সক্ষম নহ'ল টীয়ক আৰক্ষী। তাৰ পাছতো টীয়ক আৰক্ষীৰ নিষ্ক্ৰিয়তাৰ সুযোগ গ্ৰহণ কৰি মাহটোৰ ভিতৰতে টীয়কত চোৰে বহুকেইখন মটৰ চাইকেল, দোকান আৰু নামঘৰত চুৰিকাণ্ড সংঘটিত কৰি আহিছে।

## দুৰ্গা পূজাৰ প্ৰস্তুতি সন্দৰ্ভত নাজিৰা মহকুমা প্ৰশাসনৰ পূজা সমিতিসমূহৰ লগত আলোচনা

অগ্ৰদূত বাৰ্তা

**নামতি, ৮ ছেপ্টেম্বৰ ঃ** আজি নাজিৰা মহকুমাৰ মহকুমাধিপতি কাৰ্যালয়ৰ সভাকক্ষত অতিৰিক্ত উপায়ুক্ত তথা নাজিৰা মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি সব্যসাচী কাশ্যপৰ সভাপতিত্বত আগন্তুক দুৰ্গাপূজা উদ্‌যাপন সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত মহকুমাধিপতিয়ে পূজা সমিতিৰ সদস্যসকলক জনায় যে মহকুমা প্ৰশাসনৰ পৰা অনুমতি লাভ কৰাৰ শেষ তাৰিখ ২৬ ছেপ্টেম্বৰ আৰু অনুমতি পত্ৰত থকা সকলো চৰ্তাৱলী মানি চলাটো বাধ্যতামূলক। সাংস্কৃতিক সন্ধিয়া পাতিব খোজা সমিতিসমূহে আগতীয়াকৈ অনুমতি ল'ব লাগিব। লগতে তেওঁ সকলোকে অৱগত কৰে যে এই সন্দৰ্ভত চৰকাৰৰ ফালৰ পৰা অহা নিৰ্দেশনাসমূহ মানি চলাটো বাধ্যতামূলক। তেওঁ পূজা সমিতিৰ বিষয়ববীয়াসকলক আৰক্ষী, অগ্নি আৰু বিদ্যুৎ বিভাগৰ পৰা আপত্তিবিহীন প্ৰমাণপত্ৰ বিচাৰি আবেদন আগতীয়াকৈ কৰিবলৈ অনুৰোধ জনায়। তেওঁ পূজাস্থলীসমূহত প্ৰৱেশ আৰু প্ৰস্থানপথ পৃথক কৰাৰ লগতে পুৰুষ-মহিলাৰ বাবেও পৃথক পথৰ ব্যৱস্থা কৰিবলৈ সমিতিৰ বিষয়ববীয়াসকলক নিৰ্দেশ দিয়ে। লগতে কয় যে চি চি টিভিৰ ব্যৱস্থা সকলো পেণ্ডেলত থাকিব লাগিব। ইয়াৰ উপৰি পূজা পেণ্ডেলত প্ৰতিকূল ঘটনা পৰিহাৰ কৰিবলৈ, অগ্নিনিৰ্বাপক, পানীৰ যোগান আদি মজুত ৰাখিবলৈ আহ্বান জনায়। তদুপৰি, তেওঁ প্ৰসাদ বিতৰণ কৰিবলৈ কোনোধৰণৰ প্লাষ্টিকৰ সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰিব বুলি নিৰ্দেশ দিয়ে। সভাত মহকুমা আৰক্ষী বিষয়াই পূজা সমিতিসমূহৰ লগত জড়িত স্বেচ্ছাসেৱকসকলৰ তালিকা পূজাৰ আগত সংশ্লিষ্ট আৰক্ষী চকীত জমা কৰিবলৈ আহ্বান জনোৱাৰ লগতে পূজাস্থলীসমূহত পৰ্যাপ্ত পৰিমাণৰ লাইটৰ ব্যৱস্থা ৰাখিবলৈ নিৰ্দেশ দিয়ে। আজিৰ এই সভাত নাজিৰা মহকুমাৰ অন্তৰ্গত পূজা সমিতিসমূহৰ সভাপতিসকল, নাজিৰা আৰু শিমলুগুৰি পৌৰসভাৰ সভানেত্ৰীদ্বয় ক্ৰমে বৰ্ণালী চেতিয়া, কবিতা মেচ, মহকুমা আৰক্ষী বিষয়া শুভলক্ষ্মী দত্ত, নাজিৰা ৰাজহ চক্ৰ বিষয়া ভানলাল লিম্পুই নাম্পুই, সহকাৰী আয়ুক্ত প্ৰীতম গগৈ, নিৰ্বাচনী বিষয়া অংশুলেখা দত্ত পাঠক, খণ্ড উন্নয়ন বিষয়া তন্ময় চেতিয়া, মহকুমা তথ্য আৰু জনসংযোগ বিষয়া ড° বৰ্ণালী দত্ত, কোষাগাৰ বিষয়া মহছিনা নাছৰিন প্ৰমুখ্যে অগ্নি নিৰ্বাপক বাহিনীৰ জ্যেষ্ঠ ষ্টেছন বিষয়া, লোকনিৰ্মাণ (পথ-গৃহ)ৰ কাৰ্যবাহী অভিযন্তাসকল, অসম শক্তি বিতৰণ কোম্পানীৰ কাৰ্যবাহী বিষয়া, আৰক্ষী বিভাগৰ লগতে বিভিন্ন বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

## পূৱ মাজৰচৰত পুনৰ ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ কালৰূপ

### ■ খহনীয়া প্ৰতিৰোধৰ দাবীত ৰাইজৰ উত্তাল প্ৰতিবাদ

**নগৰবেৰা, ৮ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ অন্তৰ্গত পূব মাজৰচৰত খহনীয়াই পুনৰ জটিল ৰূপ ধাৰণ কৰাত নৈপৰীয়া ৰাইজ আতংকিত হৈ পৰিছে। উল্লেখ্য যে পূব মাজৰচৰত বিগত প্ৰায় ২০টা বছৰ ধৰি অব্যাহত আছে ব্ৰহ্মপুত্ৰ নদীৰ অবিৰত খহনীয়া। এই ২০ টা বছৰে অবিৰতভাৱে অব্যাহত থকা খহনীয়াৰ কৱলত পৰি সংশ্লিষ্ট অঞ্চলটোৰ বহু পৰিয়ালে ইতিমধ্যে গৃহহাৰা হৈ অইনৰ মাটিত আশ্ৰয় লৈ দিন হাজিৰা কৰি নিজৰ পৰিয়াল পোহপাল দি আছে। পূব মাজৰচৰৰ বহু পৰিয়াল বিধ্বংসী খহনীয়াৰ কৱলত পৰি নিজৰ সপোনৰ ঘৰখন হেৰুৱাই পেলাইছে যদিও চৰকাৰে সেইসমূহ খহনীয়াগ্ৰস্ত পৰিয়ালক আজিকোপতি পুনৰ সংস্থাপন নিদিয়াৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। অবিৰতভাৱে অব্যাহত থকা খহনীয়াই পূব মাজৰচৰৰ কে'বা শতাধিক বিঘা কৃষি ভূমি খহাই নি বালিচৰত পৰিণত কৰাত এক হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। ইপিনে, সংশ্লিষ্ট অঞ্চলটোৰ খহনীয়া প্ৰতিৰোধৰ বাবে বিগত সময়ছোৱাত কে'বা কোটি টকাৰ পাৰ্কুপাইনৰ আঁচনি গ্ৰহণ কৰা হৈছিল যদিও উক্ত আঁচনিত ব্যাপক হাৰত লুণ্ঠনৰাজ চলাই কাম সমাপ্তি কৰাৰ ফলতে সেই আঁচনিৰ পৰা নৈপৰীয়া ৰাইজ তেনে কোনো লাভৱান নোহোৱাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। ফলত সংশ্লিষ্ট অঞ্চলটোত পুনৰ পূৰ্বৰ দৰেই অব্যাহত আছে খহনীয়াৰ কালৰূপ। শীঘ্ৰে সংশ্লিষ্ট অঞ্চলটোত খহনীয়া প্ৰতিৰোধৰ দাবীত আজি একাংশ ৰাইজ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। শীঘ্ৰে অঞ্চলটোত খহনীয়া প্ৰতিৰোধৰ বাবে এক বিশেষ আঁচনি গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে জিলা উপায়ুক্তৰ লগতে বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে।

# উচ্ছেদিতৰ কাষত কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতিৰ সঁজাতী দল



## বৰছলাৰ উচ্ছেদিত পৰিয়ালক ক্ষতিপূৰণ দিয়াৰ দাবী

**ষ্টাফ ৰিপৰ্টাৰ**

**তেজপুৰ, ৮ ছেপ্টেম্বৰ ঃ** যোৱা তিনি ছেপ্টেম্বৰত শোণিতপুৰৰ বৰছলা বিধানসভা সমষ্টিৰ তিনি নম্বৰ চিতলমাৰী অঞ্চলত হোৱা উচ্ছেদৰ পাছত আশ্ৰয়ৰ অভাৱত আজিও মুকলি আকাশৰ তলত দিন কটাইছে উচ্ছেদিত পৰিয়ালৰ লোকসকলে। আজি কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতি অসমৰ সভাপতি প্ৰশান্ত বৈশ্যৰ নেতৃত্বত উচ্ছেদিত এই পৰিয়ালসমূহৰ খবৰ ল'বলৈ তিনি নম্বৰ চিতলমাৰীত উপস্থিত হয় কৃষক শ্ৰমিক সংগঠনটোৰ এটা সঁজাতী দল। সংগঠনটোৰ অভিযোগ, এই পৰিয়াল কেইটাক উচ্ছেদ কৰা আজি পাঁচদিন অতিক্ৰম কৰাৰ পাছতো এই সৰ্বহাৰা লোকসকলৰ খবৰ ল'বলৈ আহৰি নাপালে কোনো এজন জনপ্ৰতিনিধিয়ে। উল্লেখ্য যে চৰকাৰী তথ্য অনুসৰি অঞ্চলটোৰ মুঠ ৮৬৪ বিঘা দুই কঠা ১১ লেচা মাটি বেদখল কৰাৰ বিপৰীতে মুঠ ২৯৯ টা পৰিয়ালক উচ্ছেদ কৰা হয়। সম্প্ৰতি উচ্ছেদিত লোকসকলে কণ কণ ল'ৰা-ছোৱালীক লগত লৈ মুকলি আকাশৰ তলত অস্বাস্থ্যকৰ পৰিৱেশৰ মাজত কটাইছে প্ৰতিটো নিশা। আজি উক্ত অঞ্চলত উপস্থিত হৈ কৃষক শ্ৰমিক নেতা বৈশ্যই লোকসকলৰ দুৰ্দশাৰ বুজ লোৱাৰ লগতে এই উচ্ছেদক ৰাজ্য চৰকাৰৰ অমানৱীয় কাৰ্য আখ্যা দিয়ে। কৃষক শ্ৰমিক সুৰক্ষা সংগ্ৰাম সমিতি অসমৰ সভাপতি বৈশ্যই চৰকাৰৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰি কয় যে যিখন চৰকাৰে দৰিদ্ৰ লোকৰ বাবে কাম কৰাৰ শ্ল'গান দিয়ে এইখন চৰকাৰেই শিঙৰীৰ তিনি নম্বৰ তিলিমাৰীৰ তিনিশ দৰিদ্ৰ পৰিয়ালক গৃহহীন কৰিলে। সমান্তৰালভাৱে চৰকাৰখনে শিশুসকলৰ শিক্ষাৰ অধিকাৰ কঢ়া বুলিও তেওঁ মন্তব্য কৰে। চৰকাৰৰ এনে নিৰ্দয় কাৰ্য কোনো কাৰণতে সহ্য কৰা নহ'ব বুলি উল্লেখ কৰি কৃষক শ্ৰমিক নেতা বৈশ্যই অহা সাত দিনৰ ভিতৰত উচ্ছেদিত পৰিয়ালসমূহক উপযুক্ত ক্ষতিপূৰণ আৰু পুনৰ সংস্থাপনৰো দাবী জনাইছে। সঁজাতী দলটোত সংগঠনটোৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি জাহেদ আলী, কেন্দ্ৰীয় যুটীয়া সম্পাদক অমৰ বৰ্মনৰ লগতে কে'বাজনো নেতা-কৰ্মী উপস্থিত আছিল।

## ঢেকীয়াখোৱা বৰনামঘৰক লৈ অপপ্ৰচাৰ চলাই ক্ষমা খুজিলে যুৱকৰ দলে

### ■ ৰেব প'ৰ্টেলৰ বিৰুদ্ধে আইনী ব্যৱস্থা ল'ব নামঘৰ পৰিচালনা সমিতিয়ে

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ৮ ছেপ্টেম্বৰ ঃ** যোৱা ছয় ছেপ্টেম্বৰত টীয়কৰ ঐতিহাসিক ঢেকীয়াখোৱা বৰনামঘৰক লৈ এক দুষ্টচক্ৰই এক ৱেব পেজত চলোৱা অপপ্ৰচাৰৰ বিৰুদ্ধে আজি ঢেকীয়াখোৱা বৰনামঘৰ পৰিচালনা সমিতিয়ে নামঘৰ প্ৰাংগণত এখন সংবাদমেল সম্বোধন কৰি স্পষ্টীকৰণ প্ৰকাশ কৰিছে। নামঘৰ পৰিচালনা সমিতিয়ে জনোৱা মতে, উক্ত দিনা ভকত বৈষ্ণৱৰ সমাগম ঘটিছিল নামঘৰ প্ৰাংগণত। সেয়ে দৰ্শনাৰ্থীৰ ভিৰ নিয়ন্ত্ৰণ কৰিবলৈ আৰক্ষী প্ৰশাসনে নামঘৰলৈ যোৱা মূল পথটো বন্ধ কৰি আইন-শৃংখলা অটুট ৰখাৰ স্বাৰ্থত অন্য এটা উপ পথ মুকলি কৰি দিছিল, যাৰ প্ৰভাৱ অঞ্চলৰ একাংশ যুৱকে প্ৰশাসনৰ বিনা অনুমতিত কেৱল ব্যৱসায়ৰ স্বাৰ্থত পতা পাৰ্কিঙৰ ব্যৱসায় কৰিছিল আৰু নিজৰ ব্যক্তিগত স্বাৰ্থ সিদ্ধিৰ অৰ্থে এই উদণ্ড যুৱকৰ দলে নামঘৰ প্ৰাংগণলৈ আহি নামঘৰ পৰিচালনা সমিতিক এই সিদ্ধান্ত বাতিল কৰিবলৈ ডাবি ধমকি দিয়াৰ লগতে আৰক্ষী প্ৰশাসন তথা জিলা উপায়ুক্তকো সাঙুৰি এক হুলস্থূলীয়া পৰিৱেশ সৃষ্টি কৰি সামাজিক মাধ্যমত নামঘৰ পৰিচালনা সমিতি আৰু প্ৰশাসনযন্ত্ৰৰ বিৰুদ্ধে বিৰূপ মন্তব্য আগবঢ়াইছিল। ইপিনে, সামাজিক মাধ্যমত নিৰ্দিষ্ট এটা ৱেব পেজত উক্ত ঘটনাটো সম্প্ৰচাৰ হোৱাৰ লগে লগে নামঘৰ পৰিচালনা সমিতিৰ লগতে ঢেকীয়াখোৱাবাসী জাঙুৰ খাই উঠে, লগে লগে ৰাজহুৱা সভা আহ্বান কৰি উক্ত হুলস্থূলীয়া পৰিৱেশ সৃষ্টি কৰা যুৱকসকলক কি কাৰণে এনে কৰিবলগীয়া পৰিস্থিতি হ'ল সেই সন্দৰ্ভত প্ৰশ্ন কৰে আৰু শেষত নিৰ্দিষ্ট যুৱকেইজনে ৰাইজৰ আগত নিজ ব্যৱসায়িক স্বাৰ্থতে এনে ঘটনা সংঘটিত কৰাৰ কথা স্বীকাৰ কৰে আৰু সকলোৰে আগত ক্ষমা বিচাৰে। উল্লেখ্য যে উদণ্ড যুৱককেইজন সংবাদ মেলত উপস্থিত থাকি সংবাদ মাধ্যমৰ আগত নিজৰ ভুল পুনৰ স্বীকাৰ কৰি সদৌ অসমবাসীৰ আগত ক্ষমা বিচাৰি প্ৰাৰ্থনা জনায়। ইপিনে, ৰাজহুৱা সভাই উক্ত ৱেব পেজৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণ কৰিব বুলিও জানিবলৈ দিয়ে। লগতে ঢেকিয়াখোৱা ব্যৱসায়ী সন্থা আৰু সচেতন সমাজেও এই উদণ্ড যুৱকৰ দলটোৱে কেৱল টকাৰ লালসাত ব্যৱসায়ৰ নামত ঐতিহাসিক পীঠক লৈ কৰা এনে চক্ৰান্তক তীব্ৰ ভাষাৰে গৰিহণা দিছে। লগতে পাৰ্কিঙৰ বাবে নামঘৰ পৰিচালনা সমিতিয়ে বিনামূলীয়াকৈ বহু উপযুক্ত স্থানৰ ব্যৱস্থা কৰি থৈছে আৰু সকলো দৰ্শনাৰ্থীকে উক্ত স্থান পাৰ্কিং কৰিবলৈ আহ্বান জনাইছে।

## মৰিয়নি মহাবিদ্যালয়ত দুখনকৈ আলোচনী-প্ৰাচীৰ পত্ৰিকা উন্মোচন

### স্কুল-কলেজৰ আলোচনী সৃষ্টিশীল প্ৰতিভাৰ স্বাক্ষৰ

**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ৮ ছেপ্টেম্বৰ ঃ** মৰিয়নি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আজি মহাবিদ্যালয়খনত এক মনোগ্ৰাহী অনুষ্ঠান অনুষ্ঠিত হয়। অসমীয়া বিভাগৰ 'অসমীয়া সাহিত্য চ'ৰা'ৰ মুখপত্ৰ 'অন্বেষণ'ৰ দ্বিতীয় সংখ্যা আজি উন্মোচন কৰা হয়। এই অনুষ্ঠানতে অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা লিখা আৰু সম্পাদনা কৰা হাতে লিখা আলোচনী 'কাঁচিয়লি'ও উন্মোচন কৰা হয়। দুয়োখন আলোচনী উন্মোচন কৰে মৰিয়নি



মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ তথা অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা, বিশিষ্টা সাহিত্যিক ড০ জিতাঞ্জলী বৰপূজাৰীয়ে। আলোচনী দুখন উন্মোচন কৰি ড০ বৰপূজাৰীয়ে কয়, 'স্কুল-কলেজৰ আলোচনীসমূহ হৈছে ছাত্ৰ-ছাত্ৰীৰ ১৩ পৃষ্ঠাত চাওক

## নগৰবেৰাত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ ৯৬ সংখ্যক জন্মদিন পালন



**নগৰবেৰা, ৮ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে কামৰূপ জিলাৰ বকো সমষ্টিৰ নগৰবেৰাতো সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ ৯৬ সংখ্যক জন্মদিন পালন কৰা হয়। নগৰবেৰা আঞ্চলিক উদ্‌যাপন কমিটীৰ উদ্যোগত স্থানীয় ছমৰীয়া উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ সমীপত উদ্‌যাপন কৰা ড০ হাজৰিকাৰ জন্মদিন উপলক্ষে পুৱা পতাকা উত্তোলন কৰে নগৰবেৰা আঞ্চলিক মৌজা কমিটীৰ সভাপতি উদয় শংকৰ মেধিয়ে। ইয়াৰ পাছতে বন্তি প্ৰজ্বলনৰ লগতে সুধাকণ্ঠ ড০ হাজৰিকাৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ আৰু পুষ্পাঞ্জলি প্ৰদান কৰা হয়। অনুষ্ঠানত নগৰবেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ধনেশ্বৰ দাস, মৌজা কমিটীৰ সম্পাদক ভৰেশ তালুকদাৰ, অৱসৰপ্ৰাপ্ত শিক্ষক ক্ৰমে ইন্দ্ৰমোহন দাস, বিভূতি ঠাকুৰীয়া, পঞ্চানন কলিতা, অৱসৰপ্ৰাপ্ত কৰ্মচাৰী হৰিচৰণ ঠাকুৰীয়া, সুভাষ দাস, অমৰেন্দ্ৰ দাস, শিক্ষক ৰঞ্জিত পাটোৱাৰী, উদ্‌যাপন সমিতিৰ সভাপতি মংগল ঠাকুৰ সম্পাদক নজিৰ উদ্দিন আহমেদ আদিয়ে উপস্থিত থাকি বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি প্ৰদান কৰি সুধাকণ্ঠক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। তদুপৰি এই উপলক্ষে অনুষ্ঠানত কে'বাগৰাকী শিল্পীয়ে উপস্থিত থাকি ড০ হাজৰিকাৰ বিভিন্ন ধৰণৰ গীত-মাত পৰিৱেশন কৰে।

## লক্ষীবাৰী জাতীয় বিদ্যালয়ত সংগীত সূৰ্য ড০ ওপজা দিন পালন

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ৮ ছেপ্টেম্বৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে গোলাঘাট জিলাৰ লক্ষীবাৰী অঞ্চলৰ অগ্ৰণী শিক্ষানুষ্ঠান লক্ষীবাৰী জাতীয় বিদ্যালয়ত আজি সংগীত সূৰ্য তথা ভাৰতৰত্ন ড০ ভূপেন হাজৰিকাৰ ৯৬ সংখ্যক ওপজা দিন পালন কৰা হয়। সেই উপলক্ষে পুৱাৰ ভাগত বৰেণ্য শিল্পীজনৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে স্থানীয় শিল্পী মঞ্জুৰেখা গগৈয়ে। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে ড০ হাজৰিকাৰ 'মানুহে মানুহৰ বাবে' কালজয়ী গীতেৰে সভা আৰম্ভ কৰে। উল্লেখ্য যে লক্ষীবাৰী শাখা সাহিত্য সভাৰ সম্পাদক খগেন বৰাৰ সঞ্চালনাত অনুষ্ঠিত সভাত শিক্ষকগোটে সংগীত শিল্পীজনৰ কালজয়ী গীত আৰু জীৱন-দৰ্শনৰ বিষয়ে আলোকপাত কৰে।

## বেজেৰাত প্ৰত্যুষৰ উদ্যোগত বিনামূলীয়া চকু চিকিৎসা শিবিৰ সম্পন্ন



**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী/বাইহাটা চাৰিআলি, ৮ ছেপ্টেম্বৰ ঃ** স্বেচ্ছাসেৱী সংগঠন 'প্ৰত্যুষ'ৰ উদ্যোগত আজি ৩৭ সংখ্যক নেত্ৰদান পষেক উপলক্ষে বিনামূলীয়া চকু চিকিৎসা শিবিৰ অনুষ্ঠিত হৈ যায়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ নেত্ৰালয় বিভাগৰ সৌজন্যত ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত চকু চিকিৎসা শিবিৰটোৰ সমান্তৰালভাৱে নেত্ৰদান আৰু চকু চিকিৎসা সম্বন্ধীয় এখন সজাগতামূলক সভাও অনুষ্ঠিত হয়। প্ৰত্যুষৰ সভাপতি বলোৰাম বৰুৱা আৰু সম্পাদক তপন ডেকাই আঁত ধৰা সজাগতামূলক সভাত চকু চিকিৎসা আৰু নেত্ৰদান সম্পৰ্কে ডাঃ জ্যোতি ভূঞাই বহুমূলীয়া বক্তব্য প্ৰদান কৰে। সজাগতা সভাত মুখ্যমন্ত্ৰীৰ ব্যক্তিগত সহায়ক প্ৰাণজিৎ ডেকা, বিজেপি বেজেৰা মণ্ডলৰ সভাপতি দিলীপ ডেকা, প্ৰাক্তন ছাত্ৰনেতা বনজিৎ ডেকা, পংকজ বৰুৱা প্ৰমুখ্যে কে'বাজনো লোকে অংশগ্ৰহণ কৰে। সজাগতা সভাৰ পাছতে অনুষ্ঠিত বিনামূলীয়া চকু চিকিৎসা শিবিৰটোত সাতজন চিকিৎসকে প্ৰায় দুই লক্ষাধিক ৰোগীক চিকিৎসা প্ৰদান কৰে। বিনামূলীয়া চিকিৎসা শিবিৰটো চলি থকা সময়তে মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰীয়ে শিবিৰ পৰিদৰ্শন কৰে।

## নিৰুদ্দেশ কন্যাৰ সন্ধান বিচাৰি জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত পিতৃ-মাতৃ



**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ৮ ছেপ্টেম্বৰ ঃ** চিৰাং জিলা সদৰ কাজলগাঁওস্থিত জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়লৈ নিজৰ কন্যাৰ সন্ধান বিচাৰি উপস্থিত হ'ল পিতৃ-মাতৃ। জিলাখনৰ আমগুৰি আৰক্ষী থানাৰ অন্তৰ্গত পলাংগুগুৰী গাঁৱৰ জীৱন দাস আৰু পাৰ্বতি দাসৰ জীয়ৰী মিনতি দাসে (২১) যোৱা ১৪ আগষ্টত ঘৰৰ পৰা ব্লাউজ চিলাই বৰদেউতাকৰ ঘৰলৈ ওলাই যোৱাৰ পাছৰে পৰা সন্ধানহীন হৈ আহিল, পিতৃয়ে নিজৰ জীয়ৰীৰ সন্ধান বিচাৰি আৰক্ষী অধীক্ষকৰ কাৰ্যালয়লৈ আহে। চিৰাং জিলা সমিতিৰ সদৌ অসম বাঙালী যুৱ-ছাত্ৰ ফেডাৰেছনৰ সভাপতি মাণিক দত্তও পৰিয়ালটিৰ স'তে উপস্থিত হয় জিলা আৰক্ষী অধীক্ষকৰ ওচৰত। আৰক্ষী অধীক্ষকৰে পৰিয়ালটিক প্ৰতিশ্ৰুতি প্ৰদান কৰে নিৰুদ্দিষ্ট যুৱতীগৰাকীৰ সন্ধান ওলোৱাত আৰক্ষীয়ে যৎপৰোনাস্তি চেষ্টা চলাব বুলি। যিহেতু নিৰুদ্দেশ হোৱাৰ দিনাখন নিজৰ ম'বাইলটিও লগত লোৱা নাছিল কিছু অসুবিধাৰ সন্মুখীন হোৱা ১৩ পৃষ্ঠাত চাওক

## জিলা প্ৰতিষ্ঠা দিৱস উপলক্ষে মাজুলী মহাবিদ্যালয়ত বক্তৃতানুষ্ঠান সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ৮ ছেপ্টেম্বৰ ঃ** সপ্তম মাজুলী জিলা প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি মাজুলীৰ উচ্চ শিক্ষাৰ অগ্ৰণী স্বৰূপ মাজুলী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত আন্তঃবিভাগীয় বক্তৃতা আৰু প্ৰবন্ধ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। মাজুলী জিলা বৰ্তমান আৰু ভৱিষ্যৎ শীৰ্ষক বক্তৃতা প্ৰতিযোগিতাখন উদ্বোধন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ দেৱজিৎ শইকীয়াই মাজুলী জিলা প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ে গ্ৰহণ কৰা বিভিন্ন কাৰ্যসূচীৰ বিষয়ে সকলোকে অৱগত কৰে। তাৰ লগতে শিক্ষাৰ্থীসকলৰ মাজত অনুষ্ঠিত কৰা এনে অনুষ্ঠানসমূহে নৱ প্ৰজন্মক মাজুলীৰ সমস্যাসমূহৰ বিষয়ে অধিক সজাগ কৰি তাৰ নিৰ্মোহ বিশ্লেষণ আগবঢ়োৱাত সহায়ক হ'ব বুলি মন্তব্য কৰে। প্ৰতিযোগিতাখনত বিচাৰকৰ আসন শুৱনি কৰে মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক ড০ ৰাজেন চন্দ্ৰ বৰা, মায়াশ্ৰী হাজৰিকা আৰু গীতাৰাণী গোস্বামীয়ে। উল্লেখ্য যে প্ৰায় ২০ জনৰো অধিক প্ৰতিযোগীয়ে যোগদান কৰা প্ৰতিযোগিতাখনত প্ৰত্যেক প্ৰতিযোগীয়ে নিজ দক্ষতাৰে বিভিন্ন দিশ সামৰি প্ৰদান কৰা বক্তৃতাই সকলোকে মোহিত কৰে। প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা উপস্থিত থাকি সৌষ্ঠৱ বৃদ্ধি কৰে। বক্তৃতা প্ৰতিযোগিতাখনত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে ভাগ্যজ্যোতি দত্ত, শিৱানী মিলি আৰু সপোনজ্যোতি শইকীয়াই। বিচাৰকৰ বিশেষ বঁটা লাভ কৰে লক্ষ্য প্ৰতীম শইকীয়াই। আনহাতে, প্ৰবন্ধ প্ৰতিযোগিতাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে ছায়াৰাণী বৰা, শিৱানী মিলি আৰু গৌতম শইকীয়া আৰু ডিম্পী শইকীয়াই (যুটীয়াভাৱে)।

## নুমলীগড়ত বিদ্যালয় কোঠাৰ শিলান্যাস



**অগ্ৰদূত বাৰ্তা**

**বোকাখাত, ৮ ছেপ্টেম্বৰ ঃ** নুমলীগড় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উচ্চতৰ শাখাৰ বাবে চাৰিটাকৈ শ্ৰেণী কোঠ নিৰ্মাণৰ বাবে আজি শিলান্যাস কৰা হয়। শিলান্যাস কৰে নুমলীগড়ৰ সমাজকৰ্মী ৰবীন কছাৰী আৰু গোলাঘাট জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক কাৰ্যালয়ৰ মুখ্য কাৰ্যালয় সহায়ক অৰুণ বৰাই। অনুষ্ঠানত বিশেষভাৱে শিলান্যাস কৰে ৰজাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা পাৰোল দেৱী, সমাজকৰ্মী ভৱানী শৰ্মা, ৰূপনাৰায়ণ শৰ্মা, চাহ জনগোষ্ঠীৰ নেতা বিবেক ৰাজোৱাৰে।

## শ্ৰেণীকোঠাৰ ভিতৰত থাকিয়েই পৃথিৱীখন সলনি কৰিব পাৰি ঃ মালাকাৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ৮ ছেপ্টেম্বৰ ঃ** নগাঁও কলেজত দুদিনীয়াকৈ আয়োজন কৰা নৱাগত আদৰণি অনুষ্ঠানৰ আজি সামৰণি পৰে। যোৱা সাত ছেপ্টেম্বৰৰ পুৱা ন বজাত পাতাকা উত্তোলন আৰু বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা দুদিনীয়া নৱাগত আদৰণি সভাৰ মুকলি সভাত সুদক্ষ অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া, সুসাহিত্যিক, সুবক্তা থানেশ্বৰ মালাকাৰ মুখ্য অতিথিৰূপে



উপস্থিত থাকি দিয়া ভাষণত কয় যে শ্ৰেণীকোঠাৰ ভিতৰৰ পৰাই পৃথিৱীখন সলনি কৰিব পাৰি। শ্ৰদ্ধাৱানসকলেহে জ্ঞান আহৰণ কৰিব পাৰে। ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি দিয়া ভাষণত তেওঁ উল্লেখ কৰে যে জিজ্ঞাসা থাকিলেহে সফলতা লাভ কৰিব পাৰি। তেওঁ লগতে কয় যে পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ শিক্ষক হ'ল কৃষ্ণ আৰু ছাত্ৰ হ'ল অৰ্জুন। ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰাণিত কৰি দিয়া মনোজ্ঞ বক্তৃতাত তেওঁ উল্লেখ কৰে যে সৰিয়হ ১৩ পৃষ্ঠাত চাওক

## টোপাতলীত জ্যেষ্ঠ অৱসৰপ্ৰাপ্ত শিক্ষকক সম্বৰ্ধনা



**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ৮ ছেপ্টেম্বৰ ঃ** ক্ষেত্ৰীৰ নিকটৱৰ্তী টোপাতলীস্থিত পূব ডিমৰীয়া মধ্য ইংৰাজী বিদ্যালয়ৰ সভাগৃহত, ডিমৰীয়া প্ৰাথমিক শিক্ষা খণ্ডৰ উদ্যোগত তথা এছ আৰ এফ ফাউণ্ডেছনৰ সহযোগত আজি শিক্ষা খণ্ডটোৰ অধীনৰ জ্যেষ্ঠতাৰ ভিত্তিত ২১ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক সম্বৰ্ধনা জনোৱা হয়। ডিমৰীয়া প্ৰাথমিক শিক্ষা বিষয়া হনি চমুৱা নাথে আৰম্ভ কৰা অনুষ্ঠানটোৰ আৰম্ভণিতেই শিক্ষাবিদ, দাৰ্শনিক, প্ৰাক্তন ৰাষ্ট্ৰপতি ১৩ পৃষ্ঠাত চাওক

## নলবাৰী কৃষি বিভাগৰ উদ্যোগত খাৰিফ বতৰৰ 'মেৰী পলিচী মেৰে হাথ' পলিচী বিতৰণ



**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৮ ছেপ্টেম্বৰ ঃ** ভাৰত চৰকাৰৰ 'আজাদী কা অমৃত মহোৎসৱ ইণ্ডিয়া-৭৫' অভিযানৰ অংশৰূপে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত ২০২২ৰ খাৰিফ বতৰত 'মেৰী পলিচী মেৰে হাথ' নামৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই কাৰ্যসূচীৰে সংগতি ৰাখি নলবাৰী জিলা কৃষি বিভাগৰ উদ্যোগত আজি ছয় নম্বৰ পশ্চিম বতাহগিলা গাঁও পঞ্চায়ত আৰু ১১ নম্বৰ দেহাৰকুছি গাঁও পঞ্চায়তত মহকুমা কৃষি বিষয়া মুনিন্দ্ৰ কুমাৰ শৰ্মা, মহকুমা কৃষি বিষয়া উমেশ ডেকা আৰু আঁচনি বিষয়া জোনালী শৰ্মৰ উপস্থিতিত 'মেৰী পলিচী মেৰে হাথ' অভিযানৰ অংশস্বৰূপে পঞ্জীয়নভুক্ত কৃষকক ফচল বীমা পলিচী বিতৰণ কৰা হয়। উল্লেখ্য যে আজিৰে পৰা জিলাখনৰ আটাইকেইখন গাঁও পঞ্চায়তত সপ্তাহজোৰা পলিচী বিতৰণ কাৰ্যসূচী হাতত লোৱা হৈছে। এই কাৰ্যসূচীত অংশ লৈ মহকুমা কৃষি বিষয়াসকলে জিলাখনৰ প্ৰতিজন কৃষকক প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। লগতে ফচল বীমা যোজনাৰ পৰা কেনেদৰে কৃষকসকল উপকৃত হ'ব সেই সন্দৰ্ভত বিশদভাৱে বিষয়াসকলে কৃষকসকলক পৰামৰ্শ আগবঢ়ায়। পলিচী বিতৰণ অনুষ্ঠানত বহু আগ্ৰহী কৃষকে বীমা কৰে।

## ৪৩২জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে চাৰিজন শিক্ষক

### ■ সীমিত সুবিধাৰ মাজতেই ধাৰাবাহিকভাৱে এ-প্লাছ গ্ৰেডেৰে উজ্বলিছে মেৰাপানীৰ এখন চৰকাৰী খণ্ডৰ বিদ্যালয়

**অগ্ৰদূত বাৰ্তা**

**মেৰাপানী, ৮ ছেপ্টেম্বৰ ঃ** যি সময়ত চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ অৱস্থাক লৈ দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল আৰু অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই টুইটাৰত বাকযুদ্ধ অব্যাহত ৰাখিছে, তাৰ মাজতে সীমিত সুবিধাৰ মাজতেই উজ্বলি উঠিছে মেৰাপানীৰ এখন প্ৰাথমিক বিদ্যালয়। ৰাজ্যত এফালে পৰ্যাপ্ত ছাত্ৰ-ছাত্ৰীৰ অভাৱত চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহ ইখনৰ পাছত সিখনকৈ বন্ধ হ'ব ধৰিছে তেনে সময়তে গোলাঘাট পূব শিক্ষাখণ্ডৰ অন্তৰ্গত মেৰাপানী টাউন প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ অত্যধিক উপস্থিতিৰ ফলত বহিবলৈও ঠাই নোহোৱা হৈছে। গোলাঘাট জিলাৰ মেৰাপানী সীমান্তত অৱস্থিত ১৯৪৮তে প্ৰতিষ্ঠা হোৱা মেৰাপানী টাউন প্ৰাথমিক বিদ্যালয়ত সম্প্ৰতি ৪৩২ গৰাকী ছাত্ৰ-ছাত্ৰী থকাৰ বিপৰীতে চৰকাৰে নিযুক্তি দিয়া স্থায়ী শিক্ষক আছে মাত্ৰ চাৰিজন। ইয়াৰ মাজতেই শিক্ষকসকলৰ ধাৰাবাহিক প্ৰচেষ্টাত



উজলি উঠিবলৈ সক্ষম হৈছে বিদ্যালয়খন। মেৰাপানী অঞ্চলৰ চৰকাৰী খণ্ডৰ অগ্ৰণী শিক্ষানুষ্ঠানটিয়ে ২০২২ বৰ্ষৰ গুণোৎসৱত এ-প্লাছ গ্ৰেড লাভ কৰাৰ লগতে বিগত তিনিটা বছৰৰ দৰে ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি মূল্যায়নৰ তালিকাত স্থান পাবলৈ সক্ষম হৈছে। ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষক নথকাৰ সত্ত্বেও এক সুন্দৰ পৰিৱেশৰ মাজত বিদ্যালয়ৰ চাৰিওজন শিক্ষকে সম্পূৰ্ণ অনুশাসন, নিয়মানুৱৰ্তিতা বজাই ৰাখি শিক্ষাদান কৰি আহিছে ছাত্ৰ-ছাত্ৰীসকলক। উল্লেখ্য যে শিক্ষা অধিকাৰ আইন ২০০৯ অনুসৰি প্ৰতি ৩০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে এজনকৈ শিক্ষক থাকিব লাগে যদিও বিদ্যালয়খনত এজন শিক্ষকেই দায়িত্ব ল'ব লাগে শতাধিক শিক্ষাৰ্থীৰ। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ শিক্ষা দানত যাতে ব্যাঘাত নজন্মে তাৰ বাবে বিদ্যালয়ৰ প্ৰধান শিক্ষক সুমন্ত দাসে নিজা দৰমহাৰ টকাৰে পৰিচালনা সমিতিৰ সহযোগত তিনিজনকৈ স্বেচ্ছামূলক শিক্ষক নিযুক্তি দিছে। বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি অতি শীঘ্ৰেই শিক্ষক নিযুক্তিৰ আহ্বান জনাইছে প্ৰধান শিক্ষক দাসে।

## বিদ্যুৎ বিভাগৰ খালী পদ-অস্থায়ী কৰ্মীক নিয়মীয়াকৰণৰ দাবী আছাম ষ্টেট আউটছৰ্চ্ছ ৱৰ্কাৰ্ছ ইউনিয়নৰ

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ৮ ছেপ্টেম্বৰ ঃ** অসমৰ শক্তিখণ্ডত বছৰ-বছৰ ধৰি ধুমুহা-বৰষুণৰ মাজতো নিষ্ঠাৰে কৰ্তব্য সম্পাদন কৰি ৰাইজক বিদ্যুৎ যোগানত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অস্থায়ী বিদ্যুৎ কৰ্মচাৰীসকলৰ পদ নিয়মীয়াকৰণেৰে চৰকাৰে ঘোষণা কৰা পাঁচ হেজাৰ পদ পূৰণৰ দাবী জনাইছে আছাম ষ্টেট আউটছৰ্চ্ছ ৱৰ্কাৰ্ছ ইউনিয়নে। আজি এক প্ৰেছ বিবৃতিত উল্লেখ কৰে যে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ উত্তৰসূৰী তিনিটা কোম্পানী ক্ৰমে অসম শক্তি বিতৰণ কোম্পানী লিমিটেড, অসম শক্তি উৎপাদন নিগম আৰু অসম বিদ্যুৎ সংবহন নিগমৰ বিভিন্ন বিভাগত পাঁচ সহস্ৰাধিক কৰ্মচাৰীয়ে নিজৰ জীৱনক তুচ্ছ কৰি বিনা বেতনে কাম কৰি আহিছে। আনকি ক'ভিডসৃষ্ট পৰিৱেশৰ মাজতো কৰ্মচাৰীসকলে বিনা বেতনে নিৰন্তৰভাৱে বিভাগটোলৈ সেৱা আগবঢ়াই আহে। বিভাগটোৰ ৬০ শতাংশ কাম অস্থায়ী বিদ্যুৎ কৰ্মীৰ দ্বাৰা সমাপন হোৱাৰ পাছতো আৰ্থিক অনাটনত ভুগি কৰ্মচাৰীসকলে চাকৰিসমূহ নিয়মীয়াকৰণৰ আৰ্জিৰে বিভাগীয় মন্ত্ৰীক লগ ধৰাত বিভাগটোৱে লাভৰ মুখ দেখিলে চাকৰিসমূহ নিয়মীয়াকৰণ কৰা হ'ব বুলি আশ্বাস দিয়ে যদিও সময়ত ফুটুকাৰ ফেনত পৰিণত হয়। সংগঠনটোৰ সাধাৰণ সম্পাদক ধনজিৎ কুমাৰ ৰায় স্বাক্ষৰিত বিবৃতিটোত উল্লেখ কৰা মতে, ইতিমধ্যে বিভাগটোৱে তিনিশ কোটি টকা আয় কৰিছে যদিও অস্থায়ী কৰ্মচাৰীসকললৈ চকু দিবলৈ আহৰি নাই। এনে সময়তে অসম চৰকাৰে শক্তি বিভাগত বিদ্যুৎ বিভাগৰ খালী হৈ থকা পাঁচ হেজাৰ পদ পূৰণ কৰিব বুলি ঘোষণা কৰা কাৰ্যক আদৰণি জনাইছে ইউনিয়নে। উক্ত পাঁচ হেজাৰ পদত নতুনকৈ কোনো বাছনি প্ৰক্ৰিয়া অনুষ্ঠিত নকৰিবলৈ ইউনিয়নৰ সাধাৰণ সম্পাদক ৰায়ে বিবৃতিত আহ্বান জনোৱাৰ লগতে উক্ত পদসমূহ অস্থায়ী কৰ্মীৰ পদ নিয়মীয়াকৰণেৰে পূৰণ কৰাৰ দাবী জনায়। অন্যথা গণতান্ত্ৰিকভাৱে আন্দোলন গঢ়ি তুলিব বুলি সকীয়াই দিয়ে বিবৃতিটোত।

# নগাঁৱত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ওপজা দিন উদ্‌যাপন

## পাঁচ শতাধিক শিল্পী, ছাত্ৰ-ছাত্ৰীয়ে সমস্বৰে গালে ‘মানুহে মানুহৰ বাবে’



**বিশেষ সংবাদদাতা**
**নগাঁও, ৮ ছেপ্টেম্বৰ ঃ** সমগ্ৰ অসমৰ লগতে নগাঁও জিলাতো আজি সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ৯৬ সংখ্যক ওপজা দিন বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে উদ্‌যাপন কৰে। শিল্পী সমাজ, অসমৰ উদ্যোগত আজিৰে পৰা তিনিদিনীয়াকৈ সুধাকণ্ঠ ড° হাজৰিকাৰ ওপজা দিন উদ্‌যোপন কৰা হৈছে। আজি নগাঁও জিলাৰ পুথিভঁৰালত পতাকা উত্তোলনৰে ড° হাজৰিকাৰ ওপজা দিনৰ কাৰ্যসূচী মুকলি কৰা হয়। দুপৰীয়া পাঁচ শতাধিক শিল্পী, ছাত্ৰ-ছাত্ৰী, শিক্ষক, শিক্ষয়িত্ৰী আদিয়ে ড° হাজৰিকাৰ কালজয়ী গীত ‘মানুহে মানুহৰ বাবে’ সমস্বৰে পৰিবেশন কৰে। অসমীয়া সাহিত্য সন্মিলনীৰ নগাঁও জিলা সমিতিৰ উদ্যোগত পেঞ্চনাৰ ভৱনত ড° হাজৰিকাৰ ওপজা দিন উদ্‌যাপন কৰা হয়। সন্মিলনীৰ জিলা সভাপতি ঋষেশ্বৰ ঠেঙাল শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ আৰম্ভণিতে হাজৰিকাৰ প্ৰতিচ্ছবিত মাল্য প্ৰদান কৰে সমাজকৰ্মী মুকুট ভূঞাই। মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি ড° প্ৰাণেশ্বৰ নাথে কয়, ‘সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আমাৰ সকলোৰে হৃদয়ত আছে। ড° হাজৰিকাক লৈ আমি গৌৰৱ অনুভৱ কৰো। তেওঁৰ গীতৰ বিষয়বস্তুৰ ভিন্নতা এক উল্লেখনীয় বৈশিষ্ট্য।’ সভাত সন্মিলনীৰ ৰাজ্যিক সভাপতি ড° সাগৰ বৰুৱাকে ধৰি কে’বাজনো বিশিষ্ট লোকে অংশগ্ৰহণ কৰে। সভাতেই প্ৰীতিস্মিতা বৰাৰ ‘প্ৰেমৰ দ্বিতীয় অধ্যায়’ আৰু সুৰেন কুমাৰ বৰাৰ গল্প সংকলন’ ‘মই ভালে আছো’ গ্ৰন্থ দুখন উন্মোচন কৰে ক্ৰমে গল্পকাৰ শিবানন্দ কাকতি আৰু সাহিত্যিক ভদ্ৰেশ্বৰ ৰাজখোৱাই। সভাত গীত-মাত, কবিতা আবৃত্তি আদি পৰিৱেশন কৰা হয়। শিল্পী কানন, অসমৰ উদ্যোগত ছহিদ ভৱনৰ সন্মুখত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়।

# কলিয়াপানী-কমাৰবন্ধা গাঁও পঞ্চায়তত ব্যাপক দুৰ্নীতি

## আঁচনিৰ নামত বিকাশ ঘটিছে বিষয়ববীয়াৰ

**অগ্ৰদূত বাৰ্তা**
**আঠখেলীয়া, ৮ ছেপ্টেম্বৰ ঃ** অসম চৰকাৰৰ অধীনস্থ একাংশ গাঁও পঞ্চায়তৰ সভাপতি আৰু ৱাৰ্ড সদস্যৰ চূড়ান্ত দুৰ্নীতিৰ বাবেই অসমৰ বহু অঞ্চলত চৰকাৰৰ আঁচনি অনুযায়ী কাৰ্য ৰূপায়ণ হোৱাৰ পৰিৱৰ্তে বিষয়া-কৰ্মচাৰীসকলৰ একাংশৰহে উন্নতি হোৱাৰ অভিযোগ উঠিছে। অভিযোগ মতে, বিগত সময়ত ত্ৰয়োদশ, চতুৰ্দশ আৰু পঞ্চদশ বিত্ত আয়োগৰ পুঁজিৰে ৰাজ্যখনত কৃষি খণ্ডৰ লগতে বাটপথসমূহৰ উন্নয়নৰ দিশত কোটি কোটি টকা দুহেজাৰৰ অধিক সংখ্যক গাঁও পঞ্চায়তলৈ প্ৰদান কৰা হৈছিল; কিন্তু সেই মতে কাম নোহোৱাৰ অভিযোগ সৰ্বত্ৰে। কোনো কোনো ঠাইত কৃষিৰ বাবে জলসিঞ্চন আঁচনিৰ অধীনত ক’ৰবাত সৰু খাল এটা খান্দিয়ে লাখ লাখ টকা হজম কৰা হ’ল। ক’ৰবাত আকৌ খেলপথাৰ, গ্ৰাম্য বজাৰ ঘৰ নিৰ্মাণৰ নামত পঞ্চায়ত সভাপতি, সম্পাদক আৰু সংশ্লিষ্ট ৱাৰ্ড সদস্যৰ ঘৰ-দুৱাৰেহে ৰং সলালে। গান্ধীজীৰ গ্ৰাম স্বৰাজৰ নামত প্ৰায় প্ৰতিখন আঁচনিতে বিষয়ববীয়াৰ চকুত লগা উন্নতি কোনেও ৰোধ কৰিব পৰা নাই। দুৰ্নীতিৰ ৰোধৰ নামত এম জি এনৰেগা আঁচনিত ভুৱা উপভোক্তাৰ বেংক একাউণ্টৰ জৰিয়তে ৰাজ্যখনত বিষয়ববীয়াসকলে লুণ্ঠন অব্যাহত ৰাখিছে। উদাহৰণস্বৰূপে গোলাঘাট জিলাৰ কলিযাপানী গাঁও পঞ্চায়তৰ বিগত সময়ৰ এম জি এনৰেগা আঁচনিৰ অধীনত বিছনাৰ পৰা উঠিব নোৱৰা ৰোগীৰ হাজিৰাৰ ধন দিয়াই নহয় অৰুণোদয় আঁচনিৰ এগৰাকী মহিলাৰ নামত থকা বেংকৰ পাছবুকত আন এগৰাকী মহিলাৰ ধন প্ৰতি মাহে জমা হৈ আছে। তদুপৰি লাখ লাখ টকীয়া শ্মশান নিৰ্মাণৰ নামত ঠিকাদাৰে মাত্ৰ সাধাৰণ টিনৰ চালিৰ ঘৰ এটা সাজিয়ে দায়িত্ব সামৰিছে কমাৰবন্ধা গাঁও পঞ্চায়ত অঞ্চলত। আন এক গুৰুতৰ অভিযোগ অনুযায়ী, স্বয়ং সভাপতি আৰু আঞ্চলিক পঞ্চায়তৰ সদস্যৰ জ্ঞাতেই এগৰাকী চৰকাৰী পক্ষৰ লোকে ৫০ ফুট দীঘল, ২৫ ফুট বহল আঠ ফুট দ মুঠ ১০০ কঠা মাটি খান্দি নিৰ্মাণ কৰা পুখুৰীটোৰ বিনিময়ত লক্ষাধিক টকা উলিয়াই নিছে। মাত্ৰ সেয়াই নহয় এইখন পঞ্চায়তত ইতিপূৰ্বে ছ’লাৰ ষ্ট্ৰীট লাইট বহুওৱা কাৰ্যতো সংশ্লিষ্ট দায়িত্ব প্ৰাপ্ত সভাপতি-সম্পাদক, ৱাৰ্ড মেম্বাৰে মিলিও বহু টকা আত্মসাৎ কৰা বুলি অভিযোগ উঠিছিল।

মাত্ৰ কলিয়াপানী-কমাৰবন্ধা গাঁও পঞ্চায়তেতে নহয় সমগ্ৰ ৰাজ্যখনত এনে ধৰণৰ অবাধ দুৰ্নীতিৰ ফলত ৰাজ্য চৰকাৰে প্ৰতিবৰ্ষত শ শ কোটি টকাৰ শৰাধ কৰি আহিছে। অতি শেহতীয়াকৈ প্ৰকাশিত আন এক অভিযোগ অনুযায়ী, ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনতো উপভোক্তা নিৰ্বাচনৰ বেলিকাও গাঁও পঞ্চায়তৰ নিৰ্বাচিত একাংশ বিষয়ববীয়াই অনুপযুক্ত উপভোক্তা নিৰ্বাচন কৰিছিল।

# লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠান

## ‘হেল্‌থ কেয়াৰ ৱেষ্ট মেনেজমেণ্ট’ শীৰ্ষক কৰ্মশালা সম্পন্ন



**ষ্টাফ ৰিপ’ৰ্টাৰ**
**তেজপুৰ, ৮ ছেপ্টেম্বৰ ঃ** উত্তৰ-পূৰ্বাঞ্চলৰ মানসিক স্বাস্থ্য চিকিৎসাৰ অনুষ্ঠান তেজপুৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানত আজি ‘হেলথ কেয়াৰ ৱেষ্ট মেনেজমেণ্ট’ শীৰ্ষক কৰ্মশালা অনুষ্ঠিত হৈ যায়। অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকে প্ৰদূষণ নিয়ন্ত্ৰণ ব’ৰ্ডৰ আঞ্চলিক বিষয়া জয়ন্ত চহৰীয়া। অনুষ্ঠানত বিষয়াজনে তথ্যসহকাৰে হেল্‌থ কেয়াৰ ৱেষ্ট মেনেজমেণ্টৰ গুৰুত্ব, প্ৰয়োজনীয়তা আৰু চিকিৎসালয়ত স্বাস্থ্য সুৰক্ষাৰ বা যত্নত এই বিষয়ে পদ্ধতিগত ব্যৱহাৰৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত আঞ্চলিক বিষয়া চহৰীয়াই স্বাস্থ্য সজাগতাৰ দিশত বৰ্জিত দ্ৰব্যৰ জমাকৰণৰ লগতে দ্ৰব্য সাপেক্ষে বৰ্গীকৰণ আৰু সংশ্লিষ্ট কৰ্মচাৰীৰ জ্ঞান বা প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। মূলতঃ চিকিৎসালয়ৰ প্ৰাকৃতিক পৰিৱেশৰ ওপৰত প্ৰভাৱ আৰু এই বিষয়ত ল’বলগীয়া কৰ্ম পদ্ধতিৰ ওপৰত বৈজ্ঞানিক মানসিকতাৰ প্ৰয়োগ উল্লেখযোগ্য বুলি উল্লেখ কৰে।

অনুষ্ঠানত তেজপুৰস্থ প্ৰদূষণ নিয়ন্ত্ৰণ ব’ৰ্ডৰ অভিযন্তা জেহিৰুল ইছলামে বায়’মেডিকেল ৱেষ্ট মেনেজমেণ্ট সম্পৰ্কে বিস্তৃতভাৱে অংশগ্ৰহণকাৰীসকলক ব্যাখ্যা আগবঢ়ায়। প্ৰতিষ্ঠানৰ এছবিএম শাখাৰ সদস্যসকলে আয়োজন কৰা অনুষ্ঠানত সাধাৰণ ৱেষ্ট বা বৰ্জিত দ্ৰব্যৰ ব্যৱস্থাপনা সম্পৰ্কে পেথ’লজি বিভাগৰ সহকাৰী অধ্যাপক ডাঃ জয়ন্ত কুমাৰ দাসে বক্তব্য ৰাখে। সহকাৰী অধ্যাপক ডাঃ জিতুমণি কলিতাই বায়’মেডিকেল বৰ্জিত দ্ৰব্যৰ ব্যৱস্থাপনা সম্পৰ্কে আলোকপাত কৰে। প্ৰশ্নাৱলীৰ ওপৰত আলোচনাৰ আঁত ধৰে সহকাৰী অধীক্ষক ডাঃ দেৱাহুতি সভাপণ্ডিতে। কৰ্মশালাত প্ৰতিষ্ঠানৰ উপ-সঞ্চালক তত্ত্বাৱধায়ক ডাঃ হেমন্ত দত্ত, অধীক্ষক ডাঃ জ্যোতি হাজৰিকা, উপ-অধীক্ষক ডাঃ কুশল তামুলীৰ লগতে প্ৰায় ৪০ গৰাকী অংশগ্ৰহণকাৰী কৰ্মশালাখনত উপস্থিত থাকে।

# প্ৰতিবাদত উত্তাল নামৰূপ তাপ বিদ্যুৎ কেন্দ্ৰ

## অস্থায়ী ঠিকা শ্ৰমিক আৰু বহিঃউৎস নিৰাপত্তা কৰ্মীৰ পৃথক আমৰণ অনশন অব্যাহত



**অগ্ৰদূত বাৰ্তা**
**নামৰূপ, ৮ ছেপ্টেম্বৰ ঃ** অসম শক্তি উৎপাদন নিগমৰ অধীনস্থ দুটা সংগঠন অস্থায়ী ঠিকা শ্ৰমিক সন্থা আৰু বহিঃউৎস নিৰাপত্তা কৰ্মীৰ দুই পৃথক আমৰণ অনশন কাৰ্যসূচীত আজি উত্তাল হৈ পৰিছে নামৰূপ তাপবিদ্যুৎ কেন্দ্ৰ। উদ্যোগটোৰ মহাপ্ৰবন্ধকৰ কাৰ্যালয়ৰ প্ৰৱেশদ্বাৰৰ সন্মুখত অস্থায়ী ঠিকা শ্ৰমিকসকলে পাঁচ ছেপ্টেম্বৰৰ পৰা আৰু বহিঃউৎস নিৰাপত্তা কৰ্মীসকলে ছয় ছেপ্টেম্বৰৰ পৰা ন্যায্য প্ৰাপ্তি আৰু শোষণৰ প্ৰতিবাদত আমৰণ অনশন কাৰ্যসূচী ৰূপায়ণ কৰি আছে। দুয়োটা সংগঠনৰ এই কাৰ্যসূচী বাতৰি লিখা পৰলৈকে ক্ৰমে ৭৮ ঘণ্টা আৰু ৫৫ ঘণ্টা অতিক্ৰম কৰাৰ পাছতো ঊৰ্ধ্বতন কৰ্তৃপক্ষই কোনো ধৰণৰ সঁহাৰি প্ৰদান নকৰাৰ বাবে ক্ষোভৰ বহিঃপ্ৰকাশ হয়। অস্থায়ী ঠিকা শ্ৰমিকসকলে চাকৰি স্থায়ীকৰণ, চাকৰি স্থায়ী নোহোৱা পৰ্যন্ত শক্তি উৎপাদন নিগমৰ অন্তৰ্ভুক্তকৰণ, সম কৰ্ম সম অধিকাৰ নীতি প্ৰযোজ্যকৰণৰ দাবীত এই প্ৰতিবাদ অব্যাহত ৰখাৰ পৰিৱৰ্তে বহিঃউৎস নিৰাপত্তা কৰ্মীসকলে মূলতঃ মধ্যভোগী কোম্পানীৰ শোষণ দুৰ্নীতিৰ পৰা মুক্ত কৰি আমাক পোনপটীয়াকৈ অসম শক্তি উৎপাদন নিগম লিমিটেডে ফিক্সড পে’ বেতন দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা আৰু অসম চৰকাৰৰ শ্ৰম কল্যাণ বিভাগে ২০২০ বৰ্ষৰ নৱেম্বৰত জাৰি কৰা নিৰ্দেশ মৰ্মে ভিডিএৰ লগতে বৰ্ধিত দৰমহা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰক আৰু নিৰ্দিষ্ট মজুৰি দিয়া আৰু বৰ্তমানৰ ঠিকাদাৰী প্ৰতিষ্ঠান ভেংগাৰ্ডক সলনি কৰা আদি দাবীৰে আমৰণ কাৰ্যসূচী অব্যাহত ৰাখিছে। সংগঠন দুটাৰ কাৰ্যসূচী অব্যাহত থকাৰ সময়তেই আজি নামৰূপৰ পুলিচ প্ৰশাসন উপস্থিত হৈ দুয়োটা সংগঠনক অনশন প্ৰত্যাহাৰ কৰিবলৈ আহ্বান জনায় যদিও উচিত সিদ্ধান্ত আৰু ফলপ্ৰসূ ফলাফল লাভ নকৰা পৰ্যন্ত আন্দোলন অব্যাহত থাকিব বুলি সংগঠন দুটাই পৃথকে স্পষ্ট কৰে। এই আমৰণ অনশন কাৰ্যসূচীত কে’বাজনো প্ৰতিবাদকাৰীৰ স্বাস্থ্যৰ অৱনতি ঘটিছে।

# শ্ৰীৰামপুৰত আৰক্ষীৰ অভিযানত বাৰ্মিজ চেগুন কাঠসহ ট্ৰাক জব্দ ঃ এজনক আটক



**অগ্ৰদূত বাৰ্তা**
**শ্ৰীৰামপুৰ, ৮ ছেপ্টেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অসম-বংগ সীমান্তৰ শিমুলটাপু আৰক্ষী চকীৰ অন্তৰ্গত শ্ৰীৰামপুৰত ৩১ নম্বৰ ‘গ’ ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱা আৰক্ষীয়ে অভিযান চলাই বৃহৎ পৰিমাণৰ বাৰ্মিজ কাঠসহ ইউপি ৫৫-টি-২৪০১ নম্বৰৰ এখন ট্ৰাক জব্দ কৰাৰ লগতে ট্ৰাকৰ চালকক আটক কৰে। গোপন সূত্ৰে লাভ কৰা তথ্যৰ ভিত্তিত শিমুলটাপু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া সঞ্জয় কুমাৰ ৰায়ৰ নেতৃত্বত আৰক্ষীৰ এটি দলে আজি পুৱাৰ ভাগত শ্ৰীৰামপুৰত থকা মাকৈৰ বস্তাৰ তলত বাৰ্মিজ চেগুন কাঠ থকা প্ৰত্যক্ষ কৰে। পাছত ম্যানমাৰৰ পৰা চোৰাংভাৱে আমদানিকৃত মূল্যৱান কাঠখিনি আৰক্ষীয়ে জব্দ কৰে। ডিমাপুৰৰ পৰা কলকাতা অভিমুখে গৈ থকা ট্ৰাকখনত মাকৈৰ বস্তাৰ তলত প্ৰায় ৮০টা বাৰ্মিজ চেগুন কাঠৰ কুণ্ডা লুকুৱাই আনিছিল। অবৈধভাৱে উক্ত চেগুন কাঠখিনি ডিমাপুৰৰ পৰা কলকাতা লৈ সৰবৰাহ কৰা সময়তে শিমুলটাপু আৰক্ষীৰ জালত আবদ্ধ হয়। জব্দকৃত কাঠৰ বজাৰ মূল্য ২০ লক্ষাধিক টকা হ’ব বুলি আৰক্ষীয়ে অনুমান কৰিছে। আৰক্ষীয়ে উত্তৰ প্ৰদেশৰ সিদ্ধাৰ্থনগৰ জিলাৰ ট্ৰাকৰ চালক উপেন্দ্ৰ কুমাৰ জয়ছোৱাল (৩৩)ক আটক কৰি অধিক তথ্য উদ্ধাৰৰ বাবে সোধ-পোছ অব্যাহত ৰাখিছে।

# বায়ুসেনাৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**দুমুনিচকী, ৮ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ বাইহাটা গাঁও নিবাসী বিশিষ্ট সমাজসেৱক ভাৰতীয় বায়ু সেনাৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ৰামপ্ৰসাদ শইকীয়াৰ কালি মৃত্যু হয়। চাকৰিসূত্ৰে সুদীৰ্ঘকাল ভাৰতৰ বিভিন্ন ঠাইত চাকৰি কৰি কিছুদিনৰে পৰা বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ আছিল। হঠাৎ কালি গা বেয়া হোৱাত পৰিয়ালৰ লোকে ততাতৈয়াকৈ চিকিৎসালয়ত ভৰ্তি কৰে যদিও চিকিৎসা কৰিবলৈ নৌপাওঁতেই বিয়লি চাৰি বজাত শেষ নিশ্বাস ত্যাগ কৰে। শইকীয়াৰ মৃত্যুৰ সময়ত বয়স আছিল প্ৰায় ৭৬ বছৰ। বাইহাটাৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ সমাজ জীৱনলৈ অনবদ্য বৰঙণি আগবঢ়াই যোৱা শইকীয়াৰ মৃত্যুত সমগ্ৰ বাইহাটা অঞ্চলত শোকৰ ছাঁ পৰিছে। শইকীয়াৰ মৃত্যুৰ সময়ত পত্নীসহ এজন পুত্ৰ, দুগৰাকী কন্যা-জোঁৱাই আৰু এজন নাতি ইহংসংসাৰত এৰি যায়। শইকীয়াৰ মৃত্যুত বাইহাটা কমলপুৰ জ্যেষ্ঠ নাগৰিক সন্মিলন, বাইহাটা শিৱ মন্দিৰ, বাইহাটা গীতাৰ্থ সমাজ, বাইহাটা আঞ্চলিক দেৱ দামোদৰ সংঘ, বাইহাটা সাৰ্বজনীন দুৰ্গা পূজা সমিতি আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

# আমগুৰি সমষ্টিৰ বৰাহিবাৰীত আবকাৰী বিভাগৰ অভিযান

## বৃহৎ পৰিমাণৰ বিষাক্ত চুলাই নষ্ট, বেপাৰীৰ পলায়ন



**অগ্ৰদূত বাৰ্তা**
**গৌৰীসাগৰ, ৮ ছেপ্টেম্বৰ ঃ** আমগুৰি বিধানসভা সমষ্টিৰ বিভিন্ন অঞ্চলত বিষাক্ত চুলাই মদৰ ব্যৱসায়ে সামাজিক পৰিৱেশ বিনষ্ট কৰাৰ সময়তে কালি এনে অবৈধ ব্যৱসায়ৰ বিৰুদ্ধে অভিযান চলাই আমগুৰি আবকাৰী বিভাগে। আমগুৰি আৱকাৰী চক্ৰৰ চক্ৰ পৰিদৰ্শক ৰুদ্ৰ গগৈৰ নেতৃত্বত আবকাৰী বিভাগে ইয়াৰ বৰাহীবাৰী আৰু জকাইপদূলিত অভিযান চলাই কে’বাটাও চুলাই ভাটি উচ্ছেদ কৰাৰ উপৰি মাটিৰ তলত পুতি থোৱা দুটা বৃহৎ চুলাইৰ ড্ৰাম উদ্ধাৰ কৰে। অৱশ্যে অভিযানকাৰী দলটোৰ আগমনৰ পূৰ্বেই উক্ত স্থানৰ পৰা অসাধু ব্যৱসায়ীসকলে পলায়ন কৰে। উল্লেখ্য যে দীৰ্ঘদিনৰে পৰা এক অসাধু চক্ৰই উক্ত অঞ্চলত অতি ভিতৰুৱা স্থানৰ জংঘলত চুলাই ভাটি স্থাপন কৰি ৰমৰমীয়া বেহা চলাই আহিছিল। উক্ত খবৰৰ ভিত্তিত আবকাৰী বিভাগে অভিযান চলাই কালি ভাটিকেইটা উচ্ছেদ কৰাৰ লগতে দুটাকৈ প্ৰকাণ্ড ড্ৰামত মজুত কৰি ৰখা প্ৰায় ১৮০০ লিটাৰ চুলাই নষ্ট কৰে। ইফালে, জকাইপদূলিৰ একাধিক চুলাই বেপাৰীৰ ঘৰত অভিযান চলাই যদিও তেওঁলোকে আবকাৰীৰ চকুত ধূলি দি পলাই যাবলৈ সক্ষম হয়।

# সুধাকণ্ঠক সোঁৱৰণ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ

**বিশেষ সংবাদদাতা**
**নগাঁও, ৮ ছেপ্টেম্বৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাতিষ্ঠানিক মূল্যবোধ আৰু উত্তম অনুশীলন কোষৰ উদ্যোগত আজি সুধাকণ্ঠ ড° ভূপেন হাজৰিকাক শিল্পীগৰাকীৰ জন্মবাৰ্ষিকীত গীত-মাত-কথাৰে সশ্ৰদ্ধ সোঁৱৰণ কৰা হয়। ভাৰতীয় শিক্ষণ মণ্ডলৰ প্ৰচাৰক ড° ৰাজীৱ ৰঞ্জন সিঙে সুধাকণ্ঠৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি মুকলি কৰা অনুষ্ঠানত আদৰণি ভাষণ আগবঢ়ায় গোটৰ আহ্বায়ক শেখৰজ্যোতি নেওগে। ইয়াৰ পাছতে ‘অসমীয়া সমাজ জীৱন আৰু ড° ভূপেন হাজৰিকা’ শীৰ্ষক বিষয়ত সাৰলীল ভাষণ আগবঢ়ায় অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° পাৰ্থপ্ৰতিম ফুকনে। এই অনুষ্ঠানত দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপিকা ড° ৰূপশ্ৰী দেৱী আৰু শিক্ষাতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা ড° ত্ৰিবেণী শইকীয়া আৰু ছাত্ৰ শান্তনু কৌশিক শইকীয়াই ভূপেন হাজৰিকাৰ একোটিকৈ গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। আনহাতে, ছাত্ৰী পেৰিশ্মা কোঁৱৰ, ডিম্পী বৰুৱাৰ নৃত্য, ছাত্ৰ চন্দনজ্যোতি শইকীয়াৰ গীত পৰিৱেশন, বাৰ্লিনা শইকীয়াৰ কবিতা আবৃত্তি আদিয়ে অনুষ্ঠানটো অধিক জীপাল কৰি তোলে।

# নলবাৰীত অসম লোক-সংস্কৃতি সমাৰোহ সমিতিৰ প্ৰতিষ্ঠা দিৱসৰ বিশাল আয়োজন

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ৮ ছেপ্টেম্বৰ ঃ** অসম লোক-সংস্কৃতি সমাৰোহ সমিতিৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস অহা ১৫ ছেপ্টেম্বৰত নলবাৰী নাট্য মন্দিৰত আয়োজন কৰা হৈছে। সভাপতি দিগন্ত মিশ্ৰ, যুটীয়া সম্পাদক মনোজ বৰ্মন, ভ্ৰমৰ মজুমদাৰ, সাংগঠনিক সম্পাদক প্ৰণৱ কুমাৰ ডেকা, প্ৰচাৰ সম্পাদক প্ৰাঞ্জল শৰ্মাই আজি এক বিবৃতিত সংবাদ মাধ্যমক জানিব দিয়া মতে সেইদিনা পুৱা ৰাজ্যিক সভাপতি ডাঃ অনিল প্ৰিয়ৰঞ্জন শৰ্মা, উপ-পৌৰপতি ড° ৰবীন দাস, জিলা সভাপতি দিগন্ত মিশ্ৰ, সমাজসেৱক গংগাধৰ বৰ্মন, বংকিম শৰ্মা, জ্যোতিষ বৰ্মন, অভিনেতা ধীৰেন বৰ্মনে পতাকা উত্তোলন কৰি অনুষ্ঠানৰ পাতনি মেলিব। স্মৃতি তৰ্পণ কৰিব ৰাজ্যিক সাধাৰণ সম্পাদক নিৰ্মল চন্দ্ৰ নাথে। বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব নলবাৰী উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ বনদ্বীপ ডেকাই। বিয়লি আয়োজিত মুকলি সভাত মুখ্য অতিথিৰূপে জনস্বাস্থ্য কাৰিকৰী, পৰ্যটন মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, বিশিষ্ট অতিথি উপায়ুক্ত গীতিমণি ফুকন, আমন্ত্ৰিত অতিথিৰূপে অসম বৃক্ষৰোপণ আৰু শস্য উন্নয়ন নিগমৰ অধ্যক্ষ অশোক কুমাৰ শৰ্মা, জিএমডিএৰ অধ্যক্ষ নাৰায়ণ ডেকা, জিলা আৰক্ষী অধীক্ষক প্ৰবীণ কুমাৰ নাথ, ছাত্ৰ কল্যাণ পৰিষদৰ সদস্য সচিব গীতাৰ্থ গোস্বামী, নলবাৰী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া লিন্টু বৰা, জিলা পৰিষদৰ অধ্যক্ষ নিতুল ডেকা, সাধাৰণ জাতি পৰিষদৰ ৰাজ্যিক সভাপতি অজিত বৰ্মন, দিছপুৰ প্ৰেছ ক্লাবৰ সভাপতি নৰেন হাজৰিকা, শিক্ষাবিদ ড° সুশান্ত কুমাৰ কাশ্যপ, জিলা বিজেপিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰ, অসম ট্ৰেণ্ড প্ৰমিউচন অৰ্গেনাইজেচনৰ উপাধ্যক্ষ মধুৰাম ডেকাসহ বহু কে’বাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব শংকৰদেৱৰ সংঘৰ জিলা সাধাৰণ সম্পাদক কৰ্ণধৰ বৰ্মন, আছুৰ জিলা সাধাৰণ সম্পাদক অক্ষয় ডেকা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ জিলা সাধাৰণ সম্পাদক কৌশিক বৰ্মন, সমাজসেৱক ৰমেন তালুকদাৰ, বিজেপিৰ জিলা উপ-সভাপতি জয়ন্ত বুজৰবৰুৱাই। ইয়াৰ পাছতে লোক-সংস্কৃতি সন্ধিয়া, বঁটা প্ৰদান আৰু সম্বৰ্ধনা অনুষ্ঠান উদ্বোধন কৰিব বিশিষ্ট চিকিৎসক ডাঃ প্ৰণৱ শৰ্মাই।

# ঐতিহাসিক বামুণপুখুৰীত শতবৰ্ষ গৰকা ৰাসৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**
**জাঁজী, ৮ ছেপ্টেম্বৰ ঃ** টীয়কৰ ঐতিহাসিক বামুণপুখুৰীত উদ্‌যাপন কৰি অহা ৰাস মহোৎসৱে ১০৩ বছৰ অতিক্ৰম কৰিলে। ক’ভিডকালীন পৰিস্থিতিৰ বাবে শতবৰ্ষ উদ্‌যাপন কৰিব নোৱাৰিলে যদিও এই বছৰ উক্ত ৰাস মহোৎসৱৰ শতবৰ্ষ উদ্‌যাপনৰ বাবে ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। আহোম ৰজা গদাধৰ সিংহই আশ্ৰয় লোৱা ব্ৰাহ্মণ সম্প্ৰদায়ৰ এজন লোকৰ আতিথ্যত সন্তুষ্ট হৈ এটা পুখুৰী খান্দি দিয়াইছিল। যিটো পুখুৰী পৰৱৰ্তী সময়ত বামুণপুখুৰী নামে জনাজাত। উল্লেখ্য যে এই বামুণপুখুৰীৰ পাৰত ব্ৰিটিছৰ আমোলত স্বাধীনতাৰ সেনানীসকলে ব্ৰিটিছৰ অতিশষ্যৰ পৰা পলাই থাকি গ্ৰেপ্তাৰ হোৱাৰ পৰা হাত সাৰিবলৈ ধৰ্মীয় কেতবোৰ অনুষ্ঠানৰ লগতে ৰাসৰ আয়োজন কৰি আধ্যাত্মিক এক পৰিৱেশৰ সূচনা কৰি ব্ৰিটিছৰ চকুত ধূলি দিবলৈ সক্ষম হৈছিল। ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত প্ৰথম ৰাস হিচাপে চিহ্নিত এই বামুণপুখুৰীৰ ৰাসে ইতিমধ্যে শতবৰ্ষ অতিক্ৰম কৰাত এই বছৰ ১০ দিনীয়া কাৰ্যসূচীৰে ৰাস উদ্‌যাপনৰ আয়োজন কৰিছে। এই উপলক্ষে ইতিমধ্যে প্ৰণৱ গোস্বামীক সভাপতি, বিজয় বৰাক কাৰ্যকৰী সভাপতি আৰু অৰূপ হাজৰিকাক সম্পাদকৰূপে লৈ এখন সমিতি গঠন কৰি প্ৰস্তুতি আৰম্ভ কৰিছে।

# ২৫ ছেপ্টেম্বৰত দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ আজীৱন সদস্য সন্মিলন

**বিশেষ সংবাদদাতা**
**মঙলদৈ, ৮ ছেপ্টেম্বৰ ঃ** অবিভক্ত দৰং জিলাৰ লোকশিল্পীসকলৰ কল্যাণ তথা দৰঙী লোক-কৃষ্টিসমূহ ধৰি ৰাখি শুদ্ধ ৰূপত বিকাশ ঘটোৱাৰ উদ্দেশ্যে গঠন কৰা দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ আজীৱন সদস্য সন্মিলন অহা ২৫ ছেপ্টেম্বৰত অনুষ্ঠিত হ’ব। সংঘৰ ছিপাঝাৰস্থিত মুখ্য কাৰ্যালয়ত দিনৰ ১১ বজাত অনুষ্ঠিত হ’বলগীয়া ‘আজীৱন সদস্য’ সন্মিলনত দৰং-ওদালগুৰি জিলা সংলগ্ন কৰি প্ৰায় তিনি শতাধিক বিশিষ্ট ব্যক্তিক সংঘৰ তৰফৰ পৰা নিমন্ত্ৰণ জনোৱা হৈছে বুলি জানিবলৈ দিয়ে দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ সাধাৰণ সম্পাদক নৱ কুমাৰ শইকীয়াই। সাহিত্যিক-শিক্ষাবিদ শশীধৰ নাথ, ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱ, ৰজনীকান্ত নাথ, জিতেন ভাগৱতী, পৃথুৰাম বৰুৱা, ডাঃ নৰেশ্বৰ শৰ্মা, ডাঃ ইন্দ্ৰ হাজৰিকা, জ্যোতিষ কুমাৰ শৰ্মা, ডাঃ ৰমা বৰা, ড° ৰামচন্দ্ৰ ডেকা, তৰুণ আজাদ ডেকা, ভানু ডেকা চহৰীয়া, ড° প্ৰসন্ন কুমাৰ নাথ, ড° কমলাকান্ত বৰা, ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়া, মঙলদৈ বিধানসভা সমষ্টিৰ বিধায়ক বসন্ত দাস আদি উপস্থিত থাকিবলগীয়া এই আজীৱন সদস্য সন্মিলনত প্ৰতিজন সদস্যক স্বীকৃতি পত্ৰ প্ৰদান কৰা হ’ব বুলি দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘৰ সাধাৰণ সম্পাদকজনে জনাইছে। সংঘৰ প্ৰস্তাৱিত সোণালী জয়ন্তীত ‘পৰিচয়’ নামেৰে এখন গ্ৰন্থ প্ৰকাশ পাব বুলিও জানিবলৈ দিয়ে।

# কুকুৰমাৰাৰ জীয়াকুৰত নিশা চাৰিটা পৰিয়ালৰ ঘৰত চুৰি

**ছয়গাঁও, ৮ ছেপ্টেম্বৰ ঃ** দক্ষিণ কামৰূপ ছয়গাঁও আৰক্ষী থানাৰ অন্তৰ্গত কুকুৰমাৰাৰ সমীপৰ দুই নম্বৰ জীয়াকুৰ তালুকদাৰপাৰাত নিশা চোৰে চাৰিটা পৰিয়ালৰ ঘৰত প্ৰৱেশ কৰি চুৰি কাৰ্য সমাধা কৰে। পৰিয়ালৰ লোকে জনোৱা অনুসৰি, চোৰে সোণৰ আঙঠি, খাৰু, হাৰ, লেপটপ, ম’বাইলকে ধৰি বহু সামগ্ৰী লৈ উধাও হয়। ঘটনাস্থলীত উদ্ধাৰ হয় চোৰে ব্যৱহাৰ কৰা অস্ত্ৰ। চোৰে জীয়াকুৰৰ ভাস্কৰ কলিতা আৰু নবাৱ কলিতাৰ ঘৰত লুটপাট চলোৱাৰ লগতে একে গাঁৱৰে নয়ন কলিতা আৰু মিঠুন মহন্তৰ ঘৰৰ দৰ্জা ভাঙি প্ৰৱেশ কৰে যদিও একো সামগ্ৰী নিবলৈ সক্ষম নহ’ল। আজি পৰিয়ালৰ লোকে কুকুৰমাৰা আৰক্ষী চকীত উপস্থিত হৈ ঘটনাৰ বিষয়েও অৱগত কৰে।

# মৰাণত বিশিষ্ট সাহিত্যিক ইলা বৰগোহাঁইৰ ৰচনাৱলী উন্মোচন

## ‘আমাৰ অসমীয়া সাহিত্যত নাৰীসকলৰ সাহিত্য চৰ্চা অতি প্ৰশংসনীয়’ ঃ য়েছে দৰজে ঠংচি



**অগ্ৰদূত বাৰ্তা**
**মৰাণ, ৮ ছেপ্টেম্বৰ ঃ** ‘আমাৰ অসমীয়া সাহিত্যত নাৰীসকলৰ সাহিত্য চৰ্চা অতি প্ৰশংসনীয়। শুনিবলৈ ভাল লগা কথাটো হ’ল বৰ্তমানলৈকে ১০গৰাকী অসমীয়া মহিলা সাহিত্যিকে সাহিত্য একাডেমী বঁটা লাভ কৰিবলৈ সক্ষম হৈছে।’ আজি চৰাইদেউ জিলাৰ অন্তৰ্গত মৰাণ শাখা সাহিত্য সভাৰ উদ্যোগত মৰাণ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অসমৰ বিশিষ্ট সাহিত্যিক তথা উপন্যাসিক ইলা বৰগোহাঁইৰ ১২শ পৃষ্ঠাজোৰা ৰচনাৱলী গ্ৰন্থখন উন্মোচন কৰি বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংচিয়ে এনেদৰে কয়। সাহিত্যিকজনে লগতে কয় যে ৰচনাৱলী প্ৰকাশ কৰি উলিওৱাটো অতি শুভ লক্ষণ। কাৰণ বহু লেখক-লেখিকাৰ সৃষ্টিশীল সাহিত্যৰাজি ৰক্ষণাবেক্ষণৰ অভাৱত বহু গ্ৰন্থ নষ্ট হৈছে। ইলা বৰগোহাঁইৰ উক্ত গ্ৰন্থখন প্ৰকাশ কৰিছে মৰাণ শাখা সাহিত্য সভাই আৰু সম্পাদনা কৰিছে বিশিষ্ট সাহিত্যিক ড° অনিল শইকীয়াই। আজি মৰাণ শাখা সাহিত্য সভাৰ সভাপতি প্ৰশান্ত দত্তৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ আঁত ধৰে মৰাণ শাখা সাহিত্য সভাৰ সম্পাদক অৰুণ ভূঞাই। আজি সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ৯৬ সংখ্যক জন্মদিন উপলক্ষে সভাৰ আৰম্ভণিতে ড° হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে মৰাণ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাহিত্যিক ডাঃ লোহিত কুমাৰ বৰা, সাহিত্যিক ইলা বৰগোহাঁই, জ্যেষ্ঠ সাংবাদিক তথা অসম চৰকাৰৰ সাংবাদিক পেঞ্চনাৰ বাছা বৰা আৰু মৰাণ মহাবিদ্যালয়ৰ অধ্যাপিকা ড° ভানুপ্ৰভা শইকীয়া দত্তই। গ্ৰন্থ উন্মোচনী সভাত ভাগ লয় মৰাণ মহাবিদ্যালয়ৰ অধ্যক্ষা ড° মিতালী কোঁৱৰ, মৰাণ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° অনিল শইকীয়া, নীলকান্ত গগৈ, জ্যেষ্ঠ সাংবাদিক শোভিত কুমাৰ ছেত্ৰী, মৰাণ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষা আইভিলতা চুতীয়া, শিক্ষক ড° স্বপন কুমাৰ চুতীয়া আদিয়ে। উল্লেখ্য যে ইলা বৰগোহাঁই ৰচনাৱলী গ্ৰন্থখনত লেখিকাগৰাকীৰ ১৮খন প্ৰকাশিত গ্ৰন্থৰ উপৰি বিভিন্ন বাতৰি কাকত, আলোচনীত প্ৰকাশিত প্ৰবন্ধ, গল্প, ভ্ৰমণ কাহিনী সন্নিৱিষ্ট কৰা হৈছে। উক্ত সভাতেই ইলা বৰগোহাঁইক মৰাণৰ বহুকেইটা অনুষ্ঠান-প্ৰতিষ্ঠানে সম্বৰ্ধনা জনায়।






## অইল-আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাত অসমৰ খেলুৱৈৰ বৃহৎ অঘটন

# ফাইনেলত পাৰ্থিব, ৰৌণক, চান্দোগ্য

**গুৱাহাটী, ৮ ছেপ্টেম্বৰ ঃ** অসমৰ পাৰ্থিব কলিতাই চলিত অইল-আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাত আজি অঘটন সৃষ্টি কৰি চমকপ্ৰদ প্ৰদৰ্শনৰে খিতাপৰ যুঁজলৈ অগ্ৰসৰ হৈছে। উল্লেখ্য যে ল'ৰাৰ ১৪ বছৰৰ অনূৰ্ধ্বৰ একক শাখাৰ ছেমিফাইনেলত আজি পাৰ্থিবে ৬-৩, ৭-৫ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে শীৰ্ষ বাচনিৰ ৰাজস্থানৰ ধনঞ্জয় তিৱেৰালক। এতিয়া কাইলৈ হ'বলগা ফাইনেলত পাৰ্থিব মুখামুখি হ'ব অসমৰে ৰৌণক কাশ্যপৰ। ১৪ বছৰৰ অনূৰ্ধ্বৰ একক শাখাৰ আজি হোৱা আনখন ছেমিফাইনেলত ৰৌণকে ৬-০, ৬-৩ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে ৰাজ্যৰে সতীৰ্থ জ্যোতিষ্মান বড়োক। ইফালে, পাৰ্থিব আৰু ৰৌণকৰ লগতে কাইলৈ খিতাপৰ বাবে ক'ৰ্টত নামিব আন এজন অসম সন্তান। উল্লেখ্য যে ল'ৰাৰ ১২ বছৰৰ অনূৰ্ধ্বৰ একক শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে অসমৰ চান্দোগ্য টি পাঠকে। আজি হোৱা ছেমিফাইনেলত চান্দোগ্যই ৬-১, ৬-১ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে ৰাজ্যৰে আৰু অভয় ভৰালীক। কাইলৈ হ'বলগা ফাইনেলত চান্দোগ্য মুখামুখি হ'ব গুজৰাটৰ হত কন্দোৰীয়াৰ। ছেমিফাইনেলত তেওঁ পাৰস্ত কৰে মহাৰাষ্ট্ৰৰ ঋষিকেশ মানেক। ব্যৱধান ৬-২, ৬-২ঙ্গ ইফালে, ছোৱালীৰ ১২ বছৰৰ অনূৰ্ধ্বৰ একক শাখাৰ ফাইনেলখন অনুষ্ঠিত হ'ব কৰ্ণাটকৰ সৃষ্টি কিৰণ আৰু ওড়িছাৰ অবিপষা দেহুৰীৰ মাজত।




আজি হোৱা ছেমিফাইনেলত সৃষ্টি কিৰণে তেলেংগনাৰ শ্ৰীঅক্ষ পেনুমেষ্টাক ৬-০, ৬-০ ৰ পোনপটীয়া ব্যৱধানত তথা অবিপষা দেহুৰীয়ে বিহাৰৰ ভাৰ্গৱী শৰ্মাক ৬-৩, ৬-৪ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে। আনহাতে, ছোৱালীৰ ১৪ বছৰৰ অনূৰ্ধ্বৰ একক শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে কৰ্ণাটকৰ সৃষ্টি কিৰণ আৰু ওড়িছাৰ আৰাধ্যা ভাৰ্মা। আজি হোৱা ছেমিফাইনেলত সৃষ্টি কিৰণে তামিলনাডুৰবাসুন্দ্ৰা বালাজীক ৬-১, ৬-২ ৰ পোনপটীয়া ব্যৱধানত তথা আৰাধ্যা ভাৰ্মাই ওড়িছাৰে অবিপশা দেহুৰীক ৬-৩, ৬-২ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে। ইফালে, ছোৱালীৰ একক শাখাত অসমৰ খেলুৱৈয়ে অভিযান সামৰাৰ পাছত আজি সুখৰ খবৰ লৈ আনে নায়ীন হুছেইনে ছোৱালীৰ ১২ বছৰৰ অনূৰ্ধ্বৰ ডাবলচ শাখাৰ ফাইনেলত প্ৰৱেশ কৰি। মহাৰাষ্ট্ৰৰ ইছাল পাঠানৰ লগত যুটি বান্ধি নায়ীনে ছেমিফাইনেলত ৬-০, ৬-০ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে অসমৰ উৎপলকশ্ৰী শইকীয়া আৰু বংগৰ ছানৰাচানা দাসক। কিন্তু ল'ৰাৰ ১২ বছৰৰ অনূৰ্ধ্বৰ ডাবলচ শাখাৰ ছেমিফাইনেলত পৰাস্ত হয় অসমৰ যটি প্ৰশান্ত বড়ো আৰু ঈশানদ্বীপ বড়ো। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই জনোৱা অনুসৰি চচলত চলি থকা প্ৰতিযোগিতাখনৰ কাইলৈ একক আৰু ডাবলছৰ ফাইনেল মেচ অনুষ্ঠিত হ'ব। আনহাতে, আজি নিশালৈ হ'ব ডাবলচৰ বাকী থকা ছেমিফাইনেল।





এছিয়া কাপৰ পৰা বিদায় লোৱাৰ পাছত আফগানিস্তানৰ বিৰুদ্ধে শতক অৰ্জন কৰি বিৰাটৰ আৰু পাঁচ উইকেট লাভ কৰি ভূৱনেশ্বৰৰ বীৰত্ব।

## ১০ ছেপ্টেম্বৰৰ পৰা ৰ'ড ছেফটি ৱৰ্ল্ড ছিৰিজ ক্ৰিকেট

# নৈশালোকত শচীনৰ অনুশীলন



**মুম্বাই, ৮ ছেপ্টেম্বৰ ঃ** হাতত বেট লৈ পুনৰ অনুশীলন আৰম্ভ কৰিলে ভাৰতীয়ৰ ক্ৰিকেট ঈশ্বৰ মাষ্টাৰ ব্লাষ্টাৰ শচীন তেণ্ডুলকাৰে। আজি ছ'ছিয়েল মিডিয়াত সমগ্ৰ বিশ্বই প্ৰত্যক্ষ কৰিলে ভাৰতৰত্ন লাভ কৰা দেশৰ প্ৰথম তথা একমাত্ৰ ক্ৰীড়াবিদজনে নৈশালোকত অনুশীলন কৰাৰ ভিডিঅ'। কিন্তু শচীন পুনৰ বেট লৈ অনুশীলনত নামিছে কিয় ? উল্লেখ্য যে ১০ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হ'ব ৰ'ড ছেফটি ৱৰ্ল্ড ছিৰিজ ২০২২ ক্ৰিকেট প্ৰতিযোগিতা। বিশ্বৰ তাৰকা তথা কিম্বদন্তী ক্ৰিকেটাৰৰ অংশগ্ৰহণৰে দ্বিতীয় বৰ্ষৰ বাবে ভাৰতত অনুষ্ঠিত হ'ব ৰ'ড ছেফটি ৱৰ্ল্ড ছিৰিজ। অহা ১০ ছেপ্টেম্বৰত কানপুৰৰ গ্ৰীণ পাৰ্ক ষ্টেডিয়ামত শচীন তেণ্ডুলকাৰে নেতৃত্ব দিব লগা ইণ্ডিয়া লিজেণ্ডছ আৰু দক্ষিণ আফ্ৰিকা লিজেণ্ডছৰ মাজত প্ৰথমখন খেল অনুষ্ঠিত হ'ব। উল্লেখ্য যে এই প্ৰতিযোগিতাৰ এইবাৰৰ দ্বিতীয় সংস্কৰণত ইণ্ডিয়া লিজেণ্ডছ, দক্ষিণ আফ্ৰিকা লিজেণ্ডছ, ৱেষ্ট ইণ্ডিজ লিজেণ্ডছ, অষ্ট্ৰেলিয়া লিজেণ্ডছ, শ্ৰীলংকা লিজেণ্ডছ, বাংলাদেশ লিজেণ্ডছ, ইংলেণ্ড লিজেণ্ডছ, নিউজিলেণ্ড লিজেণ্ডছকে ধৰি মুঠ আঠটা দলে অংশগ্ৰহণ কৰিব। ইন্দোৰ, ডেৰাডুন, ৰায়পুৰ, আৰু কানপুৰকে ধৰি মুঠ চাৰিটা স্থানত অনুষ্ঠিত হ'ব ৰ'ড ছেফটি ৱৰ্ল্ড ছিৰিজ ২০২২ ক্ৰিকেট প্ৰতিযোগিতাৰ মেচ। এক অক্টোবৰত ফাইনেল তথা ছেমিফাইনেল দুখন অনুষ্ঠিত হ'ব ৰায়পুৰত। উল্লেখ্য যে ইণ্ডিয়া লিজেণ্ডছ দলত শচীনৰ লগতে আছে যুৱৰাজ সিং, ইৰফান পাঠান, ইউছুফ পাঠান, হৰভজন সিং, মুনাফ পেটেল, সুব্ৰমণিয়াম বদ্ৰীনাথ, ষ্টুৱাৰ্ট বিন্নী, নমন ওঝা, মনপ্ৰীত গনি, প্ৰজ্ঞান ওঝা, বিনয় কুমাৰ, অভিমন্যু মিথুন, ৰাজেশ পাৱাৰ, আৰু ৰাহুল শৰ্মা। ইফালে, শেহতীয়াকৈ দলত যোগ দিছে সুৰেশ ৰাইনাই। উল্লেখ্য যে শচীনৰ নেতৃত্বত ৰ'ড ছেফটি ৱৰ্ল্ড ছিৰিজ ২০২২ ক্ৰিকেট খেলাৰ বাবেই অবসৰ লৈছে ৰাইনাই। ইফালে, নিউজিলেণ্ড লিজেণ্ডছ দলৰ হৈ খেলিব ৰ'জ টেইলৰ , জেকব ওৰাম, কাইল মিলছ, স্কট ষ্টাইৰিছ, শ্বেন বণ্ড, ক্ৰেগ মেকমিলানৰ দৰে তাৰকাই। অষ্ট্ৰেলিয়া লিজেণ্ডছ দলত আছে শ্বেন ৱাটছন, ব্ৰেড হজ, ব্ৰেড হেডিন, ষ্টুয়াৰ্ট ক্লাৰ্ক, ব্ৰেট লি আদি। ৱেষ্ট ইণ্ডিজ লিজেণ্ডছ দলক নেতৃত্ব দিব ব্ৰায়ান লাৰাই। দলত আছে দেৱেন্দ্ৰ বিচু, ড'ৱেইন স্মিথ, ডেৰেন পাৱেলৰ দৰে তাৰকা। ইফালে, ইংলেণ্ড লিজেণ্ডছৰ হৈ খেলিব ইয়ান বেল, নিক কম্পটন, ফিল মাষ্টাৰ্ড, ক্ৰীছ ট্ৰেমলেট আদিয়ে। বাংলাদেশ লিজেণ্ডছ দলৰ সদস্যসকল হ'ল শ্বাহাদত হুছেইন, আব্দুৰ ৰজ্জাক, আলোক কাপালি, খালেদ মাছুদ, মহম্মদ শ্বৰীফ, মেহৰাব হোছেইন, ইলিয়াছ ছানী, মহম্মদ নাজিমুদ্দিন, আবুল হাছান, আৰু তুষাৰ ইমৰাণ। শ্ৰীলংকা লিজেণ্ডছ দলক নেতৃত্ব দিছে তিলকৰত্নে ডিলশ্বানে। আনহাতে, দলত আছে সনথ জয়সূৰ্য, আচেলা গুনাৰত্নে, চামাৰা ছিলভা, চামিন্দা ৱাছ, দিলৰুৱান পেৰেৰা, নুৱান কুলাচেকাৰা, উপুল থাৰাংগা, আৰু থিছাৰা পেৰেৰা। আনহাতে, দক্ষিণ আফ্ৰিকা লিজেণ্ডছ দলৰ ক্ৰিকেটাৰসকল হ'ল জণ্টি ৰোডছ (অধিনায়ক) আলভিৰো পিটাৰচেন, হেনৰী ডেভিডছ, জেক ৰুডলফ, লেন্স ক্লুচেনাৰ, মাখায়া এনটিনি আদি।

# ইউ এছ অপেনৰ মহিলাৰ একক শাখাৰ ছেমিত ইগা-ছাবালেংকা

**নিউয়ৰ্ক, ৮ ছেপ্টেম্বৰ ঃ** চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ইউ এছ অপেনৰ মহিলাৰ একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে ইগা আৰু ছাবালেংকাই। উল্লেখ্য যে কোৱাৰ্টাৰ ফাইনেলত ইগা ৬-৩, ৭-৬ ৰ পোনপটীয়া ব্যৱধানত জয়ী হোৱাৰ বিপৰীতে ছাবালেংকাই কোৱাৰ্টাৰ ফাইনেলত ৬-১, ৭-৬ ৰ পোনপটীয়া ব্যৱধানত জয়ী হয়। ইয়াৰপূৰ্বে ফ্ৰান্সৰ কেৰ'লিন গাৰ্চিয়া আৰু টিউনিছিয়াৰ অনছ জেবেউৰেও চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ইউ এছ অপেনৰ মহিলাৰ একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে কোৱাৰ্টাৰ ফাইনেলত কেৰ'লিন গাৰ্চিয়াই আমেৰিকাৰ কিশোৰী কোকো গ'ফৰ অন্তিম চাৰিত প্ৰৱেশ কৰাৰ আশাৰ অন্ত পেলায়। ফৰ্মত থকা ১৭ নং বাছনিৰ খেলুৱৈগৰাকীয়ে ১৮ বছৰীয়া গা'ফক ৬-৩, ৬-৪ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰে। ইফালে, প্ৰথমগৰাকী আফ্ৰিকান মহিলা হিচাপে ইউ এছ অ'পেনৰ ছেমিফাইনেলত প্ৰৱেশ কৰি ইতিহাস গঢ়িছে টিউনিছিয়াৰ অনছ জেবেউৰে। কোৱাৰ্টাৰ ফাইনেলত জাবেউৰে অষ্ট্ৰেলিয়াৰ আজলা টমলজানোভিচৰ বিৰুদ্ধে ৬-৪,৭-৬,৭-৪গ্নৰ ব্যৱধানত জয়লাভ কৰে। উল্লেখ্য যে যোৱা জুলাইত আফ্ৰিকাৰ পৰা উইম্বলডনৰ ফাইনেলত প্ৰৱেশ কৰা প্ৰথমগৰাকী মহিলা হিচাপেও গৌৰৱ লাভ কৰিছিল জেবেউৰে।




## বজালী ফাইনেলত

**অগ্ৰদূত বাৰ্তা, সৰ্থেবাৰী, ৮ ছেপ্টেম্বৰ ঃ** সৰ্থেবাৰী স্প'ৰ্টছ ক্লাবৰ উদ্যোগত সৰ্থেবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত চলি থকা খনীন ডেকা আৰু অধৰ চন্দ্ৰ দাস সোঁৱৰণী চলন্ত ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত দ্বিতীয়খন ছেমিফাইনেল খেলত বজালী এফ চিয়ে চামতা স্পৰ্টছ কোচিং চেণ্টাৰক ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ প্ৰৱেশ কৰে । অহা ১০ ছেপ্টেম্বৰত প্ৰতিযোগিতা চূড়ান্ত খেলত বজালী এফ চিয়ে ব্যাসকুছি এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

## ৰাণাৰ জয়লাভ

**অগ্ৰদূত বাৰ্তা, মৰিগাঁও,৮ ছেপ্টেম্বৰ ঃ** স্থানীয় ক্ষীৰোদ বৰুৱাৰ ষ্টেডিয়ামত চলি থকা আন্তঃ ক্লাব এ ডিভিজন ফুটবল প্ৰতিযোগিতাত আজি ৰাণা ক্লাব আৰু বৰিগাঁও ইয়ং স্পৰ্টিং ক্লাবৰ মাজত অনুষ্ঠিত হোৱা খেলখনত ৰাণা ক্লাবৰ ৰাজা টিমুঙে সুন্দৰ খেল প্ৰদৰ্শন কৰি হেট্ৰিক অৰ্জন কৰে আৰু দলক ৭-১ গ'লৰ বৃহৎ ব্যৱধানত বিজয়ী দিয়ে। ৯ ছেপ্টেম্বৰ খেল ঃ দলবাৰী যুৱ কল্যাণ সংঘ বনাম অসম জ্যোতি ক্লাৱ, মৰিগাঁও।

## স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতা

# সঞ্জীৱন সমাজ-যোৰহাট টাউনৰ জয়



**অগ্ৰদূত বাৰ্তা, বেবেজীয়া,৮ ছেপ্টেম্বৰ ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত চলি থকা সৰ্বভাৰতীয় স্বাধীনতা দিৱস কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজি ধিঙৰ খেলত নগাঁৱৰ সঞ্জীৱন সমাজে দুলীয়াজানৰ হিমাল এফ চিক টাইব্ৰেকাৰত ৩-২ছগ'লত আৰু কামপুৰৰ খেলত যোৰহাট টাউন ক্লাবে গুৱাহাটী টাউন ক্লাবক ৩-১ গ'লত হৰুৱাই পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। ধিং ষ্টেডিয়ামত হোৱা খেলত নিৰ্ধাৰিত সময়ত গ'লশূণ্যভাৱে সমাপ্ত হোৱাত টাইব্ৰেকাৰত সঞ্জীৱন সমাজৰ হৈ ভাগ্যজ্যোতি ৰাভা, অজন্ত ৰাভা আৰু অৰুণ তাঁতীয়ে গ'লকেইটা দিয়াৰ বিপৰীতে হিমাল এফ চিৰহৈ ৰিংকু লিম্বু আৰু অমৃত গগৈয়েহে গ'ল দিবলৈ সক্ষম হয়। সঞ্জীৱন সমাজৰ গ'লৰক্ষক ৰোহিত ৰয়ে চমকপ্ৰদ প্ৰদৰ্শন দাঙি ধৰে। আনহাতে, কামপুৰ ষ্টেডিয়ামৰ খেলখনত যোৰহাট টাউন ক্লাবৰহৈ বিবেক গুৰুঙে তিনিটা গ'ল দি হেট্ৰিক কৰাৰ বিপৰীতে গুৱাহাটী টাউন ক্লাবৰহৈ একমাত্ৰ গ'লটো ৰাহুল গগৈয়ে দিয়ে। **মিলনজ্যোতি কোচিং চেণ্টাৰৰ জয় ঃ** জাজৰি আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা ফুটবল লীগ প্ৰতিযোগিতাৰ আজিৰ খেলত দলংঘাটৰ মিলনজ্যোতি কোচিং চেণ্টাৰে নিচানতলৰ এভাৰগ্ৰীণ ক্লাবক ৪-০ গ'লত পৰাজিত কৰে। খেলখনত কোচিং চেণ্টাৰৰহৈ হৰি বৰদলৈয়ে দুটা, বিদ্যুৎ বৰদলৈ আৰু কলিয়া বৰদলৈয়ে এটাকৈ গ'ল দিয়ে।

## ৰেজেক ফুটবল

**অগ্ৰদুত বাৰ্তা, ঘগ্ৰাপাৰ, ৮ ছেপ্টেম্বৰ ঃ** ঘগ্ৰাপাৰ ক্ৰীড়া সন্থাৰ উদ্যোগত ঘগ্ৰাপাৰ হাইস্কুল খেল পথাৰত ৰেজেক আলি ফুটবল প্ৰতিযোগিতাখনি অহা ১১ ছেপ্টেম্বৰ পৰা অনুষ্ঠিত হ'ব। সন্থাৰ সভাপতি তফিকুৰ ৰহমান আৰু সম্পাদক জ্যোতিষ ডেকাই জানিব দিছে। সকলো ক্ৰীড়া প্ৰেমীৰ সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে সন্থাই।

## জান্টি ক্লাবৰ জয়

**অগ্ৰদূত বাৰ্তা, মাটিয়া, ৮ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলাৰ ডুবাপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আজিৰে পৰা আৰম্ভ হোৱা ডুবাপাৰা আঞ্চলিক ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন খেলত জামবাৰী জান্টি ক্লাব ফুটবল দলে বিজয়ী হয়। দলে ২-০ গ'লৰ ব্যৱধানত মানাহৰ আসাম ইউথ ফুটবল দলক পৰাজিত কৰে।

# অসমজ্যোতিক হৰুৱাই পানীবিল পৰৱৰ্তী ৰাউণ্ডত



**অগ্ৰদূত বাৰ্তা, চেপন, ৮ ছেপ্টেম্বৰ ঃ** চলিত অতুল গগৈ আৰু মনাই গগৈ সোঁৱৰণি আমন্ত্ৰণমূলক প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত গ্ৰুপ 'বি' প্ৰথমখন খেলত শিৱসাগৰৰ পানীবিল ফুটবল দলে চৰাইদেউৰ অসমজ্যোতি সংঘক ২-১ গলৰ ব্যৱধানত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰিছে। খেলখনৰ ৮ মিনিটত ৰিচি কৰ্মকাৰে গ'ল দি অসমজ্যোতিক ১-০ ৰ অগ্ৰগতি দিয়ে। কিন্তু ২২ মিনিটত সুভাশীষ গগৈয়ে দিয়া গলৰ জৰিয়তে পানীবিল দলে বিৰতিলৈকে ১-১ ত সমতা স্থাপন কৰিবলৈ সক্ষম হয়। খেলৰ ৬৪ মিনিটত পানীবিলৰ তুলন পাগুৱে পুনৰ গ'ল কৰি দলক ২-১ ত বিজয় দিয়ে। শ্ৰেষ্ঠ খেলুৱৈৰ বটাঁ লাভ কৰে তুলন পাগুৱে। বটাঁ প্ৰদান কৰে চেপন ক্ৰীড়া সন্থাৰ মুখ্য সম্পাদক অজয় সূতে।

## চক্ৰধৰ ডেকা ফুটবল আৰম্ভ

**মুকালমুৱা,৮ ছেপ্টেম্বৰ ঃ** সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত মুকালমুৱা আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত আজিৰে পৰা আৰম্ভ হৈছে চক্ৰধৰ ডেকা প্ৰাইজমানী ফুটবল প্ৰতিযোগিতা। আজি উদ্বোধনী খেলখনত ১-০ গলৰ ব্যৱধাধত মুকালমুৱা আঞ্চলিক ক্ৰীড়া সন্থাই জয়লাভ কৰে মাখিবাহা ক্ৰীড়া সন্থাৰ বিৰুদ্ধে। আৰক্ষী অধীক্ষক পবিন্দ্ৰ কুমাৰ নাথে শুভাৰম্ভ কৰা উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে প্ৰাক্তন ক্ৰিকেটাৰ জাকাৰিয়া জুফ্ৰি, সন্থাৰ সভাপতি নাৰায়ণ ডেকা,নলবাৰী জিলা বিজেপিৰ সভাপতি মৃগাংক তালুকদাৰসহ বিশিষ্ট ব্যক্তি।

## আজিৰে পৰা আন্তঃজিলা নেটবল

**অগ্ৰদূত বাৰ্তা, মৰিয়নি, ৮ ছেপ্টেম্বৰ ঃ** যোৰহাট জিলা নেটবল সন্থাৰ উদ্যোগত আৰু নেটবল সন্থা অসমৰ তত্বাৱধানত কাইলৈৰ পৰা সদৌ অসম আন্তঃজিলা জুনিয়ৰ আৰু ছাব-জুনিয়ৰ ল'ৰা-ছোৱালীৰ নেটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব মৰিয়নিৰ বাপুজী ষ্টেডিয়ামত। প্ৰতিযোগিতাত তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, চৰাইদেউ, গোলাঘাট, লক্ষীমপুৰ, গুৱাহাটী, বাগসা, তামুলপুৰ,বঙাইগাঁও, ধেমাজি, কামৰূপ , নলবাৰী, নগাঁও, মৰিগাঁও আৰু ঘৰুৱা দল যোৰহাটে যোগদান কৰিছে।

## ছেমিত বৰমা ইউনাইটেড

**অগ্ৰদূত বাৰ্তা, বৰভাগ, ৮ ছেপ্টেম্বৰ ঃ** বৰমা ইউনাইটেড ফুটবল ক্লাবে চন্দন কলিতা, ব্ৰজনাথ বৈশ্য আৰু প্ৰাণেশ্বৰ ডাউকা সোঁৱৰণী প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। জোনাক যুৱমঞ্চ বৰভাগৰ উদ্যোগত কৰিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত চলি থকা প্ৰতিযোগিতাৰ আজিৰ তৃতীয়খন কোৱাৰ্টাৰত দলটোৱে মেঘালয়ৰ ৰাৱিৰছ ইণ্ডিয়াক ৩-২ ত পৰাস্ত কৰে।

## ফাইনেলত জনতা-কছাৰী মহল

**অগ্ৰদূত বাৰ্তা, ৰঙিয়া, ৮ ছেপ্টেম্বৰ ঃ** ৰঙিয়া জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত ৰঙিয়া মহাবিদ্যালয় খেলপথাৰত চলি থকা ৰঙিয়া আন্তঃবিদ্যালয় ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা প্ৰথম ছেমিফাইনেলত কছাৰী মহল হাইস্কুলে সিদ্ধিনাথ বিদ্যামন্দিৰ হাইস্কুলক ৫-০ গ'লত আৰু দ্বিতীয় ছেমিফাইনেলখন অমীমাংসিত হোৱাত ডিমু জনতা হাইস্কুলে টাইব্ৰেকাৰ পদ্ধতিত বালিসত্ৰ হাইস্কুলক ৩)১ গ'লত পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰে। কাইলৈ ফাইনেল অনুষ্ঠিত হ'ব।





## বড়োলেণ্ড ছহিদ মহিলা ফুটবল

**অগ্ৰদূত বাৰ্তা, টংলা, ৮ ছেপ্টেম্বৰ ঃ** ভেৰগাঁও আঞ্চলিক এবছু আৰু ভেৰগাঁও আঞ্চলিক ক্ৰীড়া সন্থাৰ যৌথ উদ্যোগত আজিৰে পৰা আৰম্ভ হৈছে বড়োলেণ্ড ছহিদ সোঁৱৰণী মহিলা ফুটবল প্ৰতিযোগিতা। প্ৰতিযোগিতাখন উদ্ধোধন কৰে বি টি চিৰ ক্ৰীড়া বিভাগৰ কাৰ্যবাহী সদস্য দাউবাইছা বড়োৱে। উদ্ধোধনী মেচত শুক্লাই ছেৰফাং এফ চিয়ে পশ্চিমবংগৰ দীন দয়াল ফুটবল ক'ছিং চেন্টাৰক ১১-০ গক্সলৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰে। সীতা বড়োৱে চাৰিটা লগতে ফাওদাৰ বড়োৱে তিনিটা গ'ল দি হেট্ৰিক অৰ্জন কৰে।

## যুৱ ক্ৰীড়া মহোৎসৱত সফলতা অৰ্জন কৰা খেলুৱৈক আদৰণি

**ষ্টাফ ৰিপ'ৰ্টাৰ,তেজপুৰ,৮ ছেপ্টেম্বৰ ঃ** নতুন দিল্লীত অনুষ্ঠিত হোৱা যুৱ ক্ৰীড়া মহোৎসৱত অংশগ্ৰহণ কৰা অসম দলে বৃহৎ সাফল্য কৰিছে। তেজপুৰ টাউন ক্লাব এচোচিয়েছনৰ নেতৃত্বত প্ৰতিযোগিতাখনত ক্ৰিকেট, ফুটবল, বাস্কেটবল, খো-খো, বেডমিন্টন, ভলীবল আৰু যোগকে ধৰি প্ৰায় ২২ বিধ খেলত অংশ লৈছিল। অসম দলে মুঠ ৫৭ টা সোণ, সাতটা ৰূপ আৰু পাঁচটা ব্ৰঞ্জৰ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। ৰাজ্যৰ পৰা মুঠ ৭০ জন খেলুৱৈয়ে অংশগ্ৰহণ কৰিছিল এই মহোৎসৱত। তেজপুৰত উপস্থিত হোৱা খেলুৱৈসকলক ঢোল ,তাল ,উৰুলিৰে আদৰণি জনায়।



## তুলসী ফুটবলত হিটলাৰৰ জয়

**ছয়গাঁও, ৮ ছেপ্টেম্বৰ ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও ক্ৰীড়া সন্থাৰ পৰিচালনাত ছয়গাঁও মিনি ষ্টেডিয়ামত চলি থকা পঞ্চম বাৰ্ষিক তুলসীৰাম কলিতা সোঁৱৰণী আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতাৰ আজিৰ অন্তিমখন কোৱাৰ্টাৰ ফাইনেলত হিটলাৰ ক্লাবে কামৰূপা এফ চিক ৩-১ গলৰ ব্যৱধানত হৰুৱাই ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

## ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতা

# আজি কোৱাৰ্টাৰত কেৰালা-মহমেদান

**কলকাতা, ৮ ছেপ্টেম্বৰ ঃ** চলিত ঐতিহ্যমণ্ডিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ মেচৰ সামৰণিৰ পাছত কাইলৈৰ পৰা আৰম্ভ হ'ব নকআউট কোৱাৰ্টাৰ ফাইনেল। উল্লেখ্য যে কাইলৈ প্ৰথম কোৱাৰ্টাৰ ফাইনেলত মহমেদান স্প'ৰ্টিঙে খেলিব কেৰালা ব্লাষ্টাৰ্ছ এফ চিৰ বিৰুদ্ধে। কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত নিশা ছয় বজাৰ পৰা আৰম্ভ হ'বলগা মেচখনত স্থানীয় দল মহমেদান স্প'ৰ্টিং ফেভাৰিট। উল্লেখ্য যে গ্ৰুপত অপৰাজেয় হৈ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে মহমেদান স্প'ৰ্টিঙে। দলে আই এছ এলৰ দল এফ চি গোৱা আৰু জামছেদপুৰক সহজে পৰাস্ত কৰাৰ লগতে বাংগালুৰুৰ লগত ড্ৰ খেলিছে। তদুপৰি ভাৰতীয় বায়ু সেনাকো হেলাৰঙে হৰুৱাইছে কলকাতাৰ দলটোৱে। সেয়ে মহমেদান দৃঢ় তথা আত্মবিশ্বাসী। আজি সংবাদ মেলত দলৰ প্ৰশিক্ষক চেৰ্নিশ্বভে কয়, 'এইখন কঠিন খেল হ'ব যদিও আমি সাজু হৈ আছো। আঘাত আৰু কাৰ্ডৰ বাবে কাইলৈ কিছু পৰিৱৰ্তন হ'ব, কিন্তু এয়া ফুটবল আৰু আমি সকলো পৰিস্থিতিৰ বাবে সাজু থাকিব লাগিব।' দলত মাৰ্কাছৰ ভূমিকা সম্পৰ্কে কৰা প্ৰশ্নত গেফাৰে কয় যে 'মাৰ্কাছ এজন গুৰুত্বপূৰ্ণ খেলুৱৈ। কিন্তু এইবাৰ তেওঁ নিজৰ খেলাৰ ধৰণ সামান্য সলনি কৰিছে যিটো দলৰ বাবে ভাল কিন্তু তেওঁ এতিয়াও আমাৰ দলত এজন বিপজ্জনক খেলুৱৈ। মেচত আমাৰ বাবে অনুৰাগীসকল গুৰুত্বপূৰ্ণ। যিমানেই সমৰ্থক আহে সিমানেই ভাল খেলো। কাইলৈৰ মেচতো আমি আশাবাদী গেলেৰীৰ পৰা অতিৰিক্ত শক্তি লাভ কৰিম। ইফালে, প্ৰতিযোগিতাত কেৰালা ব্লাষ্টাৰ্ছৰ আৰম্ভণি সুখকৰ নাছিল যদিও অন্তিম দুখন মেচত শক্তিশালী প্ৰত্যাৱৰ্তন কৰি চমকপ্ৰদ জয়ৰে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। দলে দিল্লী এফ চিৰ লগত ড্ৰ খেলাৰ পাছত ওড়িছাৰ বিৰুদ্ধে পৰাস্ত হৈছিল। কিন্তু মৰণপণ দুখন মেচত নৰ্থ ইষ্ট ইউনাইটেড আৰু আৰ্মি গ্ৰীণক হৰুৱাই দলে নকআউট ৰাউণ্ডলৈ যোগ্যতা অৰ্জন কৰিছে। কাইলৈৰ মেচক লৈ কেৰালাৰ পোলেণ্ডৰ মেনেজাৰ টমাছ টচ'ৰ্জে কয় 'আমি এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি সুখী তথা কোনো চাপত নাই। এতিয়া আমি ভোকাতুৰ হৈ আছো। কাইলৈৰ মেচখনৰ প্ৰেৰণা হ'ব যে আমি আই-লীগৰ এটা ভাল দলৰ বিৰুদ্ধে খেলিবলৈ ওলাইছো। নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰিবলৈ সাজু থাকিব আমাৰ দল। আমি খেলপথাৰত যুঁজিবলৈ সাজু'।

# মাউণ্ট কামেণ্ট আৰোহণৰ ৰূপালী জয়ন্তী বৰ্ষত বিশেষ অনুষ্ঠান

**গুৱাহাটী, ৮ ছেপ্টেম্বৰ ঃ** নন্দা দেৱীৰ পাছত ভাৰতৰ দ্বিতীয় সৰ্বোচ্চ পাৰ্বত্য শিখৰ 'মাউণ্ট কামেট' আৰোহণৰ ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে অসম পৰ্বতাৰোহণ সন্থাৰ সহযোগত এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰে অলিম্পিয়া প্ৰকাশনে। উল্লেখ্য যে উত্তৰাখণ্ডৰ গাড়োৱাল হিমালয়ৰ ২৫,৪৪৬ ফুট উচ্চতাৰ 'মাউণ্ট কামেট' ১৯৯৭ চনত আৰোহণ কৰিছিল অসমৰ এদল পৰ্বতাৰোহীয়ে । মামুদ ৰছিদৰ নেতৃত্বত যোৱা সেই দলটোৰ সদস্যসকল হ'ল জয়ন্ত ৰয়, মানস বৰুৱা, উপেন চক্ৰৱৰ্তী, প্ৰতুল চন্দ্ৰ দাস, দিগন্ত ৰয়, অপূৰ্ব বোস আৰু অনুপম ডেকা। অনুষ্ঠানটোৰ আঁতধৰে অলিম্পিয়া প্ৰকাশনৰ পৰিচালন সঞ্চালক চিৰঞ্জীৱ শৰ্মাই । উক্ত দুঃসাহসিক অভিযানৰ নেতৃত্ব বহন কৰা মামুদ ৰছিদ, সদস্য মানস বৰুৱা, উপেন চক্ৰৱৰ্তী, জয়ন্ত ৰয়ৰ লগতে জ্যেষ্ঠ পৰ্বতাৰোহী ৰাজেন্দ্ৰ প্ৰসাদ গৌতম, অৱসৰপ্ৰাপ্ত প্ৰশাসনীয় বিষয়া ৰাজীৱ প্ৰকাশ বৰুৱা, জ্যেষ্ঠ সাংবাদিক ৰূপম বৰুৱা, পুলিন সাহা, উদয় বৰগোঁহাইৰ লগতে ভালেসংখ্যক উদীয়মান পৰ্বতাৰোহী উপস্থিত থাকে।



■ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ ৯৬ সংখ্যক জন্মজয়ন্তীত সমাধিক্ষেত্ৰত শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন মুখ্যমন্ত্ৰীৰ

# সুধাকণ্ঠৰ জীৱন অসমবাসীৰ বাবে প্ৰেৰণা আৰু আদৰ্শৰ এক মূৰ্ত প্ৰতীক



**গুৱাহাটী, ৮ ছেপ্টেম্বৰ ঃ** ভাৰতৰত্ন, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ আজি ৯৬ সংখ্যক জন্মজয়ন্তী উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহান শিল্পীগৰাকীৰ গুৱাহাটীৰ জালুকবাৰীস্থিত সমাধিক্ষেত্ৰলৈ গৈ পুষ্পাঞ্জলি অৰ্পণেৰে গভীৰ শ্ৰদ্ধা নিবেদন কৰে। উল্লেখ যে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে ড° ভূপেন হাজৰিকা সমাধিক্ষেত্ৰত আজি শিল্পীগৰাকীৰ স্মৃতিচাৰণ অনুষ্ঠানৰ আয়োজন কৰিছিল। বৰেণ্য শিল্পীগৰাকীলৈ শ্ৰদ্ধা তৰ্পণৰ পিছত সমাধিক্ষেত্ৰৰ চৌহদতে সাংবাদিকৰ সৈতে হোৱা কথোপকথনৰ সময়ত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ড° ভূপেন হাজৰিকাৰ জীৱন অসমবাসীৰ বাবে প্ৰেৰণা আৰু আদৰ্শৰ এক মূৰ্ত প্ৰতীক। তেওঁ কয় যে নৱ প্ৰজন্মৰ মাজত ভূপেন হাজৰিকা সদায়ে এক প্ৰৱাহমান সুঁতিৰ দৰে বৈ থাকিব। ড° ভূপেন হাজৰিকাৰ জীৱন আৰু আদৰ্শই জাতিটোক সদায়ে একত্ৰিত কৰি ৰাখিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। আজিৰ এই অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বড়া, জনস্বাস্থ্য কাৰিকৰী ইত্যাদি বিভাগৰ মন্ত্ৰী জয়ন্তমল্ল বৰুৱা, ৰাজ্যসভাৰ সাংসদ তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব পবিত্ৰ মাৰ্ঘেৰিটা, বিধায়ক মানৱ ডেকা, ৰাজ্য চৰকাৰৰ উচ্চপদস্থ বিষয়া আৰু গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

# অসম মেঘালয় সীমান্ত সমস্যাক কেন্দ্ৰ কৰি বকোৰ সীমান্ত সোমাৰাং গাঁৱত নিদ্ৰা হৰণ গাঁওবাসীৰ





**অসমেই আমাৰ মাতৃভূমি বুলি হাতে হাতে প্লেকাৰ্ড লৈ ওলাই আহিল গাঁওবাসী ঃ অশ্ৰুসিক্ত নয়নেৰে হাতযোৰ কৰি ৰাজ্য চৰকাৰক আহ্বান আমাক মেঘালয়ত চামিল নকৰিব**

অগ্ৰদূত বাৰ্তা

**বকো, ৮ ছেপ্টেম্বৰ ঃ** ৰাজ্য চৰকাৰে অসম মেঘালয় সীমান্তত ১২টা বিবাদমান অঞ্চল চিনাক্ত কৰিছে। ইতিমধ্যে অসমৰ মুখ্যমন্ত্ৰী আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ মধ্যস্থতাত প্ৰথম পৰ্যায়ত ছটা অঞ্চলৰ সীমা সমস্যা সমাধান কৰিছে। পুনৰ দ্বিতীয় পৰ্যায়ৰ ছটা বিবাদমান অঞ্চলৰ সীমা সমস্যা সমাধানৰ বাবে দুখন ৰাজ্য প্ৰস্তুত হৈছে। দ্বিতীয় পৰ্যায়ৰ ছটা বিবাদমান অঞ্চলৰ ভিতৰত অসম মেঘালয় সীমান্তৱৰ্তী বকোৰ সীমান্ত চিৰসেউজ লাম্পী অঞ্চলটো অন্তৰ্ভূক্ত। অহা ১০ ছেপ্টেম্বৰত অসম চৰকাৰৰ কেবিনেট উপ-সমিতিৰ অধ্যক্ষ মন্ত্ৰী অতুল বৰা, বকোৰ বিধায়িকাসহ এটা সজাঁতী দলে লাম্পীত উপস্থিত হৈ সীমা সমস্যাৰ চৰজমিন তদন্ত কৰি প্ৰতিবেদন যুগুত কৰাৰ বাবে উপস্থিত হোৱাৰ কথা।

ইফালে, ইয়াক লৈ নিদ্ৰাহৰণ হৈছে সোমাৰং গাঁওবাসীৰ। চিৰসেউজ লাম্পী অঞ্চলৰ অন্তৰ্গত গাৰো বসতি প্ৰধান অঞ্চল হৈছে সোমাৰং। প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ পাহাৰীয়া ভূখণ্ড সোমাৰংত ৪০/৪৫টা পৰিয়ালে বসবাস কৰি আছে। গাঁওখনত এখন অসমৰ প্ৰাথমিক বিদ্যালয় আছে। একেদৰে তাত থকা ভোটকেন্দ্ৰত গাঁওবাসীয়ে অসমৰ হৈ ভোট প্ৰদান কৰি আহিছে। বৰ্তমানেও আধুনিকতা আৰু অধিক চৰকাৰী আঁচনিয়ে ঢুকি পোৱা নাই গাঁওখনক।পাহাৰীয়া ভূখণ্ড সোমাৰাং গাঁওখনলৈ যাবলৈ দুই তিনিখন পাহাৰ অতিক্ৰম কৰিব লাগে। গাঁওখনলৈ যোৱা পথছোৱা গাঁওবাসীয়ে নিজৰ পকেটৰ ধন খৰচ কৰি বছৰে বছৰে মেৰামতি কৰি যাতায়ত অব্যাহত ৰাখিছে। অসমৰ এই গাঁওখনৰ বাসিন্দাসকলে যিকোনো পৰিস্থিতিতে চুবুৰীয়া ৰাজ্য মেঘালয়ত চামিল হ'ব নিবিছাৰে। চিৰসেউজ লাম্পীত জনশুনানীৰ বাবে ১০ ছেপ্টেম্বৰত উপ-সমিতিখন উপস্থিত হোৱাৰ দুদিন পূৰ্বে 'অসমে আমাৰ মাতৃভূমি', 'আমি অসমৰ মানুহ মেঘালয়ত নাযাওঁ', 'অসমত জন্ম অসমতে মৰিম', 'সোমাৰং গাঁও অসমতে থাকিব', 'আমি মেঘালয়ত নাযাওঁ' আদি বিভিন্ন শ্ল'গান সম্বলিত হাতে হাতে প্লেকাৰ্ড লৈ বকোত প্ৰতিবাদ সাব্যস্ত কৰে। গাঁওখনৰ মনছেং মাৰাক নামৰ লোকজনে সংবাদ মাধ্যমক জনায় যে অসমৰ সোমাৰং গাঁওখনৰ এটা ঐতিহ্য আছে। ১৯১৭তে গাঁওখনত ৰাজ্য চৰকাৰে সোমাৰং প্ৰাথমিক বিদ্যালয়খন স্থাপন কৰিছিল। গাঁওবাসীয়ে বছৰ বছৰ ধৰি অসমৰ বাসিন্দা হিচাপে ভোট প্ৰদান কৰি আহিছে। তাৎপৰ্যপূৰ্ণ বিষয়টো হৈছে যে গাঁওখনত আজিলৈকে কোনো মন্ত্ৰী বিধায়কে ভৰি দিয়া নাই। তেওঁলোকে তথাপিও অসমৰ নাগৰিক হিচাপে জীয়াই থাকিব বিচাৰো বুলি ৰাজ্য চৰকাৰক কাতৰ আহ্বান জনাই। আনকি অশ্ৰুসিক্ত নয়নেৰে হাতযোৰ কৰি ৰাজ্য চৰকাৰক আহ্বান জনায়, 'আমাক অসমৰ পৰা খেদি নিদিব। আমি অসমতে মৰিম।' আনহাতে, গাৰো জাতীয় পৰিষদৰ কামৰূপ জিলাৰ সভাপতি এনিন্দ্ৰ মাৰাকে সংবাদ মাধ্যমক জনায় যে সীমা সমস্যাক কেন্দ্ৰ কৰি সীমান্তৱৰ্তী অঞ্চলৰ গাৰো ভাই-ভাই সকলৰ মাজত ভাতৃঘাটী সংঘৰ্ষৰ সৃষ্টি হৈছে। একাংশই ৰঙাঘৰৰ আলহী হ'ব লগাও হৈছে। সীমান্তৰ একাংশ গাৰো লোক মেঘালয়ত সমৰ্থন কৰি অসম বিদ্বেষী হৈ পৰিছে। আন একাংশই অসমক সমৰ্থন কৰি নিদ্ৰাহীন জীৱন কটাবলগীয়া হৈছে। উল্লেখ্য যে মেঘালয়ৰ প্ৰৰোচনাত অসম বিদ্বেষীসকলে অসমৰ সমৰ্থনত থকা অসমীয়াসকলক গাঁওৰ পৰা খেদি পঠিওৱাৰ নজিৰ দেখা গৈছে। অসমৰ সমৰ্থনত থকা অসমীয়া সকলক বলপূৰ্বকভাৱে মেঘালয়ত চামিল হোৱাৰ বাবে বল প্ৰয়োগ কৰি আহিছে। অসম মেঘালয় সীমান্তৱৰ্তী বকোৰ সীমান্ত মালাং শালবাৰী, মালাং হৌ-হুৱাপাৰা, গাৰোজান, আপাৰ তাৰাবাৰীৰ পাছতে শেহতীয়াভাৱে অসমৰ সমৰ্থনত থকা সোমাৰাং গাঁওবাসীক মেঘালয়ত চামিলকৰণৰ বাবে হেঁচা প্ৰয়োগ কৰিছে অসম বিদ্বেষীয়ে। এইক্ষেত্ৰত সভাপতিয়ে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনাই যে, অসম মেঘালয় সীমান্তৱৰ্তী অঞ্চলৰ সীমা সমস্যা সমাধানৰ পূৰ্বে গাৰো জাতীয় পৰিষদ আৰু অসমৰ সমৰ্থনত থকা গাঁওবাসীৰ স'তে আলোচনাত মিলিত হ'ব লাগে। তাৰ পাছত ৰাজ্য চৰকাৰে যি সিদ্ধান্ত ল'ব সেয়া সকলোৰে বাবে সমীচীন হ'ব। অন্যথা সীমান্ত অঞ্চলত ভ্ৰাতৃঘাতী সংঘৰ্ষৰে ৰক্তাক্ত পৰিৱেশৰ সৃষ্টি হ'ব পাৰে বুলি ক্ষোভ প্ৰকাশ কৰে।

# ৰক্ষণা-বেক্ষণৰ অভাৱত হাবি-জংঘলে আৱৰি ধৰিছে ঠাকুৰপুৰৰ সুধাকণ্ঠৰ মুকলি মঞ্চ

অগ্ৰদূত বাৰ্তা

**তামাৰহাট, ৮ ছেপ্টেম্বৰ ঃ** কেৱল চোৰা-চিতা আৰু ৰক্ষণা-বেক্ষণৰ অভাৱতে হাবি-জংঘলে আৱৰি ধৰিছে কোকৰাঝাৰ জিলাৰ তিনি নম্বৰ শ্ৰীৰামপুৰ পৰিষদীয় সমষ্টিৰ অন্তৰ্গত ঠাকুৰপুৰস্থিত ড° ভূপেন হাজৰিকা মুকলি মঞ্চ তথা উদ্যানখন। উক্ত অনুষ্ঠানৰ চোৰা-চিতাৰ দায়িত্বত থকা তদাৰক কমিটীখনৰ দায়িত্বহীনতাৰ বাবেই আজি বিশ্ববৰেণ্য শিল্পীজনৰ ৯৬ সংখ্যক ওপজা দিনতো অৱহেলিত হৈ জংঘলৰ মাজত পৰি থাকিল ড° ভূপেন হাজৰিকা মুকলি মঞ্চ। আজি সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ৯৬ সংখ্যক জন্মজয়ন্তী ৰাজ্যৰ প্ৰান্তে প্ৰান্তে উলহ-মালহেৰে পালন কৰি থকা সময়তে এলাগী হৈ পৰি ৰ'ল ঠাকুৰপুৰৰ সুধাকণ্ঠ ড° ভূপেন হাজৰিকা মুকলি মঞ্চ। উল্লেখ্য যে তদানীন্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ নেতৃত্বাধীন অসম চৰকাৰখনে বিশ্ববৰেণ্য শিল্পীজনৰ স্মৃতি ৰক্ষাৰ উদ্দেশ্যেৰে কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমা তথা তিনি নম্বৰ শ্ৰীৰামপুৰ পৰিষদীয় সমষ্টিৰ অধীনস্থ ঠাকুৰপুৰ গাঁৱত ২০১৪-১৫ বিত্তীয় বছৰত এমজিএনৰেগা আঁচনিৰ অধীনত ড° ভূপেন হাজৰিকা মুকলি মঞ্চ আৰু উদ্যান নিৰ্মাণৰ বাবে ১০ লাখ টকা মঞ্জুৰি দিছিল। উক্ত মঞ্জুৰিকৃত পুঁজিৰে কোকৰাঝাৰ জিলা গ্ৰাম্য বিকাশ অভিকৰণৰ অধীনস্থ হাতীধুৰা উন্নয়ন খণ্ডই ঠাকুৰপুৰ ভিচিডিচিৰ অন্তৰ্গত এখন আচহুৰা ঠাইত ড° ভূপেন হাজৰিকা মুকলি মঞ্চ তথা উদ্যানখন নিৰ্মাণ কৰিছিল। কিন্তু সুধাকণ্ঠৰ স্মৃতি ৰক্ষাৰ্থে স্থাপন কৰা মুকলি মঞ্চখন স্থাপন কৰাৰ পৰা আজিলৈকে কোনো ধৰণৰ মেৰামতি নাইবা কোনো অনুষ্ঠান আদি অনুষ্ঠিত নকৰি পৰিত্যক্ত অৱস্থাত পৰি থকাৰ ফলত হাবি-জংঘলে আৱৰি ধৰিছে। ইয়াৰ ফলত তদানীন্তন মুখ্যমন্ত্ৰীজনৰ স্বপ্নৰ প্ৰকল্পটো স্বপ্ন হৈয়ে পৰি থাকিল। মন কৰিবলগীয়া কথা যে ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত ডিংডিংগা গাঁৱৰ কৃষ্ণ কুমাৰ ৰায় নামৰ এজন যুৱকে প্ৰতি বছৰে নিজাববীয়াকৈ ড° ভূপেন হাজৰিকাৰ ওপজা দিনটোত মঞ্চখন অলপ চাফ-চিকুণ কৰি ধূপ-বন্তি জ্বলাই আহিছে। গতিকে বিশ্ব বৰেণ্য শিল্পীজনৰ স্মৃতি ৰক্ষাৰ্থে নিৰ্মাণ কৰা ড° ভূপেন হাজৰিকা মুকলি মঞ্চ তথা উদ্যানখন মেৰামতি কৰি মঞ্চখনৰ লগতে ভূমিডোখৰ ৰক্ষণা-বেক্ষণ কৰাৰ বাবে অঞ্চলটোৰ ৰাইজে বিভাগীয় কৰ্তৃপক্ষ তথা বিটিচি পৰিষদীয় চৰকাৰৰ ওচৰত দাবী জনাইছে।



# কলিয়াবৰৰ লুইতৰ বালিৰ কঁহুৱা বনত শুকুলা চাদৰৰ আচ্ছাদন

**অশান্ত মনত শান্তিৰ পৰশ বোলাই শৰতৰ বতৰা আনিছে কঁহুৱা ফুলে**

জয়ন্ত কুমাৰ শৰ্মা

**কলিয়াবৰ, ৮ ছেপ্টেম্বৰ ঃ** কঁহুৱা ফুলিছে। জটিল সময়ৰ অশান্ত মনত শান্তিৰ পৰশ বোলাই আহিনৰ বতৰা আনিছে কঁহুৱা ফুলে। শৰতৰ বতৰা লৈ এতিয়া কলিয়াবৰৰ লুইতৰ চাপৰিত, কলঙৰ বালিত কঁহুৱা ফুলৰ শুকুলা চাদৰৰ আচ্ছাদন। কলিয়াবৰৰ সেউজ শোভাত যেন এক নৱ পৰশ দিছে কঁহুৱা ফুলে। কঁহুৱাক লৈ অসমীয়া জনজীৱনত আছে এক আবেগ। গীতিকবিৰ কাপেৰে নিগৰিছে কঁহুৱা ফুলৰ সৌন্দৰ্যৰ বহু গীত, কবিতা, আলেখ্য। শৰতৰ বতৰা লৈ কঁহুৱাই যুগে যুগে জীপাল কৰি আহিছে। অসমীয়াৰ মন-প্ৰাণ-হৃদয়। খেয়ালী প্ৰকৃতিৰ অনন্য সম্ভাৰ এই কঁহুৱা বন সাধাৰণতে গজি উঠে নৈ, জান-জুৰিৰ দাঁতিত। এই কঁহুৱাৰ আছে বহু কাম। সাধাৰণতে তাহানিৰ গ্ৰাম্য জীৱনৰ এক অবিচ্ছেদ্য, অভিন্ন অংগ এই কঁহুৱা। গাঁৱৰ ঘৰখনৰ চালখন চাৱনি কৰাৰ পৰা বেৰখন সাজি উলিওৱালৈকে বহু কামতেই গঞাই ব্যৱহাৰ কৰে কঁহুৱা। বহু গ্ৰামাঞ্চলত কঁহুৱা কটাৰ নামত এক অলিখিত উৎসৱ পালনৰ দৰেই হয়। দল বান্ধি গৰু-ম'হৰ গাড়ী লৈ কঁহুৱা কাটিবলৈ যায় ৰাইজ। ইয়াৰেই পূৰণ হয় বছৰটোৰ ঘৰ সজাৰ প্ৰয়োজন। অৱশ্যে আজি এই ছবিখন দুৰ্লভ। প্ৰাপ্ত তথ্য অনুসৰি, কঁহুৱা বন বা খাগৰী বা বনৰীয়া কুঁহিয়াৰক বাংলাত কাশ বুলি কোৱা হয়। ই এবিধ তৃণ জাতীয় উদ্ভিদ। এই বনবিধৰ বৈজ্ঞানিক নাম 'ছ্যাচাৰাম স্পন্টেনিয়াম'। ই ছ্যাচাৰাম গণ আৰু স্পন্টেনিয়াম প্ৰজাতিৰ অন্তৰ্ভুক্ত। অসমত কঁহুৱা নামেৰে জনাজাত এই বনবিধ ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ উপৰি দক্ষিণ আফ্ৰিকা আৰু হিমালয়ৰ কাষৰীয়া ঠাই নেপাল, ভূটান আদিত প্ৰচুৰ পৰিমাণে পোৱা যায়। এই বনবিধ সাধাৰণতে নদী কাষৰীয়া অঞ্চলত প্ৰচুৰ পৰিমাণে গজে। এতিয়া ই ফুলাৰ সময়। এই তৃণ জাতীয় উদ্ভিদবিধ একবীজপত্ৰী। ইয়াৰ শিপা গুচ্ছমূল জাতীয়। এই বনবিধৰ জীৱনকাল দুবছৰ। ইহঁতৰ উচ্চতা তিনি মিটাৰলৈকে হয়। নৈ পাৰৰ বালি আঁহিয়া মাটিত ইয়াৰ বিকাশ ভাল হয়। কঁহুৱা বনৰ বীজবোৰে পানীৰ মাধ্যমেৰে ইঠাইৰ পৰা সিঠাইলৈ যায়। কঁহুৱাৰ ফুলবোৰ বগা বৰণৰ আৰু আকাৰত দীঘলীয়া। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ গঁড়ৰ অন্যতম প্ৰধাম খাদ্য এই কঁহুৱা বন। গৰু, ম'হ আদিয়েও ইয়াক খাদ্য হিচাপে গ্ৰহণ কৰে। গাঁও অঞ্চলত এইবিধ বন ঘৰৰ চাল চোৱা কামত প্ৰায়ে ব্যৱহাৰ কৰা দেখা যায়। ইয়াৰ উপৰি ঠাই সাৰিবলৈ ব্যৱহাৰ কৰা শোটা আদি বনাবলৈয়ো কঁহুৱা বনৰ ব্যৱহাৰ হয়। ইয়াৰ উপৰি কঁহুৱা বন আয়ুৰ্বেদিক চিকিৎসাৰ বাবেও ব্যৱহাৰ হয়। কঁহুৱাক লৈ যুগে যুগে সৃষ্টি হৈ আহিছে বিভিন্ন কাব্য চৰ্চা। সংস্কৃত ভাষাতো আছে বহু কাব্য সম্ভাৰ। অসমীয়া জনজীৱনৰ দৰেই কৃষ্টিৰ আখৰাস্থলী আৰু সাহিত্যৰ পথাৰখনতো আছে বহু কবিতা, গীত। যি সময়ে সময়ে সমাজলৈ কঢ়িয়াই আনিছে প্ৰশান্তিৰ বাৰ্তা। শেষত অশান্ত সময়ত শান্তিৰ ভাষা বিলোৱা গীতিকবিৰ ভাষাৰে কঁহুৱাৰ হৈ কওঁ, 'কঁহুৱা বন, মোৰ অশান্ত মন, আলফুল হাতেৰে লোৱা সাবটি।' কঁহুৱা বনৰ ফুলৰ দৰেই হওক সমাজখন।



# তেজপুৰত ড° ভূপেন হাজৰিকাৰ ৯৬ সংখ্যক ওপজা দিনৰ শ্ৰদ্ধাঞ্জলি

**ভূপেন হাজৰিকা কলাভূমিক তেজপুৰৰ অন্যতম আকৰ্ষণীয় ক্ষেত্ৰ হিচাপে গঢ়ি তোলা হ'ব**

ষ্টাফ ৰিপৰ্টাৰ

**তেজপুৰ, ৮ ছেপ্টেম্বৰ ঃ** বিশ্ব বৰেণ্য শিল্পী, সুধাকণ্ঠ, ভাৰত ৰত্ন ড° ভূপেন হাজৰিকাৰ ৯৬ সংখ্যক ওপজা দিনটোৰ পুৱাই আজি তেজপুৰৰ ভূপেন হাজৰিকা কলাভূমিত গীত-কথাৰে ওপজা দিনৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলে তেজপুৰৰ ৰাইজে। শোণিতপুৰ জিলা প্ৰশাসনৰ উদ্যোগত অনুষ্ঠিত আজিৰ এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠান ভাৰত ৰত্নগৰাকীৰ পূৰ্ণাবয়ব প্ৰতিমূৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰে শোণিতপুৰৰ উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই। উপায়ুক্তই এই অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ সমান্তৰালভাৱে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশগ্ৰহণ কৰে বাণ থিয়েটাৰৰ সভাপতি বংকিম শৰ্মা, প্ৰাক্তন সভাপতি মহেন্দ্ৰ নাথ কেউট, শোণিতপুৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া কৰবী শইকীয়া কৰণ, শোণিতপুৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত ৰমী বৰুৱা, পংকজ নাগবংশী, তেজপুৰ সাহিত্য সভাৰ সভাপতি ড° ভূপেন শইকীয়া, অসমীয়া ক্লাবৰ উপ-সভাপতি পংকজ বৰা, শোণিতপুৰ জিলা সাংস্কৃতিক উন্নয়ন বিষয়া তথা জ্যোতি ভাৰতীৰ ভাৰপ্ৰাপ্ত বিষয়া জিতেন কুমাৰ দাস, বিশিষ্ট কণ্ঠশিল্পী কামাল ৰচিদ আহমেদ, জ্যোতি কলা কেন্দ্ৰ সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ লিখন শৰ্মা, বাণ থিয়েটাৰৰ সাধাৰণ সম্পাদক জিতুমণি দেৱচৌধুৰী, ড° গোপাল বৰদলৈ, জংগম, সমাজকৰ্মী মুকুল গোস্বামী, জিন্টু বৰঠাকুৰ আদিয়ে। অসম সাহিত্য সভাৰ প্ৰচাৰ সম্পাদক পংকজ বৰুৱাই আঁত ধৰা অনুষ্ঠানত উপায়ুক্ত মিশ্ৰই বিশ্ব বৰেণ্য শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি তেজপুৰৰ ভূপেন হাজৰিকা কলাভূমি অধিক উন্নত কৰি আগন্তুক সময়ত শিল্পীগৰাকীক আৰু অধিক মহত্ত্ব প্ৰদান কৰি প্ৰত্যেক সন্ধিয়া দুঘন্টাকৈ সময় কম স্বৰত তেওঁৰ কালজয়ী গীতসমূহ বজাই থকাৰ ব্যৱস্থা কৰাৰ লাগতে অতি আকৰ্ষণীয়কৈ কলাভূমিক সজাই তোলা হ'ব বুলি সদৰী কৰে। পুৱাই বিভিন্ন অনুষ্ঠানৰ বিষয়ববীয়া আৰু একাংশ বিশিষ্ট ব্যক্তি উপস্থিত থকা এই অনুষ্ঠানত বৰেণ্য শিল্পীগৰাকীৰ 'শাৰদী ৰাণী তোমাৰ হেনো নাম' শীৰ্ষক গীত পৰিৱেশন কৰি ভূপেন হাজৰিকা কলাভূমি প্ৰাংগণ জীপাল কৰি তোলে বিশিষ্ট কণ্ঠশিল্পী কামাল ৰচিদ আহমেদ। আনহাতে, অনুষ্ঠানত বিশ্ব বৰেণ্য শিল্পীগৰাকীৰ সান্নিধ্য লাভ কৰা বিশিষ্ট গীতিকাৰ-সুৰকাৰ বংকিম শৰ্মাই সান্নিধ্যৰ কেতবোৰ স্মৃতি ৰোমন্থন কৰি ভূপেন হাজৰিকাক সকলোৱে খঙাল ব্যক্তি বুলি জানে যদিও তেওঁ প্ৰকৃততে এগৰাকী কোমল অন্তৰৰ ব্যক্তি আছিল সেই কথা তেওঁ নিজে কোৱা 'মই মাজে মাজে কমাৰ্চিয়েল খণ্ডেৰে কিছুমান সুবিধা সৃষ্টিৰ ক্ষেত্ৰত আদায় কৰি লওঁ' কথা সদৰী কৰি কেতবোৰ অজানা কথাৰ ৰোমন্থন কৰে।



আনহাতে, তেজপুৰ সাহিত্য সভাৰ সভাপতি ড° শইকীয়াই আজিৰ দিনটোত শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি প্ৰদান কৰা চমু ভাষণত জ্যোতি-বিষ্ণু-ফণী শৰ্মাৰ উত্তৰসূৰী শিল্পী হিচাপে ড° ভূপেন হাজৰিকাই দায়বদ্ধতা পালন কৰি গ'ল যদিও ভূপেন হাজৰিকাৰ উত্তৰসূৰীৰ এতিয়া অভাৱ পৰিলক্ষিত হৈছে বুলি উদ্বেগ প্ৰকাশ কৰি সেই আসন পূৰণ কৰিবলৈ ড° হাজৰিকাৰ জীৱনদৰ্শন সঠিকভাৱে জনাৰ পৰিৱেশ সৃষ্টি কৰিব লাগিব বুলি কয়। অনুষ্ঠানত কণ্ঠশিল্পী বিতোপন বৰা আৰু হীৰামণি লহকৰেও একোটিকৈ শিল্পীগৰাকীৰ গীত পৰিৱেশন কৰে। ইয়াৰ উপৰি অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনস্থ জ্যোতি ভাৰতীত পুৰা ভাৰপ্ৰাপ্ত বিষয়া জিতেন কুমাৰ দাসে প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে জ্যোতি ভাৰতীৰ সকলো শিল্পীয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ পাছত বিয়লি শোণিতপুৰ জিলা সন্মিলনৰ সহযোগত এক বিশেষ স্মৃতিচাৰণ অনুষ্ঠান সম্পন্ন হয়। জিলা সাংস্কৃতিক উন্নয়ন বিষয়া তথা জ্যোতি ভাৰতীৰ ভাৰপ্ৰাপ্ত বিষয়া জিতেন কুমাৰ দাসে আঁতধৰা অনুষ্ঠানত জিলাখনৰ কে'বাগৰাকীও কবি-শিল্পীয়ে গীত-মাতেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। একেদৰে ড° ভূপেন হাজৰিকাৰ স্মৃতিৰে গৰিমামণ্ডিত তেজপুৰৰ বাণ থিয়েটাৰত সন্ধিয়া আয়োজন কৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰে সভাপতি শৰ্মাই।

# বাটে পথে ৰেল যাত্ৰাৰে টোকাৰী গীত গাই জীৱন সংগ্ৰাম ৭০ উৰ্ধ্বৰ সূৰ্য বৰ্মনৰ



অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ৮ ছেপ্টেম্বৰ ঃ** জীৱন যুঁজত হাৰ নমনা অন্যান্যসকলৰ ভিতৰত জন্মৰে পৰা চকুৰে কম দেখা ৭৩ বছৰীয়া বৃদ্ধ সূৰ্য বৰ্মনো এজন। বাটে পথে, ৰেল যাত্ৰাৰে গীত গাই জীৱন সংগ্ৰামৰ ৰথখন সাহসেৰে চলাই নিছে, তেওঁ দুখ ভাগৰ নাই আক্ষেপো নাই। পুত্ৰ-বোৱাৰীয়ে নেচালেও ৭০ বছৰীয়া বৃদ্ধ পত্নীৰ স'তে একপ্ৰকাৰ তেওঁক দেখিলে সুখী মানুহ যেন অনুভৱ হয়। জন্মৰে পৰা চকুৰে কম দেখা পালেও তেওঁৰ এটা সুৰীয়া কণ্ঠ থকাৰ কথা সকলোৱে স্বীকাৰ কৰে। আৰু এই স্বীকৃতিয়ে তেওঁক জীয়াই থকাৰ প্ৰেৰণা যোগাই আহিছে। বৰ্মনে বহু কষ্টেৰে এখন টোকাৰী কিনি বিগত তিনি বছৰে লখিমপুৰৰ বিভিন্ন অঞ্চলৰ বাটে-পথে টোকাৰী গীত, লোক গীত গাই দুই এক পইচা ঘটি জীৱন যুঁজত হাৰ নেমানি সাহসেৰে আগবাঢ়ি গৈছে। তেওঁ ৰেল যাত্ৰাৰে লখিমপুৰৰ পৰা ধেমাজি, চিলাপথাৰ আৰু জোনাইলৈ ভ্ৰমণ কৰি গীত গায়। সূৰ্য বৰ্মনৰ টোকাৰী গীতৰ সুৰ লয় তালত কোনোবা এটা ডবা অথবা গছৰ তল, জনপূৰ্ণ স্থান হঠাৎ প্ৰাণ পাই উঠে। শংকৰে পাতিলে নামৰে পুখুৰী! মাধৱে বন্ধালে আলি! আলিৰ দাঁতিতে ৰুলে কদম পুলি! ভকতে জিৰাব বুলি... উল্লেখ্য যে বৰ্মনৰ গীত-মাতে কাৰোবাৰ মন তুলিছে, নাই চোৱা, কোনে কি দিছে, কিমান দিছে তালৈ ভ্ৰূক্ষেপ নাই যি পাইছে তাকে লৈ নিতৌ এটি সন্তুষ্ট মনেৰে ঘৰলৈ উভতি আহে। পিছ দিনা পুনৰ আৰম্ভ হয় দৈনন্দিন মাত্ৰা পুনৰ কোনোবা এটা ৰেলৰ দবাত, গছৰ তলত, জনপূৰ্ণ স্থানত। টং টং শব্দৰে জন কোলাহলক তল পেলাই হঠাৎ টোকাৰীখন বাজি উঠে আৰু লগে লগে বৰ্মনৰ কণ্ঠৰ পৰা নিগৰি ওলাই মন পৰশা টোকাৰী গীত, লোক গীতবোৰ। সোৱণশিৰি নদীৰ বানত সৰ্বস্ব হেৰুৱাই বৰ্তমান সূৰ্য বৰ্মনৰ আছে এটি সৰু জুপুৰি। বৰ্মনে সদৰী কৰা মতে আজিলৈকে এখন ৰেচন কাৰ্ড নোপোৱা বৰ্মনে কোনো দিনে জীৱন যুঁজত হাৰ মনা নাই সৰু -সুৰা হ'লেও কিবা এটা কৰি দুবেলা দুমুঠি খাইছে তাতে সুখী তেওঁ।

Assam down town University
Guwahati

CIRCULAR

**Invitation to register for 9th Convocation of AdtU**

This is to inform all concerned that the 9th Convocation of Assam down town University will be celebrated on **16th September 2022 (Friday).**

Therefore, all the graduates of batch 2022 are requested to register using the QR code




**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com